

এই গ্ৰন্থ ৰাজা ৰামমোহন ৰায় লাইব্ৰেৰী ফাউণ্ডেচন, ১১০, যোধপুৰ পাৰ্ক কলিকতা—৭০০০৬৮ ৰ দ্বাৰা উপহাৰ স্বৰূপ দিয়া হৈছে।

# হালধীয়া চৰায়ে বাওধান খায়

হোমেন বৰগোহাঞি

ক্ৰেণ্ডচ বুক এজেঞ্চি · গুৱাহাটী-১

# HALADHIYA
# CHARAYE
# BAO
# DHAN
# KHAY

*A Novel written by Homen Borgohain Published by Nareswar Das, Friends Book Agency, Panbazar, Gauhati-1 : Price Rupees Six & Paise fifty Only.*

॥ প্ৰকাশক ॥ শ্ৰীনৰেশ্বৰ দাস ॥

ফ্ৰেণ্ড্চ বুক এজেঞ্চি ॥ পানবজাৰ ॥ গুৱাহাটী-১

॥ বেটুপাত-অঙ্গসজ্জা ॥ ত্ৰৈলোক্য দত্ত ॥ গুৱাহাটী ॥

॥ দ্বিতীয় সংস্কৰণ ॥ আগষ্ট '৭৫

॥ ৰচনাকাল ॥ ১৯৭২ ॥

॥ ছপা ॥ শ্ৰীসুকুমাৰ চৌধুৰী ॥

॥ স্বৰ্ণা প্ৰিণ্টিং ৱাৰ্কচ ॥ কলিকতা ॥

॥ মূল্য ॥ চাৰে ছয় টকা মাথোন ॥

অগ্ৰজ প্ৰতিম শ্ৰীবিপিন পাল দাসৰ কৰকমলেষু

# হালধীয়া চৰায়ে

# বাও ধান খায়

# এক

বতৰ বহুতদিন খৰাং হৈ থাকি শাওণৰ তৃতীয় দিনৰ পৰা বৰষুণ দিবলৈ আৰম্ভ কৰিলে। যোৱা দুমাহ ধৰি আকাশখনে অবিৰাম জুই বৰষিছিল। পথাৰবোৰ চিৰাল-ফটা দি শিল যেন টান হৈ পৰিছিল, খাল-বিলৰ পানী শুকাই গৰম বোকাত গৰৈ-খলিহা মাছবোৰ মৰি গেলিবলৈ আৰম্ভ কৰিছিল, খেতিয়কবোৰৰ চকুত ভয় আৰু দুৰ্ভাবনা পুঞ্জীভূত হৈ পৰিছিল। অৱশেষত শাওণৰ তৃতীয় দিনা মাজ-ৰাতিৰ পৰাই বৰষুণ দিবলৈ আৰম্ভ কৰিলে। মেঘৰ এটা ডাঙৰ ঢেৰেকনী শুনি ৰসেশ্বৰ খক্‌মক্ কৈ সাৰ পাই উঠিল। মাত্ৰ অলপ আগতে সি টোপনি গৈছিল। অসহ্য গৰমত টোপনি যাব নোৱাৰি বহুত পৰলৈকে সি ছট্‌ফট্ কৰি আছিল। শিয়ালে যেতিয়া তৃতীয় পৰৰ হোৱা দিবলৈ আৰম্ভ কৰিলে, ৰসেশ্বৰৰ ভাব হ'ল যে আজি ৰাতি আৰু বোধহয় শোৱাটো নহব, গোটেই ৰাতি উজাগৰেই যাব। চাদা-চুৰট এটা খাবলৈ মন' কৰি সি গাৰুৰ তলৰ পৰা জুইবাঁহটো উলিয়াই কেৰাচিন তেলৰ চাকিটো জ্বলালে। চাকিৰ পোহৰত ল'ৰা-ছোৱালীজাক আৰু ঘৈণীয়েকলৈ তাৰ চকু গ'ল। সিহঁত গোটেইবোৰে ৰসেশ্বৰৰ লগত একেখন বিছনাতেই শোৱে। বিছনা মানে বাহৰ এখন ডাঙৰ চাঙ, তাৰ ওপৰতে শুকান খেৰৰ ওপৰত পাটি পাৰি সিহঁতে শোৱে। এমূৰে ৰসেশ্বৰ, আনমূৰে ঘৈণীয়েক, মাজত সাতোটা ল'ৰা-ছোৱালী। চাকিৰ পোহৰত ৰসেশ্বৰে দেখিলে, ল'ৰা-ছোৱালীজাকে ইটোৰ ওপৰত

সিটোৱে ভৰি-হাত তুলি একাকাৰ হৈ কুকুৰ-পোৱালী এজাকৰ দৰে লালকাল দি টোপনি গৈছে। নিজৰ ল'ৰা-ছোৱালীক শুই থকা অৱস্থাত দেখিলে মাক-বাপেকৰ মনত এটা অদ্ভুত মমতা উথলি উঠে। ৰসেশ্বৰেও হঠাৎ কিবা এটা আবেগত মনটো মোচৰ্ খাই উঠা যেন অনুভব কৰিলে। তাৰ সমস্ত জীৱনৰ ফচল এই সাতোটা ল'ৰা-ছোৱালী। (আৰু এটা হৈছিল, কিন্তু সাতবছৰ মান বয়সতেই তেজ-গ্ৰহণী হৈ মৰিল)। সি জীৱনত একো কৰিব পৰা নাই, কেৱল এই সাতটা ল'ৰা-ছোৱালীৰ জন্ম দিছে। অসীম মমতাৰে প্ৰত্যেকটো ল'ৰা-ছোৱালীৰ নিদ্ৰিত মুখকেইখন চাই চাই অৱশেষত সি সাতটা ল'ৰা-ছোৱালীৰ সিপাৰৰ ঘৈণীয়েকলৈ চাই পঠালে। ঘৈণীয়েকে মৰাৰ দৰে টোপনি গৈছে। তাইৰ বুকুখন সম্পূৰ্ণ উদং। এবছৰীয়া কেচুৱাজনীয়ে বাওঁহাতেৰে পিয়াহ এটা খামুচি ধৰি গাখীৰ খাইছে। গাখীৰ খাই খাই তাই মাজে মাজে টোপনিত ঢলি পৰে, আকৌ মাজতে এবাৰ চঁক খাই সাৰ পাই উঠি পুনৰ পিয়াহ চুহিবলৈ আৰম্ভ কৰে। ৰসেশ্বৰে বুজিলে—কেচুৱা-জনীয়ে আমনি কৰাত মাকে বোধহয় পিয়াহ খুৱাবলৈ আৰম্ভ কৰিছিল, কিন্তু তাই পিয়াহ খাই থাকোতেই মাক টোপনিত অচেতন হৈ পৰিল। নপৰিবই বা কিয়, পুৱা শুই উঠাৰ পৰা আৰম্ভ কৰি ৰাতি বিছনাত পৰালৈকে গোটেই দিনটো জানো বেচেৰীয়ে এক মুহূৰ্ত্তও উশাহ লবলৈ সময় পায়? টাকুৰি ঘুৰাদি ঘূৰোতে ঘূৰোতেই বেচেৰিৰ গোটেই দিনটো যায়। সেই কাৰণে ৰাতি বিছনাত পৰাৰ লগে লগে দিনটোৰ জমা হোৱা ভাগৰে তাইক হাতী এটাৰ দৰে হেচা মাৰি ধৰে। বহুদিন যেন সি ঘৈণীয়েকক দেখাই নাছিল এনে এটা ভাবেৰে সি কিছু সময় তাইৰ মুখলৈ চাই ৰ'ল। কিছু সময় তেনেকৈ চাই থাকি তাৰ মনত অনুভব হ'ল সঁচাকৈয়ে সি ঘৈণীয়েকৰ মুখখন বহুত দিন দেখা নাছিল। চাবলৈ তাৰ সময় হোৱা নাছিল, প্ৰয়োজন হোৱা

নাছিল। আজি তাই টোপনিত অচেতন হৈ থকাৰ সুযোগ লৈ ৰসেশ্বৰে ঘৈণীয়েকৰ মুখখন ভালকৈ চাবলৈ ধৰিলে। জীৱনত প্ৰথমবাৰৰ কাৰণে সি অনুভৱ কৰিলে যে তাৰ ঘৈণীয়েকজনী বুঢ়ী হবলৈ আৰম্ভ কৰিছে। তাইৰ মূৰৰ চুলিবোৰ আগতকৈ বহুত পাতল হ'ল, কপালখনো বহল হৈ পৰিছে, আগৰ মঙহাল নিটোপল গাল দুখনো সৰি গৈ গালৰ হাড় দুডাল ওলাই পৰিছে। খন্তেকৰ কাৰণে চকামকাকৈ, ৰসেশ্বৰৰ চকুৰ আগত বিয়াৰ প্ৰথম ৰাতিৰ ঘৈণীয়েকৰ মুখৰ ছবিটো ভাহি উঠিল। যেন মানুহ নহয়—একুৰা জুইহে; সেইদিনা এনেকুৱাই ৰূপ আছিল তাৰ ঘৈণীয়েকৰ। জুই-কুৰা নুমাই এতিয়া আধা-জ্বলা আঙঠাবোৰ মাত্ৰ পৰি আছে। আৰু দুদিনমানৰ পিছতে সিও হয়তো নুমাই যাব, পৰি থাকিব মাত্ৰ এমুঠি ছাই। ৰসেশ্বৰে নিজে কব নোৱাৰাকৈয়ে এটা মৃদু হুমুনিয়াহ তাৰ বুকু ভেদি বাহিৰ হৈ আহিল। জীৱন এনেকৈয়ে পাৰ হৈ যায়—এটা ডাঙৰ সত্য উপলব্ধি কৰাৰ দৰে সি মনে মনে ভাবিলে। ঘৈণীয়েকৰ মুখৰ ফালে চাই চাই মমতাত তাৰ হৃদয়খন গলি যাবলৈ ধৰা যেন সি অনুভৱ কৰিলে। জাগ্ৰত অৱস্থাত সি ঘৈণীয়েকৰ প্ৰতি স্নেহৰ দৃষ্টিৰে চোৱা দূৰৰ কথা, জীৱনত কোনোদিন এষাৰ কোমল মাতেৰেও সি তাইক মাতি পোৱা নাই। বেছি ভাগ সময় সি তাইক কেটেৰা-জেঙেৰা কৰোতেই যায়; যেতিয়া খণ্ড কৰিবৰ কোনো কাৰণ নঘটে তেতিয়াও তাইৰ লগত কেৱল দুটা মাতেৰেহে কথা পতাটো তাৰ এটা স্বভাবত পৰিণত হৈছে। অৱশ্যে ইয়াৰ কাৰণ এই নহয় যে সি ঘৈণীয়েকৰ প্ৰতি কেতিয়াও কোনো ধৰণৰ মৰম বা কোমলতা অনুভৱ নকৰে। ঘৈণীয়েকৰ প্ৰতি মনে মনে মৰম অনুভৱ কৰিবৰ সময়তো তাৰ মুখৰ মাতষাৰ কিন্তু কৰ্কশ হৈয়ে ওলায়। আচল কথা হ'ল এয়ে যে ঘৈণীয়েকক কোমল মাতেৰে মাতিবলৈ বা আবেগ দেখুৱাবলৈ তাৰ বৰ লাজ লাগে। কেতিয়াবা অসতৰ্ক মুহূৰ্ত্তত মাতষাৰ হঠাৎ কোমল হৈ

ওলাৰ খুজিলেও সি লৰালৰিকৈ নিজকে শাসন কৰে; নিজৰ দুৰ্বলতাৰ কাৰণে ভীষণ লজ্জিত বা অপ্ৰস্তুত হৈ পিছ মুহূৰ্ত্তে প্ৰয়োজনতকৈ বেছি ৰূঢ় হৈ পৰে। কিন্তু এতিয়া যিহেতু ঘৈণীয়েক টোপনিত অচেতন, তাৰ আৰু সেইবোৰ সমস্যা নাই। বহুত পৰ সি ঘৈণীয়েকৰ মুখলৈ তন্ময় দৃষ্টিৰে চাই ৰ'ল। তাইৰ উদং গাটোলৈকো তাৰ চকু গ'ল। কেৱল যে তাইৰ দেহৰ উৰ্দ্ধাংগই অনাবৃত হৈ পৰিছে এনে নহয়। অসহ্য গৰমৰ পৰা ৰাতিৰ আন্ধাৰৰ নিশ্চিন্ততাত কিছু আৰাম লবলৈ যাওঁতে তাইৰ গাৰ তলৰ অংশৰ কাপোৰ-কানিবোৰো অতি অসংযত হৈ পৰিছে। সদায় দেখি থকা বস্তু এটাও হঠাৎ কেতিয়াবা সম্পূৰ্ণ এটা নতুন ৰূপত প্ৰতিভাত হৈ উঠে। ঘৈণীয়েকৰ পৰিচিত নগ্নতাও ৰসেশ্বৰৰ চকুত হঠাৎ নতুনভাবে উত্তেজক আৰু আকৰ্ষণীয় হৈ দেখা দিলে। তাইক গাৰ কাষত পাবলৈ তাৰ মন গ'ল। তেতিয়া হ'লে বোধহয় তাৰ সোনকালে টোপনিও আহিব। ঘৈণীয়েকক মাতিব খুজিও সি কিবা এটা ভাবি হঠাৎ থমকি ৰৈ গ'ল। ভাগৰত লালকাল দি বেচেৰিয়ে জগা কাঠ এডালৰ দৰে এনেভাবে শুইছে যে এই ভৰ টোপনিৰ পৰা তাইক জগাই তোলাটো নিশ্চয় অতি নিষ্ঠুৰতাৰ কাম হব। এফালে কামনা, আনফালে বিবেক—এই দুয়োটাৰ টনাটনিতে ৰসেশ্বৰ কিছু সময় দ্বিধা-গ্ৰস্ত হৈ ৰ'ল। অৱশেষত বিবেকৰেই জয় হ'ল: কামনাক দমন কৰাৰ ক্লান্তিত সি দীঘলকৈ এটা উশাহ ললে, আৰু গাৰুৰ তলৰ পৰা চাদাৰ টেমাটো উলিয়াই লৈ চুৰট এটা পকাবলৈ ধৰিলে। নিজৰ মনটো আন কোনোবা ফালে ঢাল খুৱাবলৈ সি অন্য কিবাকিবি কথা চিন্তা কৰিবলৈ চেষ্টা কৰিলে। গ'ধূলি কেতিয়াবা সময় পালে সি তেৱাৰীৰ দোকানত গৈ ৰেডিঅ' শুনেগৈ। আজি-কালি দেখোন ৰেডিঅ'ত প্ৰায়েই বেছি ল'ৰা-ছোৱালী জন্ম দিব নালাগে বুলি বক্তৃতা দিয়ে। সি সেইবোৰ কথাকে মনত পেলাবলৈ চেষ্টা কৰিলে।

কথাবোৰ মিছাও নহয়—সি নিজকে বুজাবলৈ চেষ্টা কৰিলে। এই সাতটা ল'ৰা-ছোৱালীক জন্ম দিওঁতেই আৰু লালন-পালন কৰোতেই মানুহজনীৰ গাৰ অৱস্থা চাব নোৱাৰা হৈছে; এই বয়সত আৰু এটা সন্তান হবলৈ হলে তাইবো জানো কম কষ্ট হব? মাইকী মানুহ আই বসুমতীৰ নিচিনা সহনশীলা বুলিহে ইমানকে পাৰে; সিহঁতৰ কিমান কষ্ট হয় মতা মানুহে কেনেকৈ বুজিব? চুৰটটো জ্বলাই লৈ চাকিটো নুমাই দি সি পুনৰ বিছনাত দীঘল দি পৰিল আৰু আন্ধাৰতে চুৰটটো হুপি হুপি সি টোপনি যাবলৈ চেষ্টা কৰিলে।

ৰসেশ্বৰে অনুভব কৰিলে যে গৰমটো হঠাৎ নোহোৱা হৈ গৈছে। বাহিৰত বোধহয় বতাহো দিছে। সি লাহে লাহে টোপনিৰ কোলাত ঢলি পৰিল। তাৰ পিছত এটা সময়ত সি মেঘৰ ঢেৰেকনী শুনি হঠাৎ সাৰ পাই উঠিল। বৰষুণ দিছে? এটা অসহ্য আনন্দৰ উত্তেজনাত তাৰ সৰ্ব-দেহ শিহৰিত হৈ উঠিল। পৃথিৱীত ইয়াতকৈ যেন ডাঙৰ আশীৰ্বাদ আৰু আন একো নাই। আজি দুমাহ ধৰি বতৰ খৰাং। পথাৰলৈ সি হাল নিবই পৰা নাই। দুদিনমান হাল বাবলৈ গৈয়ো সি হতাশ হৈ ঘুৰি আহিছে। জুই যেন ৰদত পুৰি পুৰি মাটিবোৰ ইমান কটুৰ হৈ পৰিছে যে নাঙলৰ আঁচ বহুৱাবই নোৱাৰি। তাৰ শালিতলীৰ মাটি মাত্ৰ এপুৰা; সিও বাম মাটি। আগতীয়াকৈ ধান কৰ নোৱাৰিলে তাত খেতি একেবাৰে নহয়েই। এই বছৰ আবত-ৰীয়া খৰাংটো হৈ তাৰ মূৰত বজ্ৰাঘাত পৰাৰ দৰে অৱস্থা হৈছে। প্ৰতিদিনেই ৰাতিপুৱা শুই উঠি সি পুবৰ আকাশৰ ফালে চায় আৰু জুইৰ আঙনি যেন হৈ উঠি অহা বেলিটো দেখি তাৰ কলিজা ক'লা পৰি যায়। আৰু দুদিন মানৰ ভিতৰতে যদি সি হাল আৰম্ভ কৰিব নোৱাৰে, তেন্তে এই বছৰ আৰু শালি-খেতি হোৱাৰ কোনো আশা নাই। তাৰ অৰ্থ—আঘোন মাহৰ পৰাই পুৰা ছমাহলৈ অৰ্থাৎ

শ্ৰেষ্ঠ-আহাৰত আহুধান নকটা দিনলৈকে গোটেই ঘৰ-ঘৰোৱাহঁতে অনাহাৰ আৰু অৰ্দ্ধাহাৰ। পাঁচ বছৰ মান আগতেও আৰু এবাৰ এনেকুৱা এটা দীঘলীয়া অনাবৃষ্টি হৈছিল। সেইবাৰ ৰসেশ্বৰৰ পথাৰ গোটেই বছৰ ছন্ পৰি থাকিল। ছমাহ কাল এসাজ নাখাই এসাজ খাই থাকিবলৈকে সি এবিঘা মাটি বন্ধক দিব লগা হ'ল, এজনী গাখীৰতী গাই বেচিব লগা হ'ল, তদুপৰি ঘৰখনৰ পৰাও যে কিমান কঁাহী-বাতি, এৰিয়া কাপোৰ আৰু ঘৈণীয়েকৰ নাকৰ কাণৰ গহনা ওলাই গ'ল তাৰ হিচাব নাই। সেই বছৰ তাৰ ককাল যি পৰিল পৰিলেই; আজিলৈকে সি ভালকৈ টঙাব পৰা নাই। এনে অৱস্থাত আৰু এবছৰ যদি খেতি নোহোৱাকৈ থাকিবলৈ হ'ল, তেন্তে সি নিগমে মৰিল। ইমানদিনে তাৰ অৱস্থাটো হৈ আছিল ফাঁচীৰ হুকুম হোৱা আচামী এটাৰ দৰে। কোনদিনা টেটুত চিপজৰী লাগে তাৰ ঠিক নাই। কিন্তু তাৰ সকলো ভয় আৰু দুশ্চিন্তাৰ অৱসান ঘটাই যেই আকাশত মেঘে গৰজি উঠিল, ৰসেশ্বৰৰ হিয়াখনে যেন আনন্দতে দামুৰি পোৱালী এটাৰ দৰে জাপ মাৰি উঠিল। উস্ ভগবান, দয়াময়, করুণা-সিন্ধু, এইবাৰলৈ অন্ততঃ নিচলাক ৰক্ষা কৰিলা। আৰু এটা মেঘৰ গাজনী শুনিবলৈ সি কাণখন থিয় কৰি ৰ'ল। তাৰ মনত অনুভব হবলৈ ধৰিলে যে মেঘৰ গাজনীৰ দৰে মধুৰ শব্দ যেন পৃথিৱীত আৰু একোৱেই নহি। অলপ পিছতে পৃথিৱী কঁপাই দি মেঘে আকৌ এবাৰ গৰ্জন কৰি উঠিল। তাৰ পিছত আকাশখন হঠাৎ ভাগি পৰাৰ দৰে বৰষুণ নামি আহিবলৈ ধৰিলে অজস্ৰ ধাৰাৰে,—তৃষ্ণাৰ্ত্ত মাটি আৰু ৰসেশ্বৰৰ সমস্ত চেতনাক আনন্দ-ধাৰাৰে প্লাবিত কৰি।

ৰসেশ্বৰৰ আকৌ টোপনি আহিল, কিন্তু কুকুৰাৰ প্ৰথম ডাকতে সি পুনৰ সাৰ পাই উঠিল। ঘৈণীয়েকেও ইতিমধ্যে সাৰ পাইছে। সি ঘৈণীয়েকক কলে—'শুনিছ?'

'কি?'

'আৰু কি হব ? বৰষুণ দিয়া শুনা নাই ? হ'ল বুলিনো মানুহে এনেকৈ শুব লাগেনে ? সেই মাজৰাতিৰ পৰাই বৰষুণ দিছে, তই গমেই পোৱা নাই ।'

'মই গমেই পোৱা নাই বুলি তোমাক কোনে কলে ?'

'গম পাইছ যদি ভালেই হৈছে। এতিয়া শুন। মই হাল বাবলৈ যাওঁ। সোণটিৰ পঢ়া শেষ হ'লে তাক কবি—দঁহা গৰুটো গৰু-ডাক্তৰৰ ওচৰলৈ লৈ যাব। তাৰ নাইটোৰ ঘা-ডোখৰত মাখি-পোক দিছে। আৰু তই কঠিয়ানীখনৰ ফালে মন কৰি থাকিবি। কালি বেৰা ভাঙি গৰু সোমাইছিল। আজি আগ-বেলা বেৰাখন দিম বুলি ভাবিছিলো, কিন্তু বৰষুণ দিলেই যেতিয়া মই হাল বাবলৈ যাওঁ। কেনেবাকৈ কঠিয়ানীত গৰু সোমালে কিন্তু চাবি—এচাৰিৰ কোবত তোৰ পিঠিৰ ছাল নাথাকিব ।'

ৰাতিপুৱাই দিনটোলৈ ৰসেশ্বৰৰ মুখত এনেকুৱা কথা শুনি ঘৈণীয়েকৰ টিকিচ্ ৰে খং উঠি গ'ল। গিৰিয়েকৰ ফালে পিঠি দি বাগৰ সলাই তাই কলে—'হৈছে, তিৰোতাৰ ওপৰত ইমান বৰ-মতা ওলাব নালাগে। মই তোমাৰ কঠিয়ানীৰ ফালেই মন কৰিম নে ঘৰৰে লেদেনা উকটিম। কালি গোটেই আবেলিতো বহি বহি থাকিলা, বেৰাখন দি পেলাব নোৱাৰিলা ?'

'তই মোক কালি বহি থকাহে দেখিলি'—ৰসেশ্বৰে শান্ত মাতেৰে কলে—'তয়েই দেখোন মোক ভগা গুৰি-চালনিখন মেৰামতি কৰিবলৈ লগাই দিছিলি। শুন, এইবোৰ কথাই কথা নহয়, পথাৰৰ পৰা ঘুৰি আহি কঠিয়ানীত গৰু সোমোৱা বুলি গম পালে কিন্তু মোৰ গাত গোঁসাই উঠিব। তেতিয়া কিন্তু মোক মুদুষিবি ।'

বিছনাতে উঠি বহি লৈ ৰসেশ্বৰে চাদা-ধপাতৰ চুৰট এটা পকাই ললে ; তাৰ পিছত চুৰটটো জ্বলাই সুখ-টান এটা মাৰি লৈ বেৰত গুজি থোৱা গামোছাখন টান মাৰি কান্ধত পেলাই লৈ সি বাহিৰলৈ ওলাই গ'ল।

পিবালীত থিয় দিয়েই ৰসেশ্বৰৰ দেহ-মন জুৰ পৰি গ'ল। বৰষুণ যে আহিছে সি সপোন নহয়, সম্পূর্ণ দিঠক। চোতালখন দেখিলেই কব পাৰি—ৰাতি খুব টান বৰষুণ দিছিল। কিন্‌কিনিয়া বৰষুণ দিয়া হলে চোতালখন বোকা উঠি থাকিলহেঁতেন। কিন্তু এতিয়া ঢলে ধুই নিয়াৰ দৰে চোতালখন নিকা হৈ আছে। বোন্দা কেচুবোৰ জাকে জাকে গাঁতৰ পৰা ওলাইছে। অলপ পিছতে যেতিয়া ঘৰৰ হাঁহ জাকক গড়ালৰ পৰা মেলি দিব, সিহঁতৰ আজি ডাঙৰ ভোজ হব। ৰসেশ্বৰে আকৌ আকাশখনলৈ চালে। বৰষুণে যদি ইমানতে ঘেটা শেষ কৰে তেতিয়া কিন্তু একো লাভ নহব। তেতিয়া মিছা আশা দেখুৱাই মানুহক ছলনা কৰাৰ দৰেহে হব। কিন্তু নাই, সেই ভয় নাই—আকাশলৈ চাই চাই ৰসেশ্বৰে ভাবিলে—বৰষুণ আকৌ বোধহয় ডাঙৰকৈয়ে আহিব। গোটেই আকাশখন ডাৱৰে ওন্দোলাই আনিছে। অতবোৰ মেঘ ইমান দিন যে ক'ত লুকাই আছিল সেই কথা ভাবি খুব আচৰিত হ'ল ৰসেশ্বৰ। মেঘবোৰ য'তেই লুকাই নাথাকক, অৱশেষত যে সিহঁত আহিল—ধৰণীৰ পোৰা-হিয়া জুৰ পেলাবলৈ, মাটিৰ শুকান ওঠত জীপ দিবলৈ, ৰসেশ্বৰহঁতৰ প্ৰাণ ৰক্ষা কৰিবলৈ—তাতেই ৰসেশ্বৰে ধন্য মানিছে। স্বাভাবিক সময়ত হোৱা হলে বৰষুণৰ আলেখ-লেখ চাবলৈ সি ইমান পৰ পিবালীত থিয় দি নাথাকিলেহেঁতেন। শুই উঠি কনা-মুনাকৈ মুখখন ধুয়েই সি গ'ৰু হাল লৈ পথাৰলৈ ওলাই গ'লহেঁতেন। কিন্তু আজি কথা বেলেগ। তুমাহৰ অগ্নি-বৃষ্টিৰ মূৰত আজিয়ে আকাশে সঁচাকৈ পানী বৰষিছে সেই কথা যেন সি বিশ্বাসেই কৰিব পৰা নাই। ইমান দিনে কঁপি কঁপি মৃত্যুৰ দিন গণি থকা মানুহটোৱে আজি যেন নতুনকৈ জীয়াই থকাৰ অধিকাৰ ঘুৰাই পাইছে। মনৰ আনন্দত ৰসেশ্বৰে বুকু ভৰি দীঘলকৈ এটা উশাহ ললে। বৰষুণৰ সুগন্ধখিনি আৰু শীতলতাখিনি সি যেন ভালকৈ অনুভৱ কৰি চাব খোজে। ঠিক সেই সময়তে এজাক সজল বতাহ জোৰেৰে তাৰ গাৰ

কালে বৈ আহিল। বোকাৰ গোন্ধ, পানীত ভিজা গোবৰৰ গোন্ধ, ওঁৰালৰ কাষত থকা গেন্ধাই ফুলবোৰৰ গোন্ধ—এই আটাইবোৰ পৰিচিত গোন্ধ মিহলি হৈ তাৰ নাকত লাগিলহি। সেইবোৰৰ লগতে সি আৰু এটা গোন্ধ পালে, আৰু সেইটো গোন্ধেহে তাক চঞ্চল কৰি তুলিলে! সি স্পষ্ট অনুভৱ কৰিলে—সেমেকা বতাহৰ কান্ধত উঠি ভাহি আহিছে গোহালীৰ গ'ৰুবোৰৰ গাৰ গোন্ধ।

ৰসেশ্বৰৰ ঘৈণীয়েকে গামোছাখনেৰে সৈতে মুখ ধোৱা লোটাটো লৈ ওলাই আহিল। ৰসেশ্বৰে হাত পাতি লোটাটো লৈ গেঙেৰি দি কলে—'হাল বাবলৈ ওলাই আহি এবেলা পৰ মানুহটো ইয়াত থিয় হৈ আছে। মুখ ধোৱা পানী আনিবলৈ তোৰ এতিয়াহে মনত পৰিল?'

'মানুহটো ভিতৰৰ পৰা ওলাই আহি পিৰালীত থিয় দিয়াৰ লগে লগেই যদি এবেলা পাৰ হৈ গ'ল, তেন্তে তেনেকুৱা বেলা হৈ থাকক। আমি পৰোৱাই নকৰো।' —তাই উচাং মাৰি ভিতৰলৈ সোমাই গ'ল।

ঘৈণীয়েক যোৱাৰ ফাললৈ ৰসেশ্বৰে কিছু সময় পোন্দোৱাকৈ চাই ৰ'ল। তাৰ পিছত সি চিঞৰ মাৰি কলে—'ঐ, বোলো শুনিছনে নাই? জাপিটো লৈ আহ।'

ল'ৰাল'ৰিকৈ মুখখন ধুই জাপিটো মূৰত লৈ ৰসেশ্বৰ হাল বাবলৈ বুলি ওলাই গ'ল?

## দুই

লানি-নিছিগা আৰু আগ-গুৰি নোহোৱা নানা চিন্তাৰ সোঁতত মনটো এবিধি ৰসেশ্বৰ হাল বাই আছে। মাজে মাজে অৱশ্যে তাৰ মনটো উজুতি খাই বৈ যায়। গাওঁখনৰ ঠিক পিছ ফালেই তাৰ মাটি দৰা। পথাৰ উদং হৈ থকা অৱস্থাত গাৱঁৰ তিৰোতাবোৰে বাৰী পাৰ হৈ আহি তাৰ মাটি দৰাতেই শৌচ্ কৰি থৈ যায়। হাল বাই থাকোতে যেতিয়াই ময়লা গছকিব লগা হয়, তেতিয়াই ৰসেশ্বৰৰ খং উঠি যায়, আৰু তিৰোতাবোৰৰ উদ্দেশ্যে সি নানা অশ্লীল গালি-শপনি পাৰিবলৈ ধৰে। এবাৰ সি তেনেকৈ বেটীৰ খং বাঢ়নীত মৰাৰ দৰে গৰু কেইটাৰ পিঠিতে মস্ত কোব কেইটামান মাৰি অশ্লীল শব্দ কেইটামান উচ্চাৰণ কৰিছে মাত্ৰ, এনেতে হঠাৎ কাৰোবাৰ মাত এষাৰ আহি তাৰ কাণত পৰিল—'কিয় ৰসেশ্বৰ, এনেকুৱা অবাইচ্ মাত মাতি কাক গালি পাৰিছ? ওচৰত দেখোন কোনো নাই।'

ৰসেশ্বৰে চঁক খোৱাৰ দৰে কৰি ঘূৰি চালে। ঘূৰি চাই সি দেখে —সনাতন শৰ্মা আহি তাৰ মাটিডৰাৰ মূৰৰ আলিটোৰ ওপৰতে থিয় হৈ আছে। ৰসেশ্বৰ অতি আচৰিত হ'ল। সনাতন শৰ্মা--সিহঁতৰ অঞ্চলৰ আটাইতকৈ ডাঙৰ মাটি-গিৰি, আটাইতকৈ ডাঙৰ ঠিকাদাৰ, আটাইতকৈ ডাঙৰ নেতা—তেনে হেন এজন মানুহে ৰাতিপুৱাই আহি গুৱে-মূতে একাকাৰ তাৰ বোকা মাটিডৰাৰ ওচৰত আহি কিয় থিয় হৈছেহি? পুবৰ বেলি পশ্চিমে ওলাব পাৰে, কিন্তু সনাতন শৰ্মাই ৰসেশ্বৰক লগ পাবলৈ আহি ৰাতিপুৱাই পথাৰৰ গেলা বোকাত

ভৰি দিব—এনে কথা কেতিয়াও সম্ভৱ হব নোৱাৰে। নিশ্চয় তেওঁৰ আন কিবা মতলৱ আছে। নাঙলটো হেচা মাৰি ধৰি গৰু-হাল ৰখাই ৰসেশ্বৰে মুহূৰ্ত্তৰ ভিতৰতে চাৰিওফালে এবাৰ চকু ফুৰাই চাই ললে। তাৰ পিছত সনাতন শৰ্মাৰ ফালে চাই সি কলে—'দেউতা, আজি দেখোন কিবা অঘটন ঘটিবৰ লক্ষণ যেন পাইছো। আপুনি ৰাতিপুৱাই এই গেলাখনত ভৰি দিবলৈ আহিল কিয় ?'

'কিবা এটা গৰজ নাথাকিলেনো আহোনে বোপাই। গৰজেহে টানি আনিছে। চাওঁ ৰসেশ্বৰ, তই এইখিনিলৈকে আহ চোন, কথা এটা কওঁ। মই আৰু বোকাখনত নানামো।'

ৰসেশ্বৰে য'ৰে হাল ত'তে এৰি থৈ যন্ত্ৰ চালিত মানুহৰ দৰে সনাতনৰ ওচৰলৈ আগবাঢ়ি গ'ল। সি অনুভৱ কৰিলে যে তাৰ বুকুখন সামান্য ধপ্-ধপাবলৈ আৰম্ভ কৰিছে। ভয়ৰ কোনো কাৰণ সি কল্পনা কৰিব পৰা নাই, কিন্তু এই কথা অস্বীকাৰ কৰি লাভ নাই যে সি মনে মনে কিবা এটা ভয় অনুভৱ কৰিবলৈ ধৰিছে। ৰসেশ্বৰ ওচৰ গৈ পালত সনাতনে মাত লগালে—'ৰসেশ্বৰ, তোক এটা কথা কবলৈ আহিলো। মই নিজে নাহি আনক পঠায়ো কোৱাব পাৰিলোহেঁতেন। কিন্তু পিছত ভাবিলো যে আনৰ মুখেদি শুনিলে তই হয়তো মোক ভুল বুজিবি। তই মোৰ একেবাৰে নিজৰ মানুহ, নিজৰ ল'ৰাৰ নিচিনা, তই মোক ভুল বুজাটো মই নিবিচাৰো।'

এইখিনিলৈকে কৈ সনাতন এক মুহূৰ্ত্তমান সময় থমকি ৰ'ল। ইফালে ৰসেশ্বৰ ভীষণ অধৈৰ্য্য হৈ উঠিছে। তাৰ চিঞৰ মাৰি কবলৈ মন গৈছিল—'এহালিছা পাতনি এৰকচোন, কি কথা কবলৈ আহিছে ল'ৰাল'ৰিকৈ কৈ পেলাওক।' কিন্তু সনাতনৰ মুখৰ আগত তেনেকৈ কথা কবলৈ সি সাত জন্মতো সাহ গোটাব নোৱাৰিব। গাৰ জোৰেৰে মনৰ অস্থিৰতা দমন কৰি সি সনাতনৰ মুখৰ পৰা আচল কথাষাৰ সৰি পৰিবলৈ ধৈৰ্য্য ধৰি বাট চাই ৰ'ল।

সনাতনে জেপৰ পৰা গোল্ড্ ফ্লেক্ চিগাৰেটৰ পেকেট এটা উলিয়াই চিগাৰেট এটা জ্বলাই ললে, তাৰ পিছত ৰসেশ্বৰলৈ এটা আগ বঢ়াই দি কলে—'হেঁা, ৰৰষুণত তিতি-বুৰি আছ, চিগাৰেট এটা খা।'

ৰসেশ্বৰে চিগাৰেটটো হাত পাতি লৈ কলে—'এইবোৰ দেব-ভোগ্যবস্তু খাবলৈ আমি জানো লায়ক দেউতা। দিছে বাৰু দিয়ক, আপোনালোকৰ জহতে এহোপা মাৰি চাওঁ।'

সনাতনে কলে—'ৰসেশ্বৰ কথা এটা হ'ল শুন। তইতো জানই তোৰ এই মাটি দৰা আচলতে মোৰহে। ইমান দিনে তোক মৰমতে খাবলৈ দিছিলো, তোৰ অৱস্থা দেখি মই একো কোৱা নাছিলো। পিচে মাটি দৰা এতিয়া মোক লগা হৈছে। মোৰ কাজ-কাৰবাৰ আগতকৈ পৰি আহিছে। আমি লোকৰ ঘৰত টিলিঙা কোবাই পিঠাগুৰি খাই জীয়াই থকা বামুন মানুহ, লাগ বুলিলেই তৎক্ষণাৎ একো এটা নতুন কাৰবাৰত ধৰিব নোৱাৰো। এতিয়া মাটি কেইদৰাকে থান-থিত লগাই আধি-সন্ধি দি ভাত মুঠি যোগাৰ নকৰিলে বুঢ়া বয়সত খাম কি? গতিকে তোক কবলৈ আহিলো— তই আৰু মাটিদৰাত হাল নাবাবি। মাটিদৰা এই বছৰৰ পৰা মোক লাগিব।'

সনাতনৰ কথা শুনি ৰসেশ্বৰ কিছু সময় বজ্ৰাহত হোৱা মানুহৰ দৰে থৰ লাগি ৰ'ল। সি প্ৰথমে নিজৰ কাণকেই বিশ্বাস কৰিব নোৱাৰিলে। অতিশয় বিচলিত হৈ চিগাৰেটটোত আৰু এটা হোপা মাৰিবলৈ গৈ সি দেখিলে যে তাৰ হাতখন বৰকৈ কঁপিবলৈ ধৰিছে, ওঠত চিগাৰেটটো লগাবই নোৱাৰি। কোনোবা এপাকত চিগাৰেটটো তাৰ হাতৰ পৰা পৰি গ'ল। সি শুকাই যোৱা ওঠখন জিভাখনেৰে চেলেকি তিয়াই লৈ কোনোমতে মাতষাৰ উলিয়াই কলে—'দেউতা, আপুনি এইবোৰ কি কথা কৈছে? গাত গামোছা লবৰ দিন ধৰি মই নাঙলৰ মুঠিত ধৰিছো। সেই

দিনাখনৰ পৰা মই মাটিদৰাতে খেতি কৰি কোনোমতে জীৱনটো ধাৰণ কৰি আছো। এতিয়া আকৌ হঠাৎ এই মাটিদৰা আপোনাৰ কেনেকৈ হ'ল ?'

'তোৰ গাত একো দোষ নাই ৰসেশ্বৰ'—সনাতন মাতত সহানুভূতি ঢালি দি কলে—'তই তেতিয়া নিচেই স'ৰু আছিলি, সেইবোৰ কথা তোৰ মনত থাকিবৰ কথা নহয়। অৱশ্যে গাঁৱৰ বয়সীয়া মানুহ সকলোৱেই এইবোৰ কথা জানে। তেওঁলোকক সুধিলেই তই সঁচা-মিছা প্ৰমান পাবি। আদিতে এই মাটি ডোখৰ তহঁতৰেই আছিল। কিন্তু ১৯৩৭ চনত তোৰ পিতাৰে এই মাটিডোখৰ মোক বন্ধকীত দিয়ে। এই কথা তই জান ?'

'বন্ধকীত দিয়া কথাটো সঁচা'—আলোচনাৰ সূত্ৰ এটা পাই ৰসেশ্বৰৰ মৰা দেহলৈ যেন প্ৰাণ আহিল—'কিন্তু তাৰ কেই বছৰমানৰ পিছতে--পিতা ঢুকাবৰ ঠিক আগৰ বছৰ—আপোনাক সকলো টকা-শিকা আদায় কৰি দি মাটি ডোখৰ মুকলি কৰা হৈছিল। এই কথা মই নিজেই ভালকৈ জানো। আপুনি কথাটো ভালকৈ মনত পেলাই চাওক দেউতা, এই নিচলাক অনাহকতে হাবা-শাস্তি কৰি নামাৰিব। আপোনাৰ কথা শুনি মই ব্ৰহ্ম তালুত ফেটীসাপে খোঁট মৰা যেন পাইছো দেউতা।'

'শুন ৰসেশ্বৰ'—সনাতনে শান্ত ভাবে কলে—'মই বামুন মানুহটো হৈ এই বুঢ়া বয়সত মিছা কথা কৈ পাপৰ ভাগী হবলৈ কিয় যাম ? বিনা প্ৰমাণে মই একো কথা নকওঁ। তহঁতে যে মোক মাটি ডোখৰ বন্ধকত দি টকা নিছিলি তাৰ প্ৰমাণ স্বৰূপে সকলো কাগজ-পত্ৰ মোৰ হাতত আছে। যি কেইটা মানুহে সাক্ষী হৈ চহী কৰিছিল সেই মানুহ কেইটাও এতিয়াও জীয়াই আছে। কিন্তু তহঁতে যে টকা পৰিশোধ কৰি মাটি ডোখৰ বন্ধকীৰ পৰা মুকলি কৰিছিলি তাৰ প্ৰমাণ হিচাবে কিবা কাগজ-পত্ৰ দেখুৱাব পাৰিবিনে ?' নোৱাৰ। কাৰণ তহঁতে টকাও পৰিশোধ কৰা নাই, মাটিও মুকলি কৰা নাই।'

সনাতনৰ আচল উদ্দেশ্যটো ৰসেশ্বৰে এইবাৰহে বুজি উঠিল। সি প্ৰায় আৰ্ত্তনাদ কৰি উঠিল—"এনে অধৰমৰ কথা মুখত নানিব দেউতা, আমা-ডিমা ল'ৰা-ছোৱালীৰে সৈতে এপৰিয়াল মানুহৰ বধৰ ভাগী নহব। কাগজ-পত্ৰ নাথাকিল বুলিয়েই আপুনি দিনটোকো ৰাতি বুলি কব নেকি? আমাৰ গাঁৱলীয়া মানুহেনো কেতিয়া কথাই কথাই কাগজ পত্ৰ কৰা দেখিছে? আমাৰ মানুহৰ মুখৰ কথাই শিলৰ ৰেখা বোপা-ককাৰ দিনৰ পৰা এই এপুৰা মাটিয়েই আমাৰ একমাত্ৰ সম্বল; এতিয়া আইনৰ মেৰ-পেচ্ লগাই ওকালতীৰ কথা কৈ মাটিখিনি মোৰ পৰা কাঢ়ি নি মোক জীয়াই জীয়াই কোবাই নামাৰিব দেউতা, মই আপোনাৰ ভৰিত ধৰিছো। এই মাটি দৰা মোৰ, আৰু ই সদায় মোৰেই হৈ থাকিব।"

শৃ'ল-ঠেকত পৰা জন্তুৱে যেনেকৈ শেষবাৰলৈ মৰণ-পণ গৰ্জন কৰি উঠে, তেনেকৈ ৰসেশ্বৰৰ শেষৰ কথা কেইষাৰতো এটা অপ্ৰত্যাশিত কঠিনতা ফুটি উঠিল।

সনাতন শৰ্মাই আৰু এটা চিগাৰেট জ্বলালে। ইমান সোনকালে ধৈৰ্য্য হেৰুওৱা মানুহ তেওঁ নহয়। তেওঁ অবিচলিত হৈ কলে "তই যে কলি—এই মাটি তোৰ, আৰু চিৰকাল তোৰেই হৈ থাকিব, তোৰ পট্টা-পৰোৱানা আছে জানো?"

'কিয় নাথাকিব? আজি কুৰি-পচিশ বছৰে মই নিজ হাতেৰেই মাটিৰ খাজনা দি আহিছো'—বিজয়-গৰ্বেৰে ৰসেশ্বৰে ঘোষণা কৰিলে।

"খাজানা দিলেই মাটি তোৰ হৈ নপৰে গাধা'—সনাতনৰ মাতত এইবাৰ ভীষণ বিদ্ৰূপৰ সুৰ ফুটি উঠিল—'মই ভালে ভালেই তোৰ লগত কথাটোৰ নিস্পত্তি কৰিম বুলি ভাবিছিলো; পিছে তই বুজিব নুখুজিলে মই কি কৰিম? শুন ৰসেশ্বৰ, এইবাৰ চেটল্‌মেণ্টত এই মাটি মোৰ নামত পট্টা হৈছে। বিশ্বাস নকৰ যদি চব্‌ডেপুটিৰ অফিচত গৈ চাই আহিবি। তই এতিয়া হাল-কোৰ চপাই ঘৰলৈ যা।

পুনৰ আৰু এই মাটিত ভৰি নিদিবি। তই মোৰ আপোন মানুহ, মই তোৰ লগত মেল-মোকৰ্দমা কৰিব নোখোজো, তোৰ বিৰুদ্ধে পুলিচ লগাবও নোখোজো। তই শক্তি-সামৰ্থ্য থকা কামিলা মানুহ, কিবা এটা কৰি নিশ্চয় খাব পাৰিবি। মই বুঢ়া বামুণে মাটিকেইডোখৰকে আপদাল্ কৰি নাখালে কি কৰি খাম? যাওঁ বাৰু দেই, তই বেয়া-চেয়া নাপাবি।'

ৰসেশ্বৰৰ মুখৰ ফালে নোচোৱাকৈয়ে কথাকেইষাৰ কৈ সনাতন শৰ্মাই নিজৰ বাটত খোজ ললে।

ৰসেশ্বৰ ঠাইতে বহি পৰিল। বোকা-পানীৰ খবৰ কৰিবলৈ তাৰ গাত চেতনা নাছিল। তাৰ মূৰটো হঠাতে আচল্লাই ধৰাৰ দৰে কৰি কিছু সময় সি একো চিন্তা কৰিবই নোৱাৰিলে। কিছু সময়ৰ মূৰত সি অলপ প্ৰকৃতিস্থ হ'ল, থৰক-বৰক্ খোজেৰে সি গ'ৰু হালৰ ফালে আগবাঢ়ি গ'ল, আৰু নাঙলৰ পৰা গ'ৰু হাল খুলি দি সি ঘৰৰ ফালে খোজ ললে।

ঘৰৰ পছুলি-মূৰত থিয় হৈয়েই ৰসেশ্বৰে দেখিলে—আলিৰ সিপাৰৰ কঠিয়ানী দৰাত গ'ৰু এটা সোমাই কঠিয়া খাই আছে। খেতিৰ মাটিয়েই যদি নাই তেতিয়ানো কঠিয়া থাকি কি হব, সেই চিন্তা তাৰ মনলৈ নাহিল। জ্বলা জুইত ঘিঁউ পৰাৰ দৰে তাৰ মূৰটো দাউ দাউকৈ জ্বলি উঠিল। এছাৰি ডালত হাতৰ মুঠিটো টানকৈ মাৰি সি খুব জোৰে ঘৰৰ ফালে খোজ ললে।

বাহিৰ-ঘৰ, মাৰল-ঘৰ, পাক-ঘৰ—আটাই কেইটা ঘৰতে সি ঘৈণীয়েকক পিটিপিটকৈ চালে, কিন্তু ক'তো মানুহজনী নাই। সি ঘৰৰ পিছ-বাৰীৰ ফালে চোচা মাৰি গ'ল। ঘৈণীয়েকে সেই মাত্ৰ বাহিৰ ফুৰি আহি গা ধুবলৈ আৰম্ভ কৰিছিল মাত্ৰ, ৰসেশ্বৰে তাইক দেখিয়েই বিজুলী-বেগেৰে খেদা মাৰি গৈ গ'ৰু কোবোৱাৰ দৰে মানুহ জনীক কোবাবলৈ ধৰিলে। এনে অতৰ্কিত আক্ৰমণৰ কাৰণে ৰসেশ্বৰৰ ঘৈণীয়েক প্ৰস্তুত নাছিল। পিঠিত হালোৱা এছাৰিৰ পূৰ্ণ

হতীয়া কোৰটো পৰাৰ লগে লগেই তাই জাঁপ মাৰি উঠি হাঁয়ে বিয়ৈকৈ চিঞৰি উঠিল। কিন্তু তাইৰ চিঞৰ-বাখৰলৈ ভ্ৰূক্ষেপ নকৰি ৰসেশ্বৰে চকু-কাণ মুদি তাইক কোবাই যাবলৈ ধৰিলে। তাই বাওঁহাতেৰে বুকুত মেখেলা খন ধৰি থাকি সোঁহাতেৰে বাতি এটাৰে গাত পানী ঢালিব খুজিছিল, কিন্তু গিৰিয়েকৰ মাৰবোৰ বাধা দিবলৈ গৈ তাই দিক্-বিদিক্ জ্ঞান-শূন্য হৈ বাওঁ হাতৰ মেখেলাৰ খামোচটো এৰি দিলে। চকুৰ পলকতে মানুহজনী সম্পূৰ্ণ উলংগ হৈ পৰিল। ৰসেশ্বৰৰ কিন্তু সেইফালে দৃষ্টি নাই। মুখেৰে টু শব্দ এটা নকৰাকৈ সি কেৱল গাৰ জোৰেৰে তাইক কোবাই গৈছে। সম্পূৰ্ণ উদং তিতা গাটোত এছাৰিৰ প্ৰচণ্ড কোব পৰি ঠায়ে ঠায়ে বখলা-বখলে ছাল আৰু মাংস এৰাই আহল। গাৰ মেখেলাখন খহি পৰাৰ মুহূৰ্ত্তত এক নিমিষৰ কাৰণে তাই প্ৰহাৰৰ যন্ত্ৰণা পাহৰি গ'ল, ল'ৰাল'ৰিকৈ মেখেলাখন বুকুৰ ওপৰলৈকে টান মাৰি লৈ তাই ঘৰৰ ফালে দৌৰ মাৰি গ'ল; ৰসেশ্বৰেও পিছে পিছে খেদি খেদি গ'ল। এইবাৰ ঘৈণীয়েকৰ মনত ভীষণ ভয় সোমাল। আগে-পিছেও তাই গিৰিয়েকৰ পৰা মাৰ খাইছে কিন্তু এনেকুৱা গৰু-পিটন তাই কেতিয়াও খোৱা নাই। ইমানখিনি মৰাৰ পিছত ঘৰৰ ভিতৰতো যদি সি গৈ আকৌ তাইক মাৰিবলৈ লয়, তেন্তে আজি তাইৰ ফালে আধ্যা পৰিব। গাৰ সমস্ত শক্তিৰে তাই চীৎকাৰ কৰি উঠিল— 'এই তেজ-খোৱা ৰাক্ষসটোৱে আজি মোক মাৰি শেষ কৰিলে ঐ, কোন ক'ত আছ ৰক্ষা কৰ।' এইদৰে চিঞৰ মাৰি তাই নিজৰ ঘৰত নোসোমাই তৎক্ষণাৎ কাষৰে ডম্বৰুহঁতৰ ঘৰৰ ফালে দৌৰ মাৰিলে। বৰষুণত সিহঁতৰ চোতালখন পিছল হৈ আছিল, দৌৰি যাওঁতে ৰসেশ্বৰৰ ঘৈণীয়েক তাতে পিছল খাই পৰি গ'ল। লগে লগে তাই আৰু এটা চীৎকাৰ কৰি উঠিল। তাইৰ চিঞৰ-বাখৰ শুনি ডম্বৰুহঁতৰ ঘৰকে ধৰি ওচৰৰ দুই তিনিটা ঘৰৰ মানুহ আহি চোতালত জুম বান্ধিলেহি আৰু মানুহজনীৰ অৱস্থা

দেখি সকলোৱে হায়ে-বিয়ে কৰিবলৈ ধৰিলে। তেনে সময়তে ৰসেশ্বৰো তাত আহি ওলালহি, আৰু তিৰোতা আৰু ল'ৰা-ছোৱালী-বোৰৰ জুম ফালি আকৌ ঘৈণীয়েকক কোবাবলৈ ধৰিলে। পিছে এইবাৰ সি বেচি কোব দিবলৈ নাপালে। মাইকী মানুহবোৰে ৰসেশ্বৰৰ ঘৈণীয়েকক আৱৰি ধৰিলে, আৰু দুজনী মানে তাৰ হাতৰ পৰা জোৰকৈ এছাৰিডাল টান মাৰি আনি তাক ঠেলি ঠেলি নিজৰ ঘৰৰ ফালে পঠাই দিলে।

অ'ত-ত'ত সোমাই থকা ৰসেশ্বৰৰ ল'ৰা-ছোৱালীকেইটাই মাকৰ গগন-ফলা কান্দোন শুনি উধাতু খাই ডম্বৰুহঁতৰ চোতাল পালেহি আৰু মাকৰ অৱস্থা দেখি আটাই কেইটাই একেলগে হুৰাও-ৰাৱে কান্দিবলৈ ধৰিলে। তাত জুম বন্ধা তিৰোতাবোৰেও মৰা কাউৰী দেখিলে শ শ কাউৰীয়ে ইফালে-সিফালে ইচাৎ-বিচাৎ কৰি একেলগে ৰমলিয়াবলৈ আৰম্ভ কৰাৰ দৰে ৰসেশ্বৰৰ ঘৈণীয়েকক ঘেৰি ধৰি কল্‌কলাবলৈ ধৰিলে। কোনোবাজনীয়ে ৰসেশ্বৰকে গালি পাৰিবলৈ ধৰিলে, কোনোবাজনীয়ে নাৰী-জন্মকে ধিক্কাৰ দিবলৈ ধৰিলে। কোনোবাজনীয়ে বা সমগ্ৰ পুৰুষ জাতিটোকে অভিশম্পাৎ দিবলৈ ধৰিলে। এনেবোৰ কল্‌কলনিৰ মাজতে বুঢ়ী তিৰোতা এগৰাকীয়ে চিঞৰ মাৰি উঠিল—'হেৰ তহঁতে যে কেৱল মুখ বজোৱাতহে লাগিছ, ইফালে মানুহজনীৰ কি অৱস্থা হৈছে মন কৰিছনে নাই? ভিতৰলৈ ডাঙি নি সেক-পোতক নিদিলে মানুহজনী আজি মৰিব যেনেই পাওঁ।'

তেতিয়াহে তিৰোতাবোৰৰ গালৈ হুছ্‌ আহিল। দুজনীমানে ধৰাধৰিকৈ ৰসেশ্বৰৰ ঘৈণীয়েকক ডম্বৰুহঁতৰ ঘৰৰ ভিতৰলৈ ডাঙি লৈ গ'ল।

## তিনি

সেইদিনা দুপৰীয়া ৰসেশ্বৰহঁতৰ চকুৰ তললৈ জুই নগ'ল। ল'ৰা-ছোৱালী কেইটাক ওচৰ-চুবুৰীয়া মানুহ কেইঘৰে ঘৰে ঘৰে ভাগ কৰি নি ভাত খুৱালে। ৰসেশ্বৰৰ ঘৈণীয়েক ডম্বৰুহঁতৰ ঘৰতে শুই থাকিল। ৰসেশ্বৰে গা-পা ধোৱাৰ চিন্তা বাদ দি পথাৰৰ পৰা বোকাৰে লুতুৰি-পুতুৰি হৈ অহাৰ অৱস্থাৰেই পিৰালীতে গছৰ মুঢ়াৰ এটাৰ দৰে জুপুকা মাৰি বহি ৰ'ল।

দিনৰ দহমান বজাৰ পৰা আবেলি পৰলৈকে ৰসেশ্বৰ একে ঠাইতে বহি ৰ'ল। তেনেতে তাৰ ঘৈণীয়েক ডম্বৰুহঁতৰ ঘৰৰ পৰা ওলাই আহি তাৰ আগে দিয়ে ঘৰৰ ভিতৰলৈ সোমাই গ'ল, আৰু গৈয়েই বিছনাৰ আশ্ৰয় ললে। অলপ পিছতে ডম্বৰুৰ ঘৈণীয়েকেও ৰসেশ্বৰহঁতৰ চোতাললৈ আহি তাক উদ্দেশ্য কৰি কলে—'মানুহজনীৰ তীৰ কঁপে জ্বৰ উঠিছে। আজি তুমি তাইক যি মাৰণ দিছা—মানুহে গৰু-পশুকো তেনেকৈ নামাৰে। ডাক্তৰ-কবিৰাজ এজন মাতি আনি কিবা এটা দেৱাই-জাতি দিয়াৰ দিহা কৰা। নহলে কিন্তু তাই নাবাচিব, তুমিও ফাঁচী-কাঠত ওলমিব লাগিব।'

ৰসেশ্বৰে মুখেৰে একো নামাতি আৰু কিছু সময় নিশ্চল হৈ বহি থাকিল। তাৰ পিছত সি কিবা এটা সিদ্ধান্তলৈ অহাৰ দৰে মুখৰ ভাব কৰি বহাৰ পৰা উঠি থিয় হ'ল আৰু ঘৰৰ বাহিৰৰ পিৰালীয়েদি পিছ ফালৰ নাদৰ পাৰলৈ গৈ ভালকৈ মুখ-হাত ধুলে। ভিতৰলৈ আহি সি বেলেগ কাপোৰ এজোৰ পিন্ধিলে।

তাৰ পিছত সি শোৱা কোঠালৈ সোমাই গ'ল। আবেলি পৰতে কোঠাটো ৰাতিৰ দৰে আন্ধাৰ। বেকা চকুৰে সি ঘৈণীয়েকৰ ফালে চালে। তাই বৰ কাপোৰ এখন গাত লৈ আঁঠু দুটা বুকুতে লগাই কুচিমুচি শুই আছে। মুখত কেকনি-গেঠনি একোটোতো নায়েই, উশাহ-নিশাহৰো কোনো শব্দ নাই। তাই যেন সমস্ত সংসাৰৰ প্ৰতি বিৰাট অভিমানত নিজৰ অস্তিত্ব সম্পূৰ্ণ গোপন আৰু নিশ্চিহ্ন কৰিবলৈ চেষ্টা কৰিছে। তাইৰ ফালে চাই চাই সি এক মুহূৰ্তমান সময় থিয় হৈ ৰ'ল। তাইৰ প্ৰতি অপৰিসীম সহানুভূতি আৰু মৰমত তাৰ মনটো সম্পূৰ্ণৰূপে গলি গ'ল, তাইৰ গাত হাত ফুৰাই মৰম কৰিবলৈ তাৰ মন গ'ল। কিন্তু লাজতে সি সেইবোৰ একো কৰিব নোৱাৰিলে। বিছনাখনৰ মূৰৰ শিতানৰ ফালে থকা পেটাৰিটো খুলি সি ঘৈণীয়েকে নতুনকৈ বৈ থোৱা এখন এড়ি চাদৰ উলিয়ালে আৰু হাতত সাৰে ভৰিত সাৰে বাহিৰলৈ ওলাই আহিল। বাহিৰৰ পিৰালীত থিয় হৈ সি করুণ দৃষ্টিৰে কিছু সময় কাপোৰখনলৈ চাই ৰ'ল। ৰসেশ্বৰৰ ঘৈণীয়েকে সেই কাপোৰখন বেচি ছাগলী এজনী কিনিম বুলি বহুত দিনৰ পৰাই আশা কৰি আছিল। ৰসেশ্বৰে হঠাৎ তাৰ চকু দুটা সেমেকি উঠা যেন অনুভৱ কৰিলে। গামোচাখনেৰে সি ল'ৰাল'ৰিকৈ মুখখন মচি এৰিয়া কাপোৰখন বান্ধি ললে। তাৰ পিছত সি ডিম্বেশ্বৰ মণ্ডলৰ ঘৰলৈ বুলি খোজ ললে।

ৰসেশ্বৰৰ ঘৰৰ পৰা ডিম্বেশ্বৰ মণ্ডলৰ ঘৰলৈ প্ৰায় তিনি মাইল বাট। সি মণ্ডলৰ ঘৰ গৈ পাই মানে সাঁজ লাগি ভাগিবৰ হ'ল। মণ্ডলে গোঁসাই-ঘৰত সোমাই গ'ধূলিৰ নাম-প্ৰসংগ কৰি আছিল। ওলাই আহি পিৰালীতে ৰসেশ্বৰক বহি থকা দেখি খুব আচৰিত হোৱা যেন দেখুৱাই তেওঁ সুধিলে—"কিহে চুতীয়া দেখোন। কোনোদিনে নহা মানুহ আজিনো কি মন কৰি আহিলা?"

ৰসেশ্বৰে মণ্ডলৰ ভৰি দুই যেন সেৱাহে কৰিব এনে ভাবে হাউলি প্ৰণাম কৰি কলে—'ককাইদেউ, মোৰ সৰ্বনাশ হৈছে।

আপুনি ৰক্ষা নকৰিলে মই ল'ৰা-তিৰোতা গোটেই সোপাকে কাটি ব্ৰহ্মপুত্ৰত উটাই দি নিজেও আপোন-ঘাতী হম। বৰ অথন্তৰত পৰি আপোনাৰ ওচৰলৈ ধপলিয়াই আহিছোঁ।'

মণ্ডলে বহি লৈ কলে—'এই সাঁজ লগা পৰত কি অমংগলীয়া কথাবোৰ তুমি মুখলৈ আনিছা। নাপায় নহয় এনেকুৱা কথা কব। কোৱা, কোৱা, তোমাৰ কি হৈছে কোৱা। মই কিবা কৰিব পাৰিলে নিশ্চয় কৰিম।'

মণ্ডলৰ কোমল মাত শুনি ৰসেশ্বৰে মৰা দেহলৈ প্ৰাণ ঘূৰি অহা যেন অনুভৱ কৰিলে। গামোছাখনেৰে মুখখন এনেয়ে ফুবাৰ মান মচি লৈ সি দীঘলকৈ দুটামান উশাহ ললে। তাৰ পিছত সি কবলৈ আৰম্ভ কৰিলে—'ককাইদেউ, আপোনাকনো মই কি কম, কবলৈ মোৰ মুখৰ মাতেই নোলায়। মোৰ সৰ্বনাশ হৈছে ককাইদেউ, মোৰ মূৰত স্বৰগ ভাগি পৰিছে। এতিয়া আপুনি মোক ৰক্ষা নকৰিলে ৰক্ষা কৰোতা কোনো নাই। আপুনি জানেই ককাইদেউ, সাতোলাৰ বাৰীৰ চুকৰ সেই ৰূপিত মাটি পুৰা, সংসাৰত মাটি বুলিবলৈ মোৰ সেইফেৰিয়েই। সেই মাটি পুৰাৰ ওপৰতে সাতোটা ল'ৰা-ছোৱালীৰে সৈতে মোৰ গোটেই পৰিয়ালটোৰ জীৱন নিৰ্ভৰ কৰিছে। মোৰ বোপা-ককাৰ দিনৰে সেই মাটি, মই নিজে ঘটি লোৱা মাটি নহয়। যোৱা দুমাহে যিহে খবাং বতৰ গ'ল, এইবাৰ আৰু মাটিত লাঙল লগাবলৈ পাম বুলি আশা কৰা নাছিলো। অৱশেষত জানিবা ঈশ্বৰে চকু মেলি চালে, যোৱা ৰাতি বৰষুণ এজাকি আহিল। ৰাতিপুৱা হালখন লৈ পথাৰলৈ ওলাই গ'লো। দুটামান আঁউচ বাই শেষ কৰিছো মাত্ৰ, এনেতে দেখোন সনাতন ঠিকাদাৰ গৈ মোৰ পথাৰতে ওলালগৈ। তেওঁ গৈ মোক কি কলে জানে ককাইদেউ! পূবৰ বেলিটো পশ্চিমে ওলাল বুলি কলেও আপুনি বিশ্বাস কৰিব, কিন্তু সনাতন ঠিকাদাৰে মোক যিযাৰ কথা কৈ শুনালে আপুনি বিশ্বাস নকৰিব। তেওঁ মোক

কলে বোলে মই মোৰ মাটিত হাল বোৱা বন্ধ কৰিব লাগে, কাৰণ সেই দৰা মাটি হেনো তেওঁৰহে, মোৰ নহয়। কোনোবাই যদি কথা নাই বাৰ্ত্তা নাই মোৰ ঘৰলৈ আহি কয় বোলে—'হেৰ ৰসেশ্বৰ, তই যিজনী মাইকীকলৈ আজি কুৰি বছৰে ঘৰ কৰিছ, ল'ৰা-ছোৱালীৰ জন্ম দিছ, সেইজনী মাইকী আচলতে তোৰ নহয়, মোৰহে, তেতিয়া মোৰ মনত কেনেকুৱা লাগিব আপুনিয়েই কওকচোন ককাইদেউ। সনাতনৰ কথা শুনি মোৰ ঠিক তেনেকুৱাই লাগিল। ককাইদেউ, তেওঁ এতিয়া দাবী কৰিছে যে মাটিদৰাত হেনো তেওঁৰ নামত পট্টাও লাগিছে। আপুনি সাক্ষাৎ থাকোতেনো এনে এটা তলৰ মাটি ওপৰ হোৱা কথা হব পাৰেনে? মই আপোনাৰ ভৰিত ধৰিছো ককাইদেউ, আপুনি মোৰ পট্টাখন চাই দিয়ক, মোৰ প্ৰাণটো ৰক্ষা কৰক। আজি দিনৰ দিনটো মই পানী এটোপা মুখত দিয়া নাই। উৰহৰ খং ভগা চৰাত মৰাৰ দৰে. সনাতনৰ খঙতে মাইকীজনীকো গৰু কোবোৱাৰ দৰে কোবাই আধা মৰা কৰি থৈ আহিছো⋯ ⋯"

ৰসেশ্বৰে আৰু একো কথা কব নোৱাৰিলে, সৰু ল'ৰাৰ দৰে সি হুক্ হুক্কৈ কান্দি উঠিল।

মণ্ডল কিছু সময় নীৰব হৈ ৰ'ল। আজি মাত্ৰ আবেলি পৰত সনাতন শৰ্মা আহি তেওঁক টকা এশটা আৰু চেনি পাঁচ কিলো ভেটি দি থৈ গৈছে। সনাতনক সকলো প্ৰকাৰে সহায় কৰিম বুলি তেওঁ কথা দিছে। দুৰ্যোধন আৰু অৰ্জুন দুয়ো আহি শ্ৰীকৃষ্ণৰ সহায় বিচাৰিছিল। কিন্তু যিহেতু শ্ৰীকৃষ্ণই প্ৰথমে অৰ্জুনৰে মুখ দেখিলে সেই কাৰণে অৰ্জুনকে তেওঁ প্ৰথম বাক্য দিলে। কিন্তু দুৰ্যোধনকো জানো তেওঁ শুদা হাতেৰে ঘুৰাই পঠাব পাৰিলে? দুৰ্যোধনকো তেওঁ অক্ষৌহিনী সেনা দিব লগা হ'ল। কিছু সময়ৰ মূৰত নীৰবতা ভংগ কৰি মণ্ডলে ভিতৰৰ ফালে চাই মাত লগালে —'হেৰৌ কোন ক'ত আছ তামোলৰ বটাটো দি যাছোন, আজি নহা মানুহ আমাৰ ঘৰলৈ আহিছে।' তাৰ পিছত ৰসেশ্বৰৰ

ফালে চাই তেওঁ মাতত মৌ ঢালি কলে—'চুতীয়া, তুমি মৰা সাপকো নেদোৱা। ঠাণ্ডা মানুহ তোমাৰ এনেকুৱা বিপদ হোৱা বুলি শুনিলে বৰ দুঃখ লাগে। পিছে কি কৰিবা, আজিকালি সংসাৰত ন্যায়-ধৰ্ম বুলি কোনো কথাই নোহোৱা হৈছে, চাৰিওফালে কেৱল 'জোৰ যাৰ মুলুক তাৰ' নীতি। আমি হলোঁ সামান্য চৰকাৰী চাকৰিয়াল, নিয়মৰ দাস। নিয়মে যি কয় আমি তাকেহে কৰিব পাৰো। আজি সনাতন ঠিকাদাৰো মোৰে ওচৰলৈ আহিছিল। মাটিদৰাৰ পট্টাখন মোক চাই দিবলৈ কলে। মই কলো, পট্টা কিয় চাব লাগে, সেই দৰা মাটি অকহিপুৰুষৰ পৰা ৰসেশ্বৰৰ মাটি, এই কথা জগতে জানে। কিন্তু তেওঁ নেৰে। বৰকৈ ধৰাত চিঠা বহীখন চাই দেখো, হে হৰি, তোমাৰ বোপা-ককাৰ দিনৰ মাটিদৰাত সচাকৈয়ে দেখোন এইবাৰৰ চেটেল্‌মেণ্টত সনাতন শৰ্মাৰ নাম উঠিছে। কোনোবা এবৈছা বোলে মাটি ডোখৰ তোমাৰ পিতাৰে তেওঁৰ ওচৰত বন্ধকত থৈছিল ; হয় বন্ধক মুকলোৱা নাই, নহলেবা কাগজ-পত্ৰ ঠিক কৰি ৰখা নাই। কিন্তু নিয়ম নিয়মেই ; সাতোলাৰ বাৰীৰ চুকত বিয়াল্লিশ নম্বৰ ম্যাদী পট্টাৰ উনপঞ্চাশ নম্বৰ দাগৰ মাটি ডোখৰ শ্ৰীসনাতন শৰ্মাৰ পিতা ৺দিগম্বৰ শৰ্মাৰ নামত পট্টাত উঠিছে। এতিয়া তুমি যি কৰা কৰা।'

ৰসেশ্বৰে ইতিমধ্যে কান্দোনটো সম্বৰণ কৰিছিল ; এতিয়া মণ্ডলৰ কথা শুনি সি লাজ কাজ পৰিহাৰ কৰি পুনৰ হাঐ-বি ঐ কৰি কান্দি উঠিল। কান্দি কান্দি সি এইবাৰ সঁচাসচিকৈ মণ্ডলৰ ভৰিত ধৰি কলে—"ককাইদেউ, ককাইদেউ, মই আপোনাক গোঁসাইৰ শপত দিছো, সাতোটা ল'ৰা-ছোৱালীৰ বধৰ ভাগী নহব। মনত পৰিবৰ দিনৰ পৰা আপুনিয়েই এই লাটৰ মণ্ডল ; আপুনি ভালকৈয়ে জানে মোৰ মাইকীজনী যেনেকৈ মোৰ, সেই মাটি ডোখৰো মোৰ ; সনাতন ঠিকাদাৰে কোনোদিন মাটিত ভৰি দি পোৱা নাই, খাজনা দি পোৱা নাই, মাটি দৰাৰ চাৰিসীমা কি সেই কথা সুধিলেও

তেওঁ বোধহয় কব নোৱাৰিব। তেনেস্থলত আপুনি থাকোতে চেটেল্‌মেণ্টত তেওঁৰ নামটো পট্টাত উঠিলে কেনেকৈ ?'

মণ্ডলে এইবাৰ অলপ বিৰক্ত হোৱা যেন দেখুৱাই কলে— 'তোমাক দেখোন কলোৱেই চুতীয়া, আমি যি কৰো সকলো চৰকাৰী নিয়মমতেহে কৰো। আমি দেখাত আৰু জনাততো মাটি ডোখৰ তোমাৰেই, কিন্তু সনাতনে তাৰ ভিতৰতে এটা পইণ্ট উলিয়াইছে নহয়। তোমাৰ পিতাৰে যে মাটি ডোখৰ তেওঁৰ ওচৰত বন্ধকত দিছিল সেই বন্ধক মুকলি কৰাৰ কোনো প্ৰমাণ নাই। গতিকে খৰিদ্ সূত্ৰে এইবাৰৰ চেটেল্‌মেণ্টত তেওঁৰ নাম পট্টাত উঠি গ'ল। ইয়াৰ ভিতৰত তুমি মোৰ দোষটো ক'ত দেখিলা ?'

ৰসেশ্বৰে গামোছাৰ বান্ধটো খুলি এড়ি চাদৰখন উলিয়ালে। তাৰ পিছত কাপোৰখন মণ্ডলৰ ভৰিৰ ওচৰতে থৈ হাত জোৰ কৰি নমস্কাৰ এটা কৰি সি কলে— 'ককাইদেউ, যি হৈ গ'ল হ'ল, মোৰেই ললাটৰ লিখন। পিছে এতিয়া আপুনিয়ে কিবা এটা উপায় উলিয়াই এই নিচলাক উদ্ধাৰ কৰক। আপুনি বুদ্ধিত বৃহস্পতি বুলি গোটেই মৌজাখনে জানে। আপুনিয়ে মোক কিবা এটা বুদ্ধি নিদিলে আনে কোনে দিব ? কওক—এতিয়া মই কি কৰিব লাগে ?'

ডিম্বেশ্বৰ মণ্ডলে কেৰাহিকৈ কাপোৰখনৰ ফালে এবাৰ চায়েই পিছ মুহূৰ্ত্ততে মুখত এটা নিৰ্বিকাৰ ভাব আনিবলৈ চেষ্টা কৰিলে। পেটাৰিৰ পৰা পোনেই উলিয়াই অনা নতুন কাপোৰৰ খম্‌খমিয়া গোন্ধটো তেওঁৰ নাকত লাগিলহি। চকু দুটা মুদি তেওঁ কিছু সময় গোন্ধটো উপভোগ কৰিবলৈ ধৰিলে। ৰসেশ্বৰে ভাবিলে—মণ্ডলে তাৰ কাৰণে কিবা এটা উপায় চিন্তা কৰিবলৈ ধৰিছে। ইমান পৰ দুশ্চিন্তা আৰু উত্তেজনাত টন্‌টনাই থকা তাৰ দুৰ্বল দেহটো এইবাৰ কিছু স্বস্তিৰ ভাবত শিথিল হৈ আহিল। সি তামোল এখন মুখত ভৰালে আৰু তামোল পাগুলি পাগুলি পৰম আশাৰে সৈতে

মণ্ডলৰ মুখলৈ চাই থাকিবলৈ ধৰিলে। ইফালে মণ্ডলৰ মনত ৰসেশ্বৰৰ এড়ি চাদৰখন আৰু সনাতনৰ টকা এশটাৰ মাজত টনা-আজোৰা চলিবলৈ ধৰিছে। বেচ কিছু পৰৰ মূৰত মণ্ডলে মাত লগালে—'তুমি মোক বৰ চিন্তাতেই পেলালা চুতীয়া। এফালে আইন, আনফালে মানুহৰ মৰম-চেনেহ। আইন ৰাখিবলৈ গলে মই তোমাক মৰম দেখুৱাব নোৱাৰো, তোমাক মৰম দেখুৱাবলৈ গলে আইনে মোক শুদাই নেৰে। চেঃ, কি কৰো এতিয়া; বৰ চিন্তাতেই পেলালা তুমি।······বহুত ভাবি-চিন্তি এটাই মাত্র উপায় মই বিচাৰি পাইছো। তুমি আধি বোৰ্ডত এখন গোচৰ দিয়া। অৱশ্যে সেই গোচৰ কৰিবলৈ হ'লে তুমি যে অধিয়াৰহে, মাটিৰ গৰাকী নহয়, সেই কথাটো মানি লবই লাগিব। তাৰ বাহিৰে আন কোনো উপায় নাই। শাস্ত্রত কোৱাই আছে—সৰ্বনাশে সমুৎপন্নে অৰ্ধং ত্যজতি পণ্ডিতাঃ। এতিয়াতো অৱস্থা যি দেখা গৈছে, আইন সনাতনৰ ফালে; তেওঁৰ লগত যুজ কৰি তুমি মাটিলৈ নাঙল নিবই নোৱাৰিবা। কিন্তু আধি বোৰ্ডত গোচৰ কৰি জিকিলে মাটিত খেতি কৰাৰ অধিকাৰ তোমাৰেই থাকিব, সনাতনে সেই মাটি তোমাৰ পৰা কাঢ়ি নি আনক দিব নোৱাৰিব। আগতকৈ তফাৎটো যেনিবা এইটোৱেই হব যে তুমি মাটি পুৰাৰ ভিতৰত এবিঘা মাটিৰ ধান সনাতনক দিব লাগিব। কিন্তু কি কৰিবা, অৱস্থা চাই ব্যৱস্থা। কলোৱেই নহয়—সৰ্বনাশে সমুৎপন্নে······'

মণ্ডলৰ মুখত সংস্কৃত শ্লোক শুনিবলৈ ৰসেশ্বৰৰ ধৈৰ্য্য নাছিল, সি আকৌ হাউ-মাউকৈ কান্দি উঠিল। কান্দি কান্দি সি কবলৈ ধৰিলে —'এইবোৰ আপোনাৰ মুখত কি কথা ককাইদেউ? এনেকুৱা অন্যায় অধৰমৰ কথা কোনে ক'ত শুনিছে? যি মাটি মোৰ অকহি-পুৰুষৰ সম্পত্তি, সেই মাটিত মই এতিয়া আধিয়াৰহে হ'লোগৈ? নকৰো ককাইদেউ, মই মেল-মোকৰ্দমা একো নকৰো। সনাতনে মোক মোৰ সাতাম-পুৰুষীয়া মাটিত হাল বোৱাত কেনেকৈ বাধা

দিয়ে চাম। মেচি দাৰে একে ঘাপতে তুছেও কৰি দিম ; তাৰ পিছত যি হয় হব। মোৰ জেল-ফাঁচী যি হয় হব, তথাপি এনে দুৰ্ঘোৰ অন্যায় কেতিয়াও সহ্য কৰি নাথাকো।'

গামোছাৰে সি চকুপানী মচিবলৈ ধৰিলে।

মণ্ডলে ভৰিৰ কাষত মাটিত পৰি থকা এড়ি চাদৰখন বটাত তুলি থৈ ভিতৰৰ ফালে চাই চিঞৰ মাৰিলে—'অ আইকণ, আইকণ, চাওঁ এই বটাখন ভিতৰলৈ লৈ যাচোন। চুতীয়া ইমান পৰ বহি থাকিল, চাহ এটোপাও নিদিলি। বাৰু যি হ'ল হ'ল দে, এতিয়া তামোল দুখনমানকে দি যা।' তাৰ পিছত ৰসেশ্বৰৰ ফালে চাই মণ্ডলে বুজনিৰ সুৰত কবলৈ ধৰিলে—'খণ্ড নামে চণ্ডাল, মানুহে খণ্ডৰ ভমকৰ্ত একো কৰিব নাপায়। বাঁহপৰাৰ ভোগমনৰ কথা পাহৰিলা জানো? এই মাটিৰ সীমাৰ কাৰণেই কাজিয়া কৰি বলবাহাদুৰ চেত্ৰীক কাটি সি আজি পাঁচ বছৰ জেলত পচিছে ; ইফালে ঘৰখনৰ কি অৱস্থা হৈছে? গোটেইখন লাং লাং-ঠাং ঠাং অৱস্থা হৈছে। মই তোমাক যি বুদ্ধি দিছো তোমাৰ ভালৰ কাৰণেই দিছো। ইয়াতকৈ ভাল বুদ্ধি তোমাক কোনেও নিদিয়ে, দিব নোৱাৰে। কালিলৈ তুমি মোৰ ওচৰলৈ আৰু এটা পাক মাৰিবা। গোচৰখন ক'ত কৰিব লাগিব, কেনেকৈ কৰিব লাগিব, কাক কাক দেখা কৰিব লাগিব—গোটেইবোৰ কথা মই তোমাক ভালকৈ শিকাই দিম।'

সেইখিনি কথা মণ্ডলে তেতিয়াই ৰসেশ্বৰক শিকাই দিব পাৰিলেহেঁতেন, কিন্তু তেওঁ বৰ হিচাবী মানুহ ; আগ-পিছ নুশুনাকৈ তেওঁ একো কথা নকয়। তেওঁ জানে যে ৰসেশ্বৰ তেওঁৰ ঘৰলৈ আকৌ এবাৰ আহিব লগা হলে শুদা হাতে কেতিয়াও নাহে ; আন একো নহলেও গাখীৰ এচুঙা বা বাৰীৰ পাছলি এটাকে হাতত লৈ আহিব। বস্তু আহিবৰ বাটটোনো তেওঁ এতিয়াই কিয় বন্ধ কৰি দিয়ে?

# চাৰি

ৰসেশ্বৰে ৰাতি ঘৰলৈ আহি দেখে, গোটেই ঘৰখন সম্পূর্ণ অন্ধকাৰ আৰু নিমাত-নিতাল। জুই-শলা এটা মাৰি সি কেৰাচিন তেলৰ চাকি এটা জ্বলালে আৰু শোৱা কোঠালৈ সোমাই গ'ল। ল'ৰা-ছোৱালী কেইটাই মাকৰ লগত বিছনাত শুই আছে। সি অহাৰ্ গম পায়ো কোনো এটাই কাটি-কুটা নকৰি মৰাৰ দৰে পৰি ৰ'ল। দৃশ্যটো দেখি সি কিছু সময় তভক্ মাৰি চাই ৰ'ল। তাৰ ডিঙিটো কিবা এটাই সোপা মাৰি ধৰা যেন সি অনুভব কৰিলে। কান্দোনৰ বেগটো কোনোমতে সম্বৰণ কৰি সি মাত লগালে—'সোণটি. অ' সোণটি. এই ফুট্ গধুলিতে যে গোটেই মখা শুই পৰিলি, ভাত-পানী খালি জানো?'

কোনেও তাৰ প্ৰশ্নৰ একো উত্তৰ নিদিলে।

কিছু সময় কিংকর্তব্য বিমূঢ় হৈ থিয় হৈ থাকি সি গামোছা আৰু চুৰিয়া এখন লৈ নাদৰ পাৰলৈ গ'ল আৰু গাটো ধুই নিজেই পাক ঘৰত সোমাল; বহুদিন সি পাক-ঘৰত সোমোৱা নাই। ক'ত কি আছে সি একোকে ভালকৈ নাজানে। ভাতৰ চৰুটো সি জুইৰ ওপৰত উঠাই দি আলুগুটি দুটামান ক'ৰবাত পায় নেকি তাকে বিচাৰিবলৈ ধৰিলে। ঘৰখনত আলুৰ সঁচেই নাই। পাক ঘৰলৈ সোমাই যোৱা দুৱাৰ দলিৰ বাহিৰৰ ফালে বেৰৰ চুকতে ঢেকীয়া শাক এমুঠি পৰি থকা তাৰ চকুত পৰিল। বোধহয় দুপৰীয়া ৰান্ধিবৰ কাৰণে ঘৈণীয়েকে আনিছিল। পোকৰ ভয়ত ৰাতি শাক খোৱা নিষেধ

যদিও নিৰুপায়ত, হে সি ঢেকীয়া শাক মুঠিকে বাছিবলৈ ধৰিলে। শুদা তেল-নিমখেৰে নো সি ল'ৰা-ছোৱালী কেইটাৰ আগলৈ কেনেকৈ ভাতৰ কাঁহীকেইখন আগ বঢ়াই দিয়ে? ভাত হোৱাৰ পিছত সি নাউমান তেলেৰে ঢেকীয়া মুঠিকে খৰং-মৰংকৈ ভাজি শেষ কৰি ঘৈণীয়েকক আৰু ল'ৰা-ছোৱালীকেইটাক জগাবলৈ বাহিৰলৈ ওলাই গ'ল।

বিছনাখনৰ ওচৰত থিয় হৈ অপৰাধীৰ দৰে করুণ আৰু সংকুচিত মাতেৰে সি এইবাৰ প্ৰথমে ঘৈণীয়েককে মাতিলে—'ঐ, শুনিছনে নাই, উঠচোন উঠ, ভাত এমুঠি খাই ল। দুপৰীয়াও লাঘোণে আছ, কাইলৈ বিছনাৰ পৰা উঠিবকে নোৱাৰিবি।' তাৰ পিছত সি ল'ৰা-ছোৱালী কেইটাক এটা এটাকৈ গাত ধৰি জোকাৰি জগাবলৈ ধৰিলে—'এই সোণটি, আইজনী, অকণমান, উঠ, উঠ, এই ফুট গ'ধুলিতে ইমান মৰ টোপনিত পৰিব নালাগে।' সি চিঞৰিলেহে চিঞৰিলে, কিন্তু মাক বা ল'ৰা-ছোৱালী কোনো এটাৰে উঠিবৰ লক্ষণ দেখা নগ'ল। সি স্পষ্ট অনুভব কৰিলে যে সিহঁত কোনো এটাই টোপনি যোৱা নাই, কিন্তু প্ৰত্যেকেই, আনকি তিনিবছৰীয়া অকণমানেও, টোপনিৰ ভাঁও জুৰি তাৰ বিৰুদ্ধে নীৰৱ বিদ্ৰোহ ঘোষণা কৰিছে। আকৌ এবাৰ সি সকলোকে তুলিবলৈ শেষ চেষ্টা কৰি চালে। কিন্তু তাৰ সকলো চেষ্টা মিছা হ'ল। কিংকৰ্ত্তব্যবিমূঢ় হৈ সি বিছনাৰ ওচৰত কিছু সময় থিয় হৈ ৰ'ল। তাৰ পিছত পাক ঘৰলৈ গৈ জুইকুৰা আৰু চাকিটো নুমুৱাই থৈ আহি সি নিজেও বিছনাত পৰিল।

ৰসেশ্বৰে বিছনাত দীঘল দি কিছু সময় মৰাশৰ দৰে পৰি ৰ'ল। তাৰ দুই চকু ফাটি দুধাৰি চকুলো দুই গালেদি সৰ্‌সৰকৈ বাগৰি আহিল। যিহেতু কোঠাটো সম্পূৰ্ণ অন্ধকাৰ আছিল, সেই কাৰণে সি চকু পানীখিনি মচিবলৈ কোনো চেষ্টা নকৰিলে। কিছু সময়ৰ পিছত চকু পানীখিনি গালতে শুকাই গ'ল। ঘৈণীয়েক সাৰ পাই

আছে বুলি ধৰি লৈ সি কবলৈ ধৰিলে—'ভাত যে নাখালি ভালেই কৰিলি। আৰু যে কেতিয়াবা খাবলৈ পাবি তাৰ আশা নকৰিবি। মাটি এপুৰাৰ ধানেৰে ছমাহ খাই ছমাহ আধা-পেটি থাকি কোনোমতে দেহাৰ ভিতৰত প্ৰাণটো জীয়াই ৰাখিছিলো; আজিৰ পৰা তাৰো মুদা মৰিল। সাত-পুৰুষৰ পৰা ভোগ দখল কৰি অহা আমাৰ সেই মাটি দৰা বোলে আচলতে আমাৰ নহয়, সনাতন ঠিকাদাৰৰহে। আজি সনাতনে নিজে পথাৰলৈ গৈ মোক হাল বাবলৈ নিষেধ কৰি দিছে। ডিম্বেশ্বৰ মণ্ডলৰ ঘৰলৈ গলো, মণ্ডলেও কলে—বোলে সেই মাটিত সঁচাসচিকৈয়ে সনাতনৰ নামত পট্টা লাগিছে। মই বোলে এতিয়া কিবা আধিৰ মোকৰ্দমা কৰিব লাগে। হেৰ মই ছালছিগা টোকোনা মানুহটোৱে লাখপতি ঠিকাদাৰৰ লগত কি সাহেৰে মোকৰ্দমা কৰো? ইফালে মোকৰ্দমাৰ শেষত মাটি নাপালো যদি কথাই নাই, পালেওতো এই বছৰৰ কাৰণে উৰালৰ ভাত খোৱাৰ ভিকাচন্ ভাগিল। মই অকলশৰীয়া মানুহটোৱে মোকৰ্দমাৰ কাৰণে কাছাৰীত উকীল-মহৰীৰ পিছতেই ঘুৰো, নে তহঁতক পুঁহিবৰ কাৰণে হাজিৰা কামকেই বিচাৰো? কোনো ফালে মই কোনো উপায় দেখা নাই। এটাই মাত্ৰ উপায় বিচাৰি পাইছো। বিছনাত শুই থাকোতেই এদিন তহঁত গোটেই মথাকে এটা এটাকৈ কাটি পিছত মই নিজেও নিজৰ ডিঙিত দাৰে ঘপিয়াই সকলো জ্বালা-যন্ত্ৰনাৰ শেষ কৰিম। নটা প্ৰানীৰ তেজ খাই সনাতন ঠিকাদাৰহঁতেই সংসাৰৰ সুখ ভোগ কৰক, আমাৰ নিচিনা মানুহৰ কাৰণে এই সংসাৰত কোনো ঠাই নাই।'

কথাখিনি কৈ ৰসেশ্বৰে বুকুখন পাতল লগা যেন অনুভব কৰিলে। দিনটোৰ অনাহাৰ, উত্তেজনা আৰু ভাগৰে এতিয়াহে তাৰ শৰীৰত ক্ৰিয়া কৰিবলৈ আৰম্ভ কৰিলে। টোপনিত তাৰ চকুৰ পতাদুটা গ'ধুৰ হৈ আহিল। কিন্তু সি কিছু সময় জোৰকৈ সাৰে থাকিবলৈ চেষ্টা কৰিলে। ৰসেশ্বৰৰ আশা আছিল যে ঘৈণীয়েকে তাৰ দিনটোৰ

অদ্ভুত আচৰণৰ আচল গূঢ়াৰ্থ এতিয়াহে হৃদয়ংগম কৰি কিবা এষাৰ কথা নিশ্চয় কব, তাক সহানুভূতি দেখুৱাব, সিহঁতৰ সমুখত আহি পৰা জীৱন-মৰণ সমস্যাটোৰ সমাধানৰ কাৰণে তায়ো কিবা এটা উপায় আগ বঢ়াব। মুহূৰ্ত্তবোৰ, অতি যন্ত্ৰনা-দায়ক মুহূৰ্ত্তবোৰ কোনোবাই চোচোৰাই নিয়া ডাঙৰ শিল একোচটাৰ দৰে তাৰ ক্লান্ত শৰীৰৰ ওপৰেদি তাৰ চেতনাক পিষ্ট কৰি পাৰহৈ যাবলৈ ধৰিলে, আন্ধাৰতে চকু দুটা বহলকৈ মেলি সি অপেক্ষা কৰি ৰ'ল, এই মাত্ৰ ঘৈণীয়েকে নিশ্চয় মুখ মেলিব, কিবা এষাৰ কথা কব, তাই কথা কলেই সি বুজিব যে তাই তাক ক্ষমা কৰি দিছে, তাই এতিয়া সকলো বুজি পাইছে, আজি ৰাতিৰ কাৰণে তাক আৰু একো নালাগে—লাগে মাত্ৰ তাইৰ মুখৰ এষাৰি কথা, তাইৰ মুখৰ এষাৰ মাত শুনিবলৈ পালেই সি অহাকালিৰ ভয়ংকৰ আৰু অনিশ্চিত দিনটোৰ মুখামুখি হোৱাৰ আগতে অন্ততঃ আজিৰ ৰাতিটো কিছু শান্তিৰে শুব পাৰিব

·····সি অপেক্ষা কৰি ৰ'ল, তাৰ পিছত এক ভয়ংকৰ নীৰবতাৰ মাজত সি লাহে লাহে বিভীষিকাময় আৰু দুঃস্বপ্ন-ভৰা টোপনিৰ কোলাত ঢলি পৰিল।

# পাঁচ

আধি বোর্ড্ তিনিজন সদস্যৰে গঠিত: এজন হ'ল চাৰ্কোলৰ চাব-ডেপুটি কলেক্টৰ, এজন মাটিৰ মালিকসকলৰ প্ৰতিনিধি, তৃতীয়জন আধিয়াৰসকলৰ প্ৰতিনিধি। চাব-ডেপুটি কলেক্টৰজনেই বোৰ্ডৰ সভাপতি। যি কোনো গোচৰত দুজন সদস্যই যিফালে ৰায় দিয়ে সেই পক্ষৰেই সাধাৰণতে জয় হয়।

গোচৰখন যিমান সোনকালে কৰিব পাৰি সিমানেই ৰসেশ্বৰৰ কাৰণে মঙ্গল, কাৰণ নহলে সিফালে খেতিৰ বতৰ আধ্যা পৰিব। কিন্তু গোচৰ মানেইতো খোজেপতি টকাৰ খেলা; হাতত টকা-কেইটামান যোগাৰ কৰি নোলোৱাকৈ সি মোকৰ্দমালৈ আগ বাঢ়ে কেনেকৈ? শাওণৰ ৪ তাৰিখে ৰাতিপুৱা সি আকৌ ডিম্বেশ্বৰ মণ্ডলৰ ঘৰলৈ গ'ল মোকৰ্দমাৰ কাৰণে বুদ্ধি লবলৈ। যাওঁতে অৱশ্যে মণ্ডলে আশা কৰা মতেই গাখীৰ এচুঙা হাতত লবলৈ সি নাপাহৰিলে। অলপতে নতুনকৈ পোৱালী দিয়া গাইজনীয়ে দিনে ছপোৱামানকৈ গাখীৰ দিয়ে। তাৰ আধা সেৰমান ল'ৰা-ছোৱালীকেইটাই খাবলৈ ৰাখি বাকী এসেৰ ঘৈণীয়েকে বিক্ৰী কৰে। সেই পইছাৰেই ল'ৰাৰ স্কুলৰ মাচুল আৰু কাপোৰকানিৰ পৰা আৰম্ভ কৰি নিমখ আৰু কেৰাচিন তেলৰ খৰচ উলিয়াব লাগে। ঘৈণীয়েকে পাৰিলে বাকী আধাসেৰ গাখীৰো বেচিলেহেঁতেন, কিন্তু সেইখিনি নোৱাৰে, কাৰণ কোলাৰ এবছৰীয়া কেচুৱাজনীক খুৱাবলৈ তাইৰ বুকুত গাখীৰ নাই। হাতত গাখীৰ চুঙা লৈ ডিম্বেশ্বৰ মণ্ডলৰ ঘৰলৈ আগ বাঢ়োতে

ৰসেশ্বৰে স্বগতোক্তি কৰিবলৈ ধৰিলে—'এনে কুলক্ষণীয়া তিৰোতা, এতিয়াই তাইৰ পিয়াহত গাখীৰ নোহোৱা হ'ল। পিছে কাইলৈৰ পৰা জীয়েৰক কি খুৱাবি? মই মনে মনে কি মত্‌লব্‌ কৰিছো তই জানো জানিছ?···· ·উস্ উস্, এই কনা-বিধতাটোও কম তেজ-খোৱা পিশাচ নহয় দেই। চুৰীয়াৰ কপালত আন একোটা নাই যে নায়েই, কেচুৱাৰ কাৰণে মাকৰ পিয়াহত গাখীৰো নোহোৱা কৰিব লাগেনে?'

মোকৰ্দমাৰ কাৰণে ক'ত কি কৰিব লাগিব সেই বিষয়ে দিহা-বুদ্ধি দি ডিম্বেশ্বৰ মণ্ডলে অৱশেষত কলে—'পিছে এটা কথা নহয় চুতীয়া, তুমি যদি ভাবা যে আধি বোৰ্ডত তুমি গোচৰটো দি দিলেই সদস্য-সকলে আইনৰ কিতাপখন মেলি লৈ তাৰ ধাৰা মতে কাম কৰি যাব আৰু আইন মতে তুমি মাটি পাব লগা হ'লে তোমাক দি দিব—তেন্তে কিন্তু ডাঙৰ ভুল কৰা হব। কথাষাৰ তোমাক খোলাকৈয়ে কওঁ শুনা। আধি বোৰ্ডৰ তিনি সদস্য—ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ—এই তিনিওজনকে পূজা একোভাগি দি সন্তুষ্ট কৰিব পাৰিলেহে তেওঁলোকৰ কৃপা-দৃষ্টি তোমাৰ ওপৰত পৰিব পাৰে; নহলে কিন্তু সকলো মিছা হব। এই দেৱতাসকলৰ কাৰ কি প্ৰকৃতি তাৰো কিছু আভাস তোমাক দি থওঁ শুনা। বোৰ্ডৰ সভাপতি অৰ্থাৎ আমাৰ হাকিম—তেওঁৰ ওচৰলৈ কিন্তু তুমি পোনে পোনে যাব নোৱাৰা। তেওঁলৈ যদি তুমি কিবা পূজা আগ বঢ়াব খোজা, তেন্তে তুমি মোৰ যোগেদিহে দিব লাগিব। অৱশ্যে মোক তুমি বিশ্বাস নকৰিলে দুৰ্য্যোধন কানুনগোৰ জৰীয়তেও দিব পাৰা। আমাৰ হাকিমে সকলো পূজা-পাতল আমাৰ দুজনৰ যোগেদিয়েই লয়, আন কাকো তেওঁ বিশ্বস নকৰে। তেওঁ কি ধৰণৰ পূজা বেচি পছন্দ কৰে সেইটোও কৈ থওঁ শুনা। তুমি বোধহয় জানাই, আমাৰ হাকিমে এতিয়াও বিয়া-বাৰু কৰোৱা নাই। কৰাৰ বোধহয় আশাও নাই, কাৰণ বিয়াৰ বয়স কেতিয়াবাই পাৰ হ'ল। মানুহজন বৰ দয়ালু প্ৰকৃতিৰ, টকা-পইছা

নিজে লোৱাতকৈ আনক দিবলৈহে বেচি মন কৰে। কিন্তু তেওঁৰ এটা ডাঙৰ কু-অভ্যাস হল,—ফটিকা নোখোৱাকৈ তেওঁ এক মুহূৰ্ত্তও থাকিব নোৱাৰে। গোটেই দিনটো মানুহটো ফটিকাৰ নিচাতেই থাকে। পিচে দিনে একোটাকৈ বিলাতী মদৰ বটল খাবলৈ ইমান পইছা তেওঁ ক'ৰ পৰা পাব? সেই কাৰণে কোনোবাই তেওঁক বিলাতী মদৰ বটল এটা নি দিলে তেওঁ বৰ ভাল পায়। লগতে যদি ডেকেৰুৱা কুকুৰা এটাও দিয়ে তেতিয়াহলেতো কথাই নাই। পূজাত তুষ্ট হোৱা মহাদেৱৰ নিচিনাকৈ তেওঁ তেতিয়া যি কোনো মানুহক যি কোনো বৰ দিবলৈ প্ৰস্তুত। এয়া গ'ল আমাৰ হাকিমৰ কথা। তুমি তেওঁৰ কাৰণে বিলাতী মদৰ বটল এটা আৰু কুকুৰা এটা আনি মোৰ হাতত দিবা, বাকীখিনি যি কৰিব লাগে মই কৰিম।'

মণ্ডলৰ কথা শুনি শুনি আতংকত ৰসেশ্বৰৰ ডিঙি-মুখ শুকাই আহিছিল, কোনোমতে জোৰকৈ মাতটো উলিয়াই সি কলে—'ককাইদেউ, বিলাতী মদ চকুৰে দেখি পোৱা দূৰৰ কথা, নামেই শুনি পোৱা নাই। ক'ত বা কিনিব লাগে তাকো নাজানো। তদুপৰি, সেইটোকে বিচাৰি মই আকৌ চহৰলৈ যাব লাগিব। তাৰ মানে এদিনৰ কাম ক্ষতি; লগতে অহা-যোৱাৰ নামত অতিৰিক্ত দহ-বাৰ টকা ভৰণি। তাৰ সলনি মই দামটোকে যদি আপোনাক দি দিওঁ, আপুনিয়ে কিনাই অনাই দিয়াব নোৱাৰিবনে?'

'কিয় নোৱাৰিম, কিয় নোৱাৰিম'—মণ্ডলে ৰসেশ্বৰক আশ্বস্ত কৰিবৰ কাৰণে প্ৰয়োজনতকৈ অধিক কোমল মাতেৰে কলে—'তুমি সেই বিষয়ে একো চিন্তাই নকৰিবা। আমাৰ টুপীধৰ পিয়ন সপ্তাহত দুবাৰকৈ জিলালৈ গৈ থাকে। আমাৰ চাহাবেতো তাৰ হতুৱায়েই সদায় তেওঁৰ খোৰাকী আনি থাকে। মদৰ বটলটোৰ কাৰণে লাগিব ৩২ টকা, কুকুৰাটোৰ কাৰণে ধৰি লোৱা ৫ টকা, এই হ'ল ৩৭ টকা; তুমি বাৰু মোক মুঠতে ৩৫ টকা দিলেই হৈ যাব।'

মণ্ডলৰ কথা শুনি ৰসেশ্বৰে তাৰ বুকুৰ ভিতৰত কলিজাটো এহাতমান তললৈ বহি যোৱা যেন অনুভব কৰিলে। সি মনে মনে ধৰি লৈছিল যে মদ কুকুৰা দুয়োটা মিলি কুৰি টকা মানৰ ভিতৰতে হয়তো হৈ যাব। কিন্তু সি ভবাতকৈ দামটো প্ৰায় দুগুণেই হ'ল। কিবা এষাৰ কবলৈ গৈ সি একো কব নোৱাৰিলে, তাৰ ওঠ দুখন বৰ বেয়াকৈ কঁপি উঠিল।

টকাৰ হিচাবটো ৰসেশ্বৰৰ মনত ভালকৈ সোমাবলৈ কিছু সময় দি মণ্ডলে আকৌ মাত লগালে—'এতিয়া আঁহা বোৰ্ডৰ বাকী দুজন সদস্যৰ কথালৈ। এজনক তুমি কিজানি চিনিয়েই পাবা, আমাৰ মৌজাৰে লেটেকু-খোৱা গাওঁৰ বাপুৰাম শইকীয়া। তেওঁ হ'ল আধিয়াৰৰ প্ৰতিনিধি। নামতহে তেওঁ আধিয়াৰৰ প্ৰতিনিধি, কিন্তু আচলতে তেওঁক যেয়েই টকা দিয়ে তেওঁ তাৰেই প্ৰতিনিধি। মানুহটোৱে লিখা-পঢ়া, আইন-কানুন একো নাজানে। বোৰ্ডৰ মিটিঙত তেওঁ গছঁৰ মূঢ়াৰ দৰে বহি থাকে। গোচৰৰ শুনানী শেষ হোৱাৰ পিছত যেতিয়া সদস্য দুজনে নিজৰ মতামত দিবলগীয়া হয়, বাপুৰামে যি পক্ষৰ টকা খায় সেই পক্ষৰে হৈ মাত লগাই উঠে—'মই কবৰ হ'লে শ্ৰীঅমুকাইহে মাটিখিনি পাব লাগে বা ধানখিনি পাব লাগে।' সেই কথাটোকে কম বুলি তেওঁ ঘৰৰ পৰা ওলাওঁতেই সাজু হৈ আহে, গোটেই বাটছোৱা সেই কথা কেইটাকে মুখস্থ কৰি কৰি আহে, গতিকে মিটিঙত বহি তেওঁ আইনৰ 'পইন্ট্' বা উকীলৰ তৰ্ক বা সাক্ষীৰ কথা-বাৰ্ত্তা কাণ পাতি শুনিবলৈ একো প্ৰয়োজন অনুভব নকৰে। হাকিমৰ ওচৰত গোচৰটো দিয়েই তুমি এই বাপুৰাম শইকীয়াক এবাৰ লগ ধৰিব লাগিব। মই ভাবো, প্ৰথমবাৰ লগ ধৰোতে তুমি তেওঁক আঠৈকুৰি মান টকা দিলেই হব।

এটা শব্দ-হীন আৰ্ত্তনাদ ৰসেশ্বৰৰ বুকু ভেদ কৰি বাহিৰ হৈ আহিল। মণ্ডলে নিৰ্বিকাৰ ভাবে কৈ যাবলৈ ধৰিলে—'বাকী

থাকিল ধৰ্মদত্ত কাকতী। তেওঁক তুমি চিনি নাপাবা। মধুপুৰ মৌজাৰ মানুহ। মই ভাবো যে সহজতে তুমি তেওঁক বাদ দি থব পাৰা। বোৰ্ডৰ তিনিজন সদস্যৰ ভিতৰত দুজন যি পক্ষত থাকে সেই পক্ষৰেই জয় হয়। বৰ্ত্তমানে তুমি এই দুজনকে হাত কৰিবলৈ চেষ্টা কৰা।

মণ্ডলক নীৰৱ হৈ পৰা দেখি ৰসেশ্বৰে দীঘল হুমুনিয়াহ এটা পেলাই মাত লগালে—'বাৰু ককাইদেউ, আপুনি কোৱা সকলো কথাই বুজিলো। কিন্তু ইয়াৰ ভিতৰতে এটা কথা বুজিবলৈ কিন্তু বাকী থাকিল। মই বাৰু বোৰ্ডৰ সদস্য সকলক পূজা পাতল দি সন্তুষ্টই কৰিলো; কিন্তু সনাতন ঠিকাদাৰেও জানো মনে মনে বহি থাকিব? তেওঁ মোতকৈয়ো বেচিকৈহে ঘুৰিব হবলা? মই যদি হাকিমক এটা মদৰ বটল দিওঁ, তেওঁ দুটা দিব। মই যদি বাপুৰামক ৫০ টকা দিওঁ, তেওঁ ১০০ টকা দিব। তেতিয়া? তেতিয়া পিছে কি হব?'

মণ্ডলে ভবাই নাছিল যে ৰসেশ্বৰে তেওঁক এনেকৈ উকীলৰ দৰে জেৰা কৰিবলৈ আৰম্ভ কৰিব। মুখত ঠোটা-মোজা লাগি কেই মুহূৰ্ত্তমান সময় তেওঁ একো কবই নোৱাৰিলে। তাৰ পিছত কোনো মতে নিজকে চম্ভালি লৈ তেওঁ ক'লে—'এটা কথা নহয় চুতীয়া, ভেটি লবৰ সময়ত চৰকাৰী মানুহে সদায় এটা কথা প্ৰথমে চিন্তা কৰি লয়—আইনখন কাৰ ফালে আছে? আইন যাৰ ফালে থাকে সাধাৰণতে সেই পক্ষৰ পৰাই ভেটি লোৱা হয়। কেতিয়াবা কোনোবাই দুয়োপক্ষৰ পৰা ভেটি ললেও কামটো কৰিবৰ সময়ত আইন যাৰ পক্ষত থাকে সাধাৰণতে সেই পক্ষৰেই কাম কৰি দিয়ে। অৱশ্যে তাৰ বিপৰীতটোও যে নঘটে এনে নহয়। কিন্তু তুমি যেতিয়া কিবা এটা কামত হাত দিয়া, তুমি নিশ্চয় আশা কৰা যে কামটো তুমি ভবা মতেই নিশ্চয় হৈ উঠিব। চৰকাৰী লেঠা বা মেল-মোকৰ্দমাৰ ক্ষেত্ৰতো সেই একেই কথা। আশা কৰাৰ বাহিৰে আন একো কৰিবলৈ তোমাৰ উপায় নাই। দ্বিতীয়তে, তুমি পাঁচ টকা দিলে

ইটো পক্ষই যদি দহ টকা দিয়ে, তেন্তে দ্বিতীয়বাৰত তুমিও পোন্ধৰ টকা আগ বঢ়াব লাগিব। তাৰ বাহিৰে জানো আন কিবা উপায় আছে?'

'এইটো দেখোন মৌজাদাৰৰ টেকেলাই খাজনাৰ অনাদায়ত ঘটি-বাটি নীলাম কৰাৰ নিচিনা কথা হ'ল'—সংসাৰৰ কোনো কথাৰে ভূ নোপোৱা ৰসেশ্বৰে অকৃত্ৰিম বিস্ময়ত মাত লগালে—'ঘটি-বাটি গৰু-গাই নীলাম হোৱাৰ নিচিনাকৈ আইনৰ বিচাৰো নীলাম হয় নেকি?'

ৰসেশ্বৰৰ এই মন্তব্যৰ ওপৰত কবলৈ একো কথা বিচাৰি নাপাই মণ্ডলে কেৱল মূৰ জোকাৰি জোকাৰি ক'লে—'যুগ-ধৰ্ম চুতীয়া, যুগ-ধৰ্ম। যি যুগৰ যি ধৰ্ম আমি তাকেই মানি চলিব লাগিব।'

কিছু সময় দুয়ো নিজৰ নিজৰ চিন্তাত তন্ময় হৈ সম্পূৰ্ণ নীৰৱ হৈ ৰ'ল। ৰসেশ্বৰেই প্ৰথমে নীৰৱতা ভংগ কৰি মাত লগালে—'বাৰু ককাইদেউ, আপুনি কোৱা সকলো কথা বুজিলো। কিন্তু এতিয়া আপুনিও মোৰ কিছু কথা বুজিব লাগিব। সৰোবৰত কচ্ছপৰ গ্ৰাসত পৰা গজেন্দ্ৰই শুৰেৰে পদুম ফুল এপাহ তুলি লৈ গোবিন্দক স্তুতি কৰাৰ দৰে ময়ো আপোনাকে আশ্ৰয় কৰিছো, আপোনাৰ চৰণত ধৰিয়েই স্তুতি কৰিছো—আপুনি এই মহা-বিপদৰ পৰা মোক উদ্ধাৰ কৰক। মোকৰ্দমা কৰিবৰ কাৰণে আপুনি যিমানবোৰ টকা-পইচাৰ হিচাব দিলে সিমানবোৰ টকা মই ছাল-ছিঁগা ভিকহুয়ে ক'ৰপৰা পাম? আপুনি সন্তহতে মোক টকা পাঁচ কুৰিমান দি সহায় কৰক ককাইদেউ—'

টকাৰ নাম শুনি আতংকিত হৈ মণ্ডলে' কিবা এষাৰ কবলৈ মুখ মেলোতেই ৰসেশ্বৰে মাজতে বাধা দি ক'লে—'বৰ বৰ ককাই-দেউ, মোক কৈ শেষ কৰিবলৈ দিয়ক। আপোনাৰ এশকৈ টকা মই এনেয়ে কেতিয়াও নলওঁ। এই ছাল-বাকলি নোহোৱা টোকোনাক আপুনি কি বিশ্বাসত এশকৈ টকা এনেয়ে দিব? মোৰ

ন-পোৱালী দিয়া খীৰতী-গাই এজনী আছে। বৰ ভালৰ সঁচ গাই ককাইদেউ, মণ্ডলা-চুকৰ ভীমবাহাদুৰ নেপালীৰ পৰা তাইৰ মাকক কিনিছিলো। তাই প্ৰথমটো পোৱালী আজি মাত্ৰ দুমাহৰ আগতে দিছে। এবেলা খীৰালে গাখীৰ ছপোৱামানকৈ দিয়ে। সেই গাইজনীকে ঘৰৰ লক্ষ্মী বুলি ভাবিছিলো, তাই আমাৰ মাকৰ আৰু ডাঙৰ ল'ৰাটোৰ বুকুৰ জীউটোৰ নিচিনা। পিছে আমাৰ নিচিনা দুখীয়া মানুহে মৰম-ধৰমলৈ চকু দিলে সংসাৰ কেনেকৈ চলিব? সেই গাইজনীকে আজি গ'ধুলিকৈ আনি আপোনাৰ গোহালীত নিজ হাতে বান্ধি থৈ যামহি। আপুনি মোক টকা এশ দিবই লাগিব ককাইদেউ। ইমান মৰমৰ গাইজনী যাকে-তাকে বিক্ৰিবলৈ বা বন্ধকত দিবলৈ মোৰ প্ৰাণটোৱে নকয়।'

শেষৰ কথাখিনি কবৰ সময়ত ৰসেশ্বৰৰ মাতটো ঠোকা-ঠোকি হৈ আহিল।

ৰসেশ্বৰৰ কথা শুনি মণ্ডলে খুব ল'ৰাল'ৰিকৈ মনৰ ভিতৰতে কিবা এটা হিচাব কৰিলে। তাৰ পিছত তেওঁ ক'লে—'বৰ লেঠাতেই পেলালা দুখীয়া। হাতত মোৰ নগদ টকা এতিয়া একেবাৰেই নাই। কিন্তু এনে এটা বিপদৰ সময়ত তোমাকনো এতিয়া কেনেকৈ বিমুখ কৰো। তুমি বাৰু গ'ধুলি পৰত এবাৰ আহিবা। ময়ো দিনটো ঘূৰা-পকা কৰি চাওঁ—টকা এশ যোগাৰ কৰিব পাৰোনেকি।'

'বৰ ৰক্ষা কৰিলে ককাইদেউ, বৰ ৰক্ষা কৰিলে'—ৰসেশ্বৰে মণ্ডলৰ ভৰিৰফালে হাত দুখন টোৱাঁই দুবাৰমান প্ৰণাম কৰিলে, তাৰ পিছত থিয় হৈ উঠি সি ক'লে—'মই তেতিয়া হলে এতিয়া উঠোহে ককাই-দেউ; সাঁজ লগাৰ লগে লগেই মই গাইজনী লৈ এইখিনি পামহি।'

মণ্ডলৰ কথালৈ বাট নাচাই সি কোবাকোবিকৈ বাটৰ ফালে খোজ ললে।

## ছয়

আবেলি পৰত ৰসেশ্বৰে ডাঙৰটো ল'ৰা সোনটিক ক'লে— 'সোনটি, তই ৰাঙলী গাইজনীক এতিয়াই পথাৰৰ পৰা বিচাৰি লৈ আহগৈ।'

গাওঁৰ স'ৰু স'ৰু ল'ৰাজাকে এটা ভাওনা পতাৰ আয়োজন কৰিছে। সিহঁতৰ ভাওনাৰ ঠাই হ'ল ৰত্নেশ্বৰহঁতৰ গোহালী-ঘৰটো। এইবাৰ সোনটিৰ ভাগতো এটা ভাও পৰিছে। তাৰ কাৰণে সি ধনু-কাঁড় এপাত সজাত ব্যস্ত হৈ আছিল। বাপেকৰ কথা শুনি সি আচৰিত হৈ ক'লে—'ৰাঙলী গাইজনী দেখোন সদায় নিজেই ঘৰলৈ আহে। আজি আকৌ তাইক বিচাৰি আনিবগৈ লাগে কিয়?'

'ৰাঙলীক এতিয়াই এঠাইলৈ নিব লাগিব'—ৰসেশ্বৰে কওঁ নকওঁকৈ ভয়ে ভয়ে ক'লে।

সোনটিয়ে ধনু সজাৰ কাম বন্ধ কৰি বাপেকৰ মুখলৈ আচৰিত হৈ চাই ক'লে—'এতিয়াই এঠাইলৈ নিব লাগিব? কলৈ?'

ৰসেশ্বৰে পুতেকৰ মুখৰ পৰা চকুহাল আঁতৰাই আনফালে চাই ক'লে—'ডিম্বেশ্বৰ মণ্ডলৰ ঘৰলৈ।'

পৰম অবিশ্বাসৰ ভংগীৰে সোনটিয়ে আকৌ সুধিলে—'কিয়?'

অপৰাধীৰ দৰে করুণ মুখ-ভংগী কৰি ৰসেশ্বৰে উত্তৰ দিলে— 'ৰাঙলীক মই ডিম্বেশ্বৰ মণ্ডলৰ ওচৰত বিক্ৰী কৰিছো।'

বজ্ৰাহত হোৱা মানুহৰ দৰে সোনটি কিছু সময় নিঠৰ আৰু

হতবাক হৈ ৰ'ল। তাৰ পিছত হাতৰ ধনুপাত দলি মাৰি পেলাই দি সি একেলাফে থিয় হৈ ক'লে—'মই ৰাঙলীক কেতিয়াও বিক্ৰী কৰিবলৈ নিদিওঁ। কেতিয়াও নিদিওঁ। তোমাৰ এইকেইদিন হৈছে কি পিতাই? তুমি কিয় পাগলৰ দৰে কামবোৰ কৰিছা?'

বাপেক-পুতেকৰ কথাবাৰ্ত্তাৰ মাজতে ৰসেশ্বৰৰ ঘৈণীয়েক কেতিয়া আহি দুৱাৰ-মুখত থিয় হৈছিল সিহঁতে কবই নোৱাৰিছিল। পুতেকৰ কথাৰ উত্তৰত ৰসেশ্বৰে কিবা এষাৰ কবলৈ নৌ পাওঁতেই তাই খুব শান্ত গহীন মাতেৰে মাত লগালে 'আজি ৰাঙলীক বিক্ৰী কৰিলে। কাইলৈ বোধহয় ল'ৰা-ছোৱালী কেইটা আৰু মাইকীজনীকো কাৰোবাৰ ওচৰত বিক্ৰী কৰিব।'

কেইবাফালৰ পৰা খেদি-কুৰি আনি জালত পেলোৱা হৰিণৰ দৰে ৰসেশ্বৰ কিছু সময় নীৰৱ আৰু নিশ্চল হৈ ৰ'ল। কোনেও তাৰ কথা বুজিব নোখোজে, সি সম্পূৰ্ণ অসহায় আৰু অকলশৰীয়া। এটা প্ৰচণ্ড অভিমানত তাৰ চকু ফাটি পানী বাহিৰ হৈ আহিবলৈ উপক্ৰম কৰিলে। দেহ আৰু মনৰ সমস্ত শক্তিৰে সি কোনোমতে চকু পানীখিনি সম্বৰণ কৰিলে। মাতটো যাতে সহজ হৈ ওলাব পাৰে তাৰ কাৰণে সি কিছু সময় অপেক্ষা কৰিলে। তাৰ পিছত সি শান্ত ভাৱে মাত লগালে—'মোৰ কি বিপদ হৈছে তহঁতে কোনেও নুবুজিবি সোনটি। তই কেৱল গাইজনীৰ কথাহে চিন্তা কৰিছ, মই এতিয়া ঘৰখনৰ নটা প্ৰাণীৰ জীৱন কেনেকৈ ৰক্ষা কৰো তাৰ কাৰণে চিন্তা কৰিব লগীয়া হৈছে। আমাৰ সমুখত এতিয়া ভয়ংকৰ বিপদ সোনটি। যা, দেৰি নকৰিবি, দৌৰ মাৰি গৈ পথাৰৰ পৰা ৰাঙলীক বিচাৰি লৈ আহগৈ।'

ৰসেশ্বৰৰ মুখৰ ভংগী আৰু কণ্ঠস্বৰত এনে এটা সীমাহীন যন্ত্ৰনা ফুটি উঠিল যে সোনটিয়ে কবলৈ আৰু একো কথা বিচাৰি নাপালে। বাপেকৰ এনে ভাগি পৰা ৰূপ সি আগতে আৰু কেতিয়াও দেখা নাছিল। তাৰ অকণমানি প্ৰাণটোৱেও মুহূৰ্ত্ততে বুজি উঠিল যে

সঁচাকৈয়ে এটা অভূতপূৰ্ব ভয়ংকৰ বিপদে সিহঁতৰ গোটেই ঘৰখনকে গ্ৰাস কৰিবলৈ মুখ মেলি আহিছে। সেই বিপদৰ তুলনাত ৰাঙলীক হেৰুৱাৰ দুখ অতি তুচ্ছ। বাপেকৰ মুখলৈ চাবলৈ তাৰ আৰু সাহস নহ'ল। তাৰ এনেকুৱা অনুভব হবলৈ ধৰিলে যে বাপেকৰ চকুৰ আগৰ পৰা আঁতৰি পলাব পৰিলেই যেন সি ৰক্ষা পৰে। কিছু সময় কিংকৰ্ত্তব্য বিমূঢ়ভাবে থিয় হৈ থাকি হঠাৎ এবাৰ সি আলিবাটৰ ফালে প্ৰাণ টাকি ঢাপলি মেলিলে।

ৰান্ধনী বেলি মাৰ যোৱাৰ আগে আগেই সোনটিয়ে ৰাঙলীক লৈ ঘৰ পালেহি। ৰসেশ্বৰে তেতিয়াও পিৰালীত শুদা মাটিৰ ওপৰতে জুপুকা মাৰি বহি আছিল। সোনটি আৰু ৰাঙলী আহি চোতাল পোৱাৰ লগে লগে ৰসেশ্বৰে পুতেকৰ মুখৰ ফালে এবাৰ চাই পঠিয়ালে। কান্দি কান্দি তাৰ চকু দুটা উখহি পৰিছে। চকুপানী মোছোতে মোছোতে তাৰ চকু দুটা পকা জলকীয়াৰ দৰে ৰঙা পৰি উঠিছে। পিছ মুহূৰ্ত্ততে ৰসেশ্বৰে চকু দুটা পুতেকৰ মুখৰ পৰা আঁতৰাই আনিলে। সোনটিৰ মনৰ দুখ সি খুব ভালকৈ বুজি পাইছে। তাৰ কাৰণে ৰাঙলী কেৱল এজনী গৰু নহয়, সি তাৰ খেলাৰ সংগিনী, সুখ-দুখৰ সহচৰী প্ৰাণৰ বন্ধু। পুৱা-গ'ধূলি সি ৰাঙলীৰ ডিঙিত সাৱতি ধৰি ওলমি এনেভাবে খেলা কৰে—যেন তাই এজনী গৰু নহয়, তাই সোনটিৰ মাক বা বায়েকৰ নিচিনা এজনী অতি মৰমৰ বন্ধুহে। গ'ধূলি সি তাইক পথাৰৰ পৰা বিচাৰি আনি গোহালীত বান্ধিবৰ সময়ত বহুত পৰ তাইৰ গা পিহি পিহি নানা আদৰৰ নামেৰে তাইক মাতি মাতি এনেভাবে কথা পাতি থাকে— দূৰৰ পৰা মানুহে শুনিলে ভাবিব যে সি যেন কোনোবা মানুহৰ লগতহে কথা পাতিছে। এই কেইদিন ৰসেশ্বৰৰ হৈছে কি—মুহূৰ্ত্তে মুহূৰ্ত্তে, কথাই কথাই তাৰ চকু দুটা কেৱল চকুপানীৰে ভৰি উঠিব খোজে। গামোছাখনেৰে এনেয়ে মুখখন মছাৰ ছলেৰে সি চকুদুটা এবাৰ মচি ললে। তাৰ পিছত সি থিয় হৈ ৰাঙলীৰ ওচৰলৈ গৈ

তাইৰ মুৰত হাত মোহাৰি মোহাৰি ক'লে—'ব'ল আই ব'ল, তোৰ ঠাই আমাৰ নি্চিনা ছুখীয়াৰ ঘৰত নহয়। য'ত তোৰ আচল ঠাই তাত তোক থৈ আঁহোগৈ।'

ৰসেশ্বৰে বাঙলীক খেদি লৈ ডিম্বেশ্বৰৰ ঘৰলৈ আগ বাঢ়িব খুজিছিল, এনেতে ঘৈণীয়েকে পিছ ফালৰ পৰা মাত লগালে —'ৰব।'

ৰসেশ্বৰে পিছফালে ঘুৰি চাই দেখে—ঘৈণীয়েক আহি চোতালত থিয় হৈছেহি। তাইৰ সোঁহাতত এচৰিয়া পানী, বাওঁহাতত এখন কলপাতত অলপ নিমখ, কান্ধত এখন নতুন গামোছা। ৰসেশ্বৰে আচৰিত হৈ চাই থাকে মানে ঘৈণীয়েকে বাঙলীৰ মুখৰ আগত মাটিতে নিমখেৰে সৈতে কলাপাতখন থলে, আৰু তাৰ পিছত বাঙলীয়ে নিমখখিনি খাই মানে তাই চৰিয়াৰ পানীৰে বাঙলীৰ আটাই কেইখনি ভৰি ধুৱাবলৈ ধৰিলে। ভৰি ধুৱাই শেষ কৰি তাই নতুন গামোছাৰে বাঙলীৰ ভৰি কেইখন মছি দিলে। তাৰ পিছত নতুন গামোছাখন বাঙলীৰ ডিঙিত বান্ধি দিলে। ইতিমধ্যে গ'ধুলিৰ আন্ধাৰ লাহে লাহে গাঢ় হৈ আহিছিল, তথাপি ৰসেশ্বৰে স্পষ্ট দেখিবলৈ পালে ঘৈণীয়েকৰ ছুই চকুৰেদি সৰ সৰকৈ চকুপানী ওলাই তাইৰ ছুইখন গাল ভৰাই দিছে। বাঙলীয়ে নিমখ আৰু কলপাত খাই শেষ কৰি আৰু নিমখৰ আশাত মূৰ তুলি ৰসেশ্বৰৰ ঘৈণীয়েকৰ ফালে চাই ৰ'ল। তাই বাঙলীৰ মুখখন বুকুৰ মাজত সাৱটি ধৰিলে, ৰসেশ্বৰে পিছ ফালৰ পৰা চাই দেখিলে, ভূমিকম্পত পৃথিৱী কঁপাৰ দৰে ঘৈণীয়েকৰ গোটেই শৰীৰটো থৰ্‌থৰ্‌কৈ কঁপিবলৈ ধৰিছে। সোনটিয়ে গোটেই দৃশ্যটো ইমান পৰ নীৰৱে চাই আছিল, কিন্তু সি যেই বুজিলে যে এতিয়া বাঙলীৰ বিদায়ৰ সময় হ'ল, সি জাঁপ্‌ মাৰি ঘৰৰ ভিতৰলৈ সোমাই একেকোবে গৈ বিছনাত পৰিলগৈ।

ৰসেশ্বৰে লাহেকৈ ঘৈণীয়েকক ঠেলা মাৰি দি ক'লে—'তই গুচ এতিয়া। মোৰ বহুত দেৰি হ'ল।'

ৰাঙলীক খেদি খেদি ৰসেশ্বৰে আলিবাটৰ ফালে আগ বাঢ়িল ।

ঘৈণীয়েকে একে ঠাইতে জঠৰ হৈ থিয় হৈ থাকি ৰাঙলী যোৱাৰ ফালে চাই থাকিবলৈ ধৰিলে। পচুলি-মুখৰ গোহালীটো গৈ পোৱাৰ লগে লগে ৰাঙলীয়ে আলিবাটৰ ফালে নগৈ গোহালীত সোমাবলৈ চেষ্টা কৰিলে। তাইক গোহালীত সোমোৱাৰ পৰা বাধা দিবৰ কাৰণে ৰসেশ্বৰে তাইক যথেষ্ট ঠেলা-হেচাঁ আৰু মাৰ-পিট কৰিব লগা হ'ল। সেই দৃশ্য দেখি ৰসেশ্বৰৰ ঘৈণীয়েকৰ হিয়াখন ভাগি একেবাৰে টুকুৰা-টুকুৰি হৈ গ'ল। ৰাঙলী যেতিয়া চকুৰ আঁৰ হ'ল, ৰসেশ্বৰৰ ঘৈণীয়েকৰ মনত অনুভব হ'ল—যেন এজনী গাই গৰুক নহয়, নিজৰ বৰ জীয়েককহে তাই চিৰকালৰ কাৰণে পৰৰ ঘৰলৈ বুলি বিদায় দিলে। শোকৰ খুন্দাত থিৰেৰে থিয় হৈ ৰব নোৱাৰি তাই ঠাইতে মাটিত বহি পৰিল।

# সাত

বাওলীক বেচি পোৱা ১০০ টকাৰ ৫০ টকা বাপুৰাম শইকীয়াক আৰু ৩০ টকা চব-ডেপুটি হাকিমৰ মদৰ বটল আৰু কুকুৰাৰ কাৰণে ডিম্বেশ্বৰ মণ্ডলক দি ৰসেশ্বৰৰ হাতত বাকী থাকিল কুৰিটা মাত্র টকা। মণ্ডলে টকা ত্রিশটা লবই খুখুজিছিল। 'চুতীয়া, তোমাক দেখোন আগতেই হিচাব দিছিলো যে কম পক্ষেও পয়ত্রিশটা টকা লাগিবই। এতিয়া তুমি যে মোক মাত্র ত্রিশটা টকাহে দিলা। বাকী পাঁচ টকা মোৰ নিজৰ জেপৰ পৰাহে খৰচ কৰিব লাগিব নেকি?' ৰসেশ্বৰে মণ্ডলৰ হাতে-ভৰিয়ে ধৰি ক'লে—'ককাইদেউ, আপোনাক পয়ত্রিশ টকা দিলে মোৰ হাতত থাকেগৈ মাত্র পোন্ধৰটা টকা। সেই পোন্ধৰ টকা লৈ মই কোনটো সাহেবে গোচৰ তৰিবলৈ যাওঁ? মই লাগে এদিন আপোনাৰ ঘৰত হাজিৰাকে খাটি দিমহি, নহলেবা মোকৰ্দমাটো জিকাৰ পিছত কিবা এটা উপায় কৰি বাকী টকা পাঁচটাৰ ধাৰ পৰিশোধ কৰিমহি। এইবাৰলৈ আপুনি মোক ৰেহাই দিয়ক।' মণ্ডলে কোনোমতেই নেৰে। বহুতো খট্-বান্ধ্ কৰাৰ মূৰত ঠিক হ'ল যে কুকুৰাটোৰ দামৰ পৰিবৰ্তে ৰসেশ্বৰে ঘৰৰে হাঁহ এজনী আনি মণ্ডলক দি যাবহি; হাকিমে যদিও কুকুৰাৰ মাংসহে বেচি পছন্দ কৰে, তথাপি এই যাত্রালৈ মণ্ডলে তেওঁক হাঁহৰ মাংসৰে জুটি লৈ চাবলৈ যেনে-তেনে বাধ্য কৰিব।

হাকিমৰ লেঠাটো তেনেকৈ মৰিল। বাপুৰাম শইকীয়াৰ ঘৰলৈ গৈ ৰসেশ্বৰ আৰু এটা বিপদত পৰিল। শইকীয়াই কোনোমতেই ৰসেশ্বৰৰপৰা টকা লব নোখোজে। শইকীয়াৰ মুখত কেৱল

একেটা কথা : 'এইবোৰ হ'ল আইন-কানুনৰ কথা, আইনৰ ধাৰা মতে সকলো কথাৰ বিচাৰ হব। আইনখন যদি তোমাৰ ফালে থাকে, তেন্তে হেনেও তুমি মাটি পাবা। কিন্তু আইন যদি তোমাৰ বিপক্ষত থাকে, তেন্তে টকা লৈয়ো মই তোমাৰ একো উপকাৰ কৰিব নোৱাৰিম।' ৰসেশ্বৰে বাপুৰাম শইকীয়াৰ ধৰ্ম-নিষ্ঠা দেখি সাতবাৰ-মান তেওঁক প্ৰণাম জনালে। যাচি দিলেও টকা লব নোখোজে আজিৰ জগতত এনেকুৱা মানুহ কেইজন আছে? ডিম্বেশ্বৰ মণ্ডলে মিছাকৈয়ে এনে এজন মানুহৰ বদনাম্ ৰটি ফুৰিছে। কিন্তু বাপুৰাম শইকীয়াই যিমানেই আইনৰ কথা নকওক কিয়, ৰসেশ্বৰৰ মনত দৃঢ় ধাৰণা যে টকাৰ তেল ঢালিলেহে আইনৰ শলিতাডাল জ্বলিব, নহলে সি জ্বলিলেও লগে লগে নুমাই যাব। জীৱনত নিজে সি মেল-মোকৰ্দমা কৰি পোৱা নাই সঁচা, কিন্তু উপজিবৰে পৰা উঠোতে-বহোতে সকলোৰে মুখত সি শুনি আহিছে যে খোজে পতি টকা ঢালিব নোৱাৰিলে চৰকাৰৰ ঘৰৰ ফালে আগ নবঢ়াই ভাল। বাপুৰাম শইকীয়াই টকা লব নোখোজাৰ অৰ্থই হব যে তাৰ হৈ মাত মাতিবলৈ তেওঁৰ ইচ্ছা নাই। সি গল-বস্ত্ৰ হৈ বাপুৰাম শইকীয়াৰ প্ৰায় ভৰিত পৰাৰ দৰে কৰি ক'লে—'আইন যিফালে থাকে থাকক দেউতা, কেৱল আপুনি মোৰ ফালে থাকিলেই হ'ল। বহুত কষ্টেৰে টকা কেইটা যোগাৰ কৰি আপোনালৈ আনিছো, ইয়াতকৈ বেছি আগ বঢ়াবলৈ মোৰ শক্তি নাই। আপুনি টকাকেইটা নাৰাখিলে মই বুজিম যে মোৰ হৈ মাত এষাৰ মাতিবলৈ আপোনাৰ ইচ্ছা নাই। মই মণ্ডলৰ মুখত শুনিছো, দুখীয়া আধিয়াৰৰ হৈ হক্ কথা কবলৈকে চৰকাৰে আপোনাক বোৰ্ডৰ মেম্বৰ পাতিছে। এতিয়া আপুনিয়ে যদি মোৰ হৈ মাত এষাৰ নামাতে তেন্তে আন কোনে মাতিব দেউতা? মই আপোনাৰ ভৰিত ধৰি কাকুতি কৰিছো, টকা কেইটা আপুনি ৰাখক। নহলে আজি মই ঘৰলৈ ঘুৰি নাযাওঁ, আপোনাৰ ভৰিৰ ওচৰতে পৰি থাকিম।'

ডিম্বেশ্বৰ মণ্ডল যি বিপদত পৰিছিল, বাপুৰাম শইকীয়াও ঠিক সেই একে বিপদতে পৰিল। সনাতন শৰ্মাই ইয়াৰ আগতেই আহি তেওঁক টকা এশটা দি গৈছে। সেই টকা লবলৈ তেওঁৰ অকণো সংকোচ হোৱা নাছিল। তেওঁ জানে যে আইনে যিহকেই নকওক, পুলিচে বা হাকিমে সনাতন শৰ্মাৰ ফালেহে কথা কব। আধিবোৰ্ড সনাতনৰ বিপক্ষে গলেও সনাতনে ৰসেশ্বৰক জজৰ কোৰ্টলৈকে চোচোৰাব; কিন্তু দৌৰি যোৱা মানুহ এটাই মটৰ-গাড়ী এখনক যেনেকৈ প্ৰাণ টাকি ধপলিয়াইয়ো লগ ধৰিব নোৱাৰে, তেনেকৈ ৰসেশ্বৰেও সনাতনক মোকৰ্দমাৰ দৌৰত কোনোদিনেই লগ ধৰিব নোৱাৰিব। লাভৰ মূৰত সি আধা-বাটতে মুছকছ্ গৈ প্ৰাণ হেৰুৱাব। গতিকে সনাতনৰ পৰা টকা খালেও সেই টকা বদ-হজম হোৱাৰ কোনো ভয় নাই। কিন্তু ছাল-ছিগা ভিকহু ৰসেশ্বৰৰ টকা খালে তেওঁ তাৰ কাম কৰি দিব পৰাৰ কোনো আশা নাই। ভৰিৰ কাষত পৰি থকা দহটকীয়া নোট্ পাঁচখনলৈ কেৰাহীকৈ চাই চাই বাপুৰামে নিজৰ মনৰ ভিতৰতে বহুতপৰ যুদ্ধ কৰিলে। ঘৰলৈ উপযাচি অহা লখিমীক ভৰিৰে ঠেলি দিব নাপায়. ইফালে আকৌ পাপৰ ভয়ো মনৰ পৰা সমূলি দূৰ হোৱা নাই। টকাকেইটা নলবলৈ তেওঁ শেষ বাৰৰ কাৰণে চেষ্টা কৰিলে। 'শুনা চুতীয়া, তোমাৰ হৈ যি কব লাগে মই এনেয়েও কম, তাৰ কাৰণে তুমি মোক টকা দিব লাগিছে কিয়? আইনখন যদি তোমাৰ ফালে থাকে, তেন্তে হেনেও তুমি মাটি পাবা। তাৰ কাৰণে তুমি টকা খৰচ কৰিব লাগিছে কিয়? মই তোমাৰ পৰা কেতিয়াও টকা লব নোৱাৰো।'

শেষৰ কথাকেইটা বাপুৰাম শইকীয়াৰ মুখৰ পৰা ইমান জোৰেৰে ওলাই গ'ল তেওঁ নিজেই বৰ আচৰিত হৈ গ'ল।

বাপুৰামৰ কথা শুনি ৰসেশ্বৰৰ মনত ভীষণ ভয় সোমাল। টকা নোলোৱাকৈ আজিৰ দিনত কোনে কাৰ কি কাম কৰি দিয়ে? বাপুৰাম শইকীয়াই তাৰ পৰা টকা লবলৈ অস্বীকাৰ কৰাৰ অৰ্থই

হ'ল এই যে তেওঁ ইতিমধ্যেই তাৰ বিপক্ষাচৰণ কৰিবলৈ ঠিক কৰি ৰাখিছে। সি পোন হৈ বহি বাপুৰামৰ চকুলৈ চাই উত্তেজিত হৈ ক'লে—'আপুনি মোক আইনৰ কথা নকব দেউতা। আইন মতেই সংসাৰখন চলা হলে যি দৰা মাটি মোৰ সাত-পুৰুষৰ সম্পত্তি, যি দৰা মাটিক মই মোৰ মাইকীজনীতকৈ বেচি ভালকৈ চিনি পাওঁ, যি দৰা মাটিত সনাতন শৰ্মাই জীৱনত ভৰি দি পোৱা দূৰৰ কথা—মাটিদৰাৰ চাৰিসীমাটো পৰ্য্যন্ত কব নোৱাৰিব,—সেই মাটিত চেটেলমেণ্টত তেওঁৰ নামত পট্টা লাগিল কেনেকৈ? এনে এটা অঘটন আইনে কৰা নাই দেউতা; টকাই কৰিছে, টকাই কৰিছে। আপুনি মোক একে আষাৰে খুলি কওক দেউতা—আপুনি মোৰ টকা ৰাখিবনে নাৰাখে? যদি নাৰাখে, তেতিয়া বুজিম যে আপুনি ইতিমধ্যেই সনাতন ঠিকাদাৰৰ পৰা টকা খাইছে। তেতিয়া আৰু অৱশ্যে মোৰ কবলৈ একো কথা নাই।'

ৰসেশ্বৰৰ কথা শুনি আৰু মুখৰ ভংগী দেখি বাপুৰাম শইকীয়াৰ বুকুখন সামান্য কঁপি উঠিল। বেচি কথা নবঢ়াই তেওঁ ল'ৰালৰিকৈ মাত লগালে—'তোমাৰ ভালৰ কাৰণে কথা কওঁতে তুমি ওলোটাটোহে বুজিলা। নলওঁ বুলি কলেও গাৰ জোৰেৰে টকা গুজি দিলে মই আৰু কি কৰিম? কিন্তু সনাতন ঠিকাদাৰৰ লগত তুমি যুজ কৰিবলৈ যোৱাটো মাখি হৈ হাতীৰ লগত যুজ কৰিবলৈ যোৱাৰ দৰে হৈছে। পিছত কিন্তু যদি টকা দিয়াৰ একো ফল নধৰে, মোক কিন্তু নুদুষিবা। এতিয়াই কৈ থলো।'

বাপুৰাম শইকীয়াই টকাকেইটা মাটিৰ পৰা বুটলি লোৱাত ৰসেশ্বৰে স্বস্তিৰ এটা দীঘল নিশ্বাস এৰিলে। ডাঙৰ যুজ এখনত জয় লাভ কৰাৰ দৰে মুখৰ ভাব এটা কৰি সি উঠি থিয় হৈ আলিবাটৰ ফালে খোজ ললে।

# আঠ

ৰসেশ্বৰে টকা পইছা যোগাৰ কৰি মোকৰ্দমা তৰিবলৈ সাজু হয় মানে শাওণমাহ প্ৰায় শেষ হবৰ হলহি। শাওণৰ ৪ তাৰিখে সেইযে বৰষুণ আৰম্ভ হ'ল, তাৰ পিছৰ পৰা আৰু বৰষুণৰ খটি-খুন হোৱা নাই। ন-পানী পৰাৰ লগে লগেই ভেকুলীবোৰে সমস্বৰে টোৰ-টোৰাবলৈ আৰম্ভ কৰাৰ দৰে গাৱঁৰ খেতিয়কবোৰৰ মাজতো এটা বিৰাট ব্যস্ততা আৰু চাঞ্চল্য জাগি উঠিল। পুৱতি-নিশাৰ পৰা দিনৰ ভৰ-দুপৰলৈকে গুচৰৰ আটাইকেইখন পথাৰ হাল-বোৱা মানুহৰ চিঞৰ-বাখৰেৰে মুখৰিত হৈ থাকে: হেই হেই, ঘুৰ্ ঘুৰ্, উস্ এই মৰাটো কটা, নাঙলটোকে সি টানিব নোৱাৰে, ঘুৰ্ কজলা ঘুৰ্—ইত্যাদি। ঝম্ ঝম্ বৰষুণৰ শব্দ, কলাফুলীয়া পানীত গৰু আৰু মানুহৰ খোজ কঢ়াৰ ছলাং ছলাং শব্দ, হালোৱাবোৰৰ মুখত হেই হেই ঘুৰ ঘুৰ শব্দ—সকলো মিলি এটা অদ্ভুৎ সুৰ-সমলয়, খেতিয়কৰ জীৱনৰ ছন্দত যেন এটা নতুন উন্মাদনা জগাই তোলে। দিন যায় মানে ৰসেশ্বৰ যন্ত্ৰণাত পাগল হৈ উঠিল। বৰষুণৰ পানী পাই ৰসাল আৰু কোমল হৈ উঠা তাৰ মাটি দৰাই দুৰ্নিবাৰ আকৰ্ষণৰে তাক টানিবলৈ ধৰিছে, বিয়াৰ পিছতে ন-ঘৈণীৰ বিছনাখনেও আনকি তাক তেনেকৈ টানিব পৰা নাছিল; কিন্তু তাৰ কি পোৰা-কপাল যে যি সময়ত লগৰ সকলো খেতিয়কে মনৰ উলাহেৰে ৰাতিক দিন কৰি হাল বাই মাটি বোকা কৰিছে, সি সেই সময়ত চব-ডেপুটি, মণ্ডল আৰু আধিবোৰ্ডৰ মেম্বৰৰ ঘৰে ঘৰে টকাৰ টোপোলা যাচি পাগলৰ

দৰে ঘুৰি ফুৰিছে। বৰং ঘুৰি ফুৰাটোৱেই বেচি ভাল, যিখিনি সময় সি ঘৰত থাকে সেইখিনি সময়ত সি আৰু বেচি পাগল হৈ পৰে। ৰাতিপুৱা সি পিৰালীতে পীৰা এখনত বহি উদাস দৃষ্টিৰে সমুখৰ আলিবাটলৈ চাই থাকে। তাৰ চকুৰ আগেদিয়েই এটা এটাকৈ গাৱঁৰ মানুহবোৰে গৰুবোৰ প্ৰায় দৌৰাই দৌৰাই পথাৰলৈ ঢাপলি মেলে; পিৰালীত ৰসেশ্বৰক জুপুকা মাৰি বহি থকা দেখি কোনোবা একোটাই বিশেষ একো নভবা-নিচিন্তাকৈ হঠাৎ চিঞৰ মাৰি প্ৰশ্ন কৰি উঠে—'কিহে ৰস-কাই, কিবা অসুখ হৈছেনেকি—হালবাবলৈ যে ওলোৱা নাই?' ৰসেশ্বৰে একো উত্তৰ নিদিয়ে। অৱশ্যে তাৰ উত্তৰ শুনিবৰ কাৰণে কোনেও বাট চাইয়ো নাথাকে। কিন্তু মানুহবোৰৰ হাল বাবলৈ যোৱাৰ দৃশ্য আৰু সিহঁতৰ প্ৰশ্নই ৰসেশ্বৰক যন্ত্ৰণাত পাগল কৰি তোলে। দাঁত-মূৰ কামুৰি সি নীৰৱ আৰু নিশ্চল হৈ বহি থাকে। মাজে মাজে একোজাক সজল বতাহ বৈ আহে। সেই বতাহত সি কুকুৰৰ নিচিনাকৈ এটা পৰিচিত গোন্ধ অনুভব কৰিবলৈ চেষ্টা কৰে: পথাৰৰ বোকাৰ গোন্ধ, গেলা ঘাঁহৰ গোন্ধ, বৰষুণত ভিজি হালোৱা গৰুৰ গাৰ পৰা ওলোৱা গোন্ধ। গোন্ধটো নাকত লগাৰ লগে লগেই ৰসেশ্বৰ আৰু বেচি পাগল হৈ উঠে। তাৰ একোবাৰ এনে ইচ্ছা হয় যে কাৰো একো বাধা-বিঘিনি নামানি সি যেন পথাৰত হাল জুৰিবগৈ, আৰু সনাতনে বাধা দিবলৈ আহিলে তাক কপি-দাৰ একেটা ঘাপতে দুছেও কৰি পেলাব। কিন্তু তাৰ এই মৰ-সাহ বেচি পৰ স্থায়ী নহয়। নৰ-হত্যাৰ অপৰাধত সি যদি ফাটেকত পছিবলৈ হয়, তেতিয়া এবাঁহ আমা-দিমা ল'ৰা-ছোৱালীৰে সৈতে ঘৈণীয়েকজনীৰ কি আলাই-আঠানি হব সেই দৃশ্য কল্পনা কৰি তাৰ মনটো আপোনা-আপুনি কোঁচ খাই আহে। তদুপৰি সনাতন ঠিকাদাৰৰ জানো কম প্ৰতাপ, এই মৌজাখনত তেওঁক ৰজা বুলিলেই হয়। মন্ত্ৰী, এম-এল-এ বৰ চাহাব আহিলেও তেওঁৰ ঘৰতহে খোৱা-বোৱা কৰে। সেই কাৰণে পুলিচৰ ডাৰোগাৰ পৰা আৰম্ভ

কৰি সকলো চৰকাৰী কৰ্মচাৰীয়েই তেওঁক বাঘ দেখাৰ দৰে দেখে, তেওঁৰ আঙুলীৰ চিঞৰতে সিহঁতে উঠা-বহা কৰে। এনে এজন মানুহৰ লগত সি নিচলা মানুহটোৱে কি সাহেৰে ফেপেৰি পাতি ধৰিব ? সনাতন ঠিকাদাৰৰ তুলনাত সি হাতীৰ আগত মাখিটোতকৈ অলপমান স'ৰু হলেও ডাঙৰ নহয়।·····কৰিবলৈ একো উপায় বিচাৰি নাপাই ৰসেশ্বৰে নিজৰ মঙহ নিজেই কামুৰি যন্ত্ৰনাত ছট্‌ফটাই থাকে।

তামোল-পান এটা আৰু পইচা চাৰি অনালৈ ৰসেশ্বৰে এদিন দলৈ-চুক গাওঁৰ জনাৰ্দন বাপুৰ ওচৰত ভাল দিন এটা চোৱাবলৈ গ'ল। বাপুৱে পাঁজি-পুথি চাই সিদ্ধান্ত দিলে যে ২৯ শাওণৰ বৃহস্পতি বাৰটো মোকৰ্দমা তৰিবৰ কাৰণে ভাল দিন। সেই দিনা মোকৰ্দমা তৰিলে তাৰ জয় হবই হব। সেইদিনা ৰাতিপুৱাই গা-পা ধুই সি ভগবান, সত্ৰৰ গোঁসাই আৰু ন-পুৰুষৰ উদ্দেশ্যে সেৱা এটা কৰি চৰ-ডেপুটি হাকিমৰ কাছাৰীত গোচৰ দিবৰ কাৰণে ঘৰৰ পৰা যাত্ৰা কৰিলে। ৰসেশ্বৰৰ ঘৈণীয়েকে গিৰীয়েকক নজনোৱাকৈয়ে মনে মনে সংকল্প ললে যে মোকৰ্দমাত জিকিলে তাই আই কামাখ্যালৈ এপাহ সোণৰ ফুল আগ বঢ়াব।

## ন

ৰসেশ্বৰে জীৱনত মেল-মোকৰ্দ্দমা একো কৰি পোৱা নাই, কাছাৰীত কাৰ ওচৰত কি কৰিব লাগে সি একো নাজানে। ডিম্বেশ্বৰ মণ্ডলে শিকাই দিয়া মতে সি প্ৰথমে তৰনি এজনৰ ওচৰলৈ গ'ল।

তাৰ গোটেই কথাবোৰ কৈ মেলি তৰনি জনৰ হতুৱাই দৰ্খাস্তখন লিখাওঁতে প্ৰায় এঘণ্টামান সময় লাগিল। দৰ্খাস্ত লিখি শেষ কৰি তৰনিয়ে টিকটৰ দাম কাগজৰ দাম আৰু লিখাৰ খৰচ বুলি দহটা টকা দাবী কৰিলে। ৰসেশ্বৰৰ মনত এটা ভয় লাগিয়েই আছিল যে কাছাৰীৰ আও-ভাও নোপোৱা অঁকৰা মানুহ বুলি তৰনি-মহৰীয়ে নিশ্চয় তাক ঠগি লবলগীয়াতকৈ বেচি টকা আদায় কৰিব। সি দহ টকাৰপৰা কেইটামান টকা কমাবলৈ বহুতো খট্-বান্ধ্ কৰি চেষ্টা কৰি চালে। কিন্তু তৰনি কোনোপধ্যেই সৈমান ন'হল। অৱশেষত সি টকা দহটা তৰনিক দি দৰ্খাস্তখন লৈ হাকিমৰ অফিচৰ ফালে আগবাঢ়িল। তাৰ জেপত টকা বাকী থাকিল আৰু মাত্ৰ পাঁচটা। এটা অজানা ভয়ত তাৰ বুকুখন ধপ্‌ধপাবলৈ ধৰিলে। খেৰৰ ছালিৰ তলত ঠেং-ভগা চকীত বহি তৰনিগিৰি কৰা মানুহ-জনকেই যদি দহটা টকা দিব লগা হয়, তেন্তে অফিচৰ পকী-ঘৰত ডাঙৰ ভাল চকীত বহি থকা কেৰাণী হাকিমক বা আৰু কিমান টকা দিব লগা হয়!

কেৰাণীবাবুৰ অফিচ-কোঠাৰ দুৱাৰমুখত থিয় হৈ ৰসেশ্বৰে দেখিলে—কেৰাণীবাবুৱে বাওঁহাতেৰে জুইশলা এডালেৰে কাণ এখন

খজুৱাই খজুৱাই সোহাঁতেৰে কলমডাল ধৰি ওচৰত থিয় হৈ থকা মানুহ এজনক খুব খঙেৰে কিবাকিবি কথা কৈ আছে। তেওঁৰ টেবুলত অজস্ৰ কাগজ-পত্ৰ। কেৰাণীবাবুৰ মূৰ্ত্তি দেখিয়েই ৰসেশ্বৰৰ চুৰ্ত্তি হেৰাবৰ উপক্ৰম হ'ল। সি ভয়ে ভয়ে দুৱাৰমুখতে কিছু সময় থিয় হৈ ৰ'ল। তাক দেখি কেৰাণীৰ ওচৰত থকা মানুহজনে জেপৰ পৰা চিগাৰেটৰ পেকেট এটা উলিয়াই কেৰাণীৰ সমুখতে থৈ সাউৎ কৰে বাহিৰলৈ ওলাই গ'ল। কেৰাণীবাবুৱে ৰসেশ্বৰৰ উপস্থিতিলৈ ভ্ৰুক্ষেপ নকৰি খচ্খচ্ কৰে কিবা এটা লিখিবলৈ আৰম্ভ কৰিলে।

মৰণত শৰণ দি এইবাৰ ৰসেশ্বৰে কেৰাণীৰ টেবুলৰ ওচৰত গৈ থিয় দি মাত লগালে—'বাবু, দৰ্খাস্তখন চাওকচোন।'

কেৰাণীয়ে ৰসেশ্বৰৰ কথালৈ কাণ নিদি একমনে লিখি যাবলৈ ধৰিলে। কিছু সময়ৰ মূৰত ৰসেশ্বৰে ভয়ে ভয়ে আকৌ মাত লগালে, 'বাবু'—

কেৰাণীয়ে এইবাৰ ধমক্ দি উঠিল—'কি বাবু বাবু কৰি চিঞৰি আছা? দেখা নাইনে মই কিবা এটা জৰুৰী কথা লিখি আছোঁ?··· চাওঁ দিয়া, কিহৰ দৰ্খাস্ত আনিছা···অ' আধি-কেচৰ দৰ্খাস্ত। দৰ্খাস্তখন থৈ যোৱা। আৰু এসপ্তাহৰ পিছত আহি কেতিয়া দিন পৰে জানি যাবাহি। এতিয়া যোৱা। আজি মোৰ বহুত জৰুৰী কাম আছে।'

কেৰাণীৰ কথা শুনি ৰসেশ্বৰৰ মূৰত স্বৰগ ভাগি পৰাৰ দৰে অৱস্থা হ'ল। মোকৰ্দমাৰ দিন কেতিয়া পৰে সেইটো জানিবলৈকে যদি আৰু এসপ্তাহৰ পিছতহে আহিব লাগে, তেন্তে মোকৰ্দমা কাছাৰীত উঠেমানে দেখোন ভাদমাহ শেষ হৈ যাব। তাৰ মনত বিশ্বাস আছিল যে দৰ্খাস্ত দিয়াৰ লগে লগেই এসপ্তাহমানৰ মূৰতে মোকৰ্দমাৰ দিন পৰিব আৰু একেদিনাই মোকৰ্দমা শেষ হৈ যাব। তেতিয়া সি মাটিখিনি পুৰাকৈ নোৱাৰিলেও আধা-আধি বোকা কৰি হলেও আহিনৰ প্ৰথম সপ্তাহত অন্ততঃ কঠীয়া কেইডালমান গোঁজ

মাৰি থব পাৰিব ; কিন্তু মোকৰ্দ্দমা ছিগি শেষ হয় মানে যদি ভাদ-মাহটো পাৰেই হৈ যায়, তেন্তে এই বছৰ সি খেতি কৰিব কেনেকৈ ? খেতি কৰিব নোৱাৰিলে সি পৰিয়ালটোক জীয়াই ৰাখিব কেনেকৈ ? হাতজোৰ কৰি সি কাতৰ স্বৰেৰে কেৰাণীক ক'লে—'মোৰ সৰ্বনাশ হৈছে দেউতা। মাটিডৰা সোনকালে মুকলি কৰি খেতিটো কৰিব নোৱাৰিলে মই নিগমে মৰিম। আপুনি সাতোটা ল'ৰা-ছোৱালীৰ বধৰ ভাগী নহব দেউতা। আজিয়েই মোক মোকৰ্দ্দমাৰ দিনটো দিয়ক আৰু এসপ্তাহ মানতে মোকৰ্দ্দমাটো শেষ হোৱাৰ ব্যৱস্থা কৰক। এইকণ উপকাৰ মোক কৰি দিয়ক দেউতা ; মই গোটেই জীৱন আপোনাৰ চৰণৰ দাস হৈ থাকিম।'

কেৰাণীবাবুৱে চকীখনত পোন হৈ বহি ৰসেশ্বৰৰ মুখলৈ চাই এটা নিৰ্মম বিদ্ৰূপৰ হাঁহি মাৰিলে। তেওঁ জীৱনত বহুতো মানুহ দেখিছে, কিন্তু এইটোৰ নিচিনা আও-গাঁৱলীয়া অলগৰ্দ্ধ ভূত কেতিয়াও দেখা নাছিল। বিদ্ৰূপৰ মাতেৰে তেওঁ ক'লে—'হেৰা ভকত, তুমি এইখন পকামিঠৈৰ দোকান পাইছা নেকি যে পইচা পেলাই দিবা আৰু পকামিঠৈ লৈ যাবা ? এইখন কাছাৰী বুজিছা, কাছাৰী। ভুকুতে কল পকিলেও ইয়াত ভুকুতে মোকৰ্দ্দমাটো নপকে। তোমাৰ মোকৰ্দ্দমা এসপ্তাহ কিয়—এবছৰতো শেষ হোৱাৰ আশা নাই। সত্তৰ চনতে দিয়া মোকৰ্দ্দমাই এতিয়ালৈকে একুৰিমান পৰি আছে ; আৰু তুমি আজি দৰ্খাস্তখন দিয়েই কাইলৈ মোকৰ্দ্দমাটো শেষ কৰিবলৈ বিচাৰা। দৰ্খাস্তখন থৈ তুমি এতিয়া যোৱা। আৰু এসপ্তাহমানৰ পিছত খবৰ এটা কৰিবা।'

কথাখিনি শেষ কৰি কেৰাণীবাবুৱে আকৌ লিখিবলৈ বুলি কলম-ডাল হাতত তুলি ললে, কিন্তু হঠাৎ টেবুলৰ ওপৰত পৰি থকা চিগাৰেটৰ পেকেট্‌টোলৈ চকু যোৱাত চিগাৰেট এটা জ্বলাই লবলৈ মন কৰি তেওঁ পেকেটটো খুলিলে। পেকেট্‌টো খুলিয়েই তেওঁ খপহ্‌ কৰে বৈ গ'ল। চিগাৰেটৰ পেকেটটোত চিগাৰেটৰ পৰিবৰ্ত্তে

আছে এখন দহটকীয়া নোট। কেৰাণীবাবুৱে ঈষৎ অপ্ৰস্তুত হৈ ৰসেশ্বৰৰ মুখলৈ চালে আৰু ৰসেশ্বৰৰ বিস্মিত মুখ-ভংগী দেখি তেওঁৰ হঠাৎ খং উঠি গ'ল। খঙত জকজকাই উঠি তেওঁ ভেকাহি মাৰি ক'লে—'তোমাক যাবলৈ কৈছিলো নহয়। কাণেৰে ভালকৈ শুনি নোপোৱা নেকি? কামৰ সময়ত এনেকৈ দিগদাৰ কৰি থাকিলে তোমাৰ মোকৰ্দমা ভাল নহব কিন্তু।'

মোকৰ্দমা ভাল নোহোৱাৰ কথা শুনি ৰসেশ্বৰৰ তালু ফুটি জীউ যোৱাৰ দৰে অৱস্থা হ'ল। সি লৰালৰিকৈ কাঁউ-বাউ কৰি ক'লে—'তেনেকৈ নকব দেউতা; আমি গাঁৱলীয়া মুৰুখ মানুহ, নজনাকৈ কিবা দায়-দোষ লগাইছো যদি ক্ষমা কৰিব। আপুনি কেৱল মোৰ কথাতে লাগি থাকিলে কেনেকৈ হব? ব্ৰহ্মাণ্ডখনৰ কাম আপোনাৰ টেবুলত। মই কিবা সেই কথা নাজানোনে? আপুনি কাম কৰক দেউতা, মই আহিলোঁ।'

ৰসেশ্বৰ সপোনত খোজকঢ়া মানুহৰ দৰে এখুজি দুখুজিকৈ গৈ অফিচৰ গেটৰ ওচৰ পালেগৈ। গেটৰ ওচৰৰ নিম গছ জোপাৰ তলত থিয় হৈ সি দীঘলকৈ এটা উশাহ ললে আৰু গোটেই কথাবোৰ চিন্তা কৰি চাবলৈ আৰম্ভ কৰিলে। তাৰ মনত দৃঢ় বিশ্বাস হ'ল যে টকা নাপালে কেৰাণীয়ে সোনকালে মোকৰ্দমাৰ দিন কেতিয়াও নেপেলায়। চিগাৰেটৰ পেকেটত দহটকীয়া নোটখন দেখিয়েই তাৰ মনত সেই ধাৰণা বেচি দৃঢ় হৈছে। সেই মানুহটোকো কেৰাণীয়ে ৰসেশ্বৰক কৰাৰ নিচিনাকৈয়ে প্ৰথমে খুব খং-ৰাগ কৰিছিল; কেৰাণীৰ ধমক্ শুনাৰ পিছতহে মানুহটোৱে চিগাৰেটৰ পেকেটটো টেবুলত পেলাই থৈ আঁতৰি গ'ল। তাৰমানে কেৰাণীক টকা দিয়াৰ এইটোৱেই নিয়ম। কিন্তু তাৰ হাতত টকা মাত্ৰ আৰু পাঁচটাহে আছে। কেৰাণীবাবুৰ ধৰা-বন্ধা নিৰিখেই যদি দহ টকা. তেন্তে মাত্ৰ পাঁচটা টকা দিলে জানো তেওঁ সন্তুষ্ট হব? কিন্তু উপায় কি? কাম সিজক নিসিজক, টকা পাঁচটাকে আগবঢ়াই চাবই

লাগিব। চিগাৰেটৰ খালি পেকেট এটা বিচাৰি সি ওচৰৰ পাণ-চিগাৰেটৰ গুমটি এখনলৈ গ'ল। দোকানী ল'ৰাটোৱে চিগাৰেটৰ খালি পেকেট এটাও তাক দিব নোখোজে। কমেও দুটা চিগাৰেট কিনিলেহে বোলে সি পেকেট এটা দিব। কিন্তু কেৰাণীবাবুক পাঁচটা টকা দিবলৈকে তাৰ ভয় লাগিছে, তেনে স্থলত তাৰো যদি চাৰি অনা পইচা কম হবলৈ হয়, তেন্তে দেৱতাই সন্তুষ্ট হোৱাক ছাৰি অপৰাধ লোৱাৰ ভয়হে বেচি। বহুত কেৰ-জেৰৰ মূৰত দোকানী ল'ৰাটোৱে ৰসেশ্বৰক চাৰমিনাৰ চিগাৰেটৰ পেকেট এটা দলি মাৰি দিলে। তাতে টকা পাঁচটা ভৰাই লৈ ৰসেশ্বৰ আকৌ গৈ কেৰাণীবাবুৰ অফিচৰ দুৱাৰমুখত থিয় হ'লগৈ।

এইবাৰ কেৰাণীবাবুৰ অফিচত দুজন ভাল ভদ্ৰ মানুহ চকীত বহি আছে। ৰসেশ্বৰৰ অজলা মনটোৱেও বুজিলে যে মানুহৰ আগতে চিগাৰেটৰ পেকেটটো দিলে হিতে বিপৰীত হবও পাৰে। সি নিজকে বেৰৰ আঁৰ কৰি থিয় হৈ ৰ'ল। মানুহ দুজনৰ লগত কেৰাণীৰ কথাৰ শেষ নহয়হে নহয়। আটাই কেইজনে কিবাকিবি কথা-বাৰ্ত্তা পাতি আছে আৰু মাজে-মাজে ঢেক্ ঢেক্কৈ হাঁহি মাৰিছে। কেৰাণীবাবুৰ কোমল কথা আৰু হাঁহিৰ ৰগৰ শুনি বিশ্বাস কৰিবলৈকে টান লাগে যে এই মানুহ জনেই অলপ আগতে ৰসেশ্বৰৰ আগত জমদগ্নি মুনিৰ মূৰ্ত্তি ধাৰণ কৰিছিল। এতিয়া দেখোন কেৰাণীবাবুৰ জৰুৰী কামৰ তাগিদাও নোহোৱা হৈ গ'ল। আকাশৰ তৰাৰ লগত টিকাৰ টোপা-খহুৰ ৰিজনি কেনেকৈ হয়—ৰসেশ্বৰে নিজকে সান্ত্বনা দিলে। ভাল-ভদ্ৰ মানুহ এজন আহিলে হাজাৰ চৰকাৰী কাম থাকিলেও কেৰাণীবাবুৱে ভদ্ৰতা কৰি তেওঁলোকৰ লগত দু-আষাৰ কথা পাতিবই লাগিব। দহো আঙুলি যেনেকৈ সমান নহয়, তেনেকৈ সমাজৰ আটাইবোৰ মানুহো কেতিয়াও সমান হব নোৱাৰে। ৰসেশ্বৰে ধৈৰ্য্য ধৰি থিয় হৈ ৰ'ল। কিন্তু এঘণ্টামান সময় পাৰ হৈ গ'ল, মানুহ কেইজনৰ কথা-বাৰ্ত্তা শেষ নহয়হে নহয়। ৰসেশ্বৰে

মাজে-মাজে তেওঁলোকৰ কথা-বাৰ্ত্তা কাণ পাতি শুনি বুজি পাইছে যে তেওঁলোকে কোনো চৰকাৰী কামৰ কথা পতা নাই। কিবা পছু-চিকাৰলৈ যোৱাৰ কথাহে পাতি আছে। একে ঠাইতে থিয় হৈ থাকি থাকি ৰসেশ্বৰৰ ভৰি বিষাবলৈ আৰম্ভ কৰিলে, লগতে তাৰ কেইবাটাও হামিও আহিল। সংসাৰত সৰু মানুহ হৈ ওপজাৰ কি কষ্ট আৰু অপমান—সেই কথা আজিহে যেন সি ভালকৈ উপলব্ধি কৰিলে। বহুত সময় ৰৈ থাকি থাকি আমনি লাগি এবাৰ সি দুৱাৰ মুখেদি ভুমুকি মাৰি কেৰাণীবাবুৰ ফালে চাই পঠিয়ালে। তাৰ মুখত চকু পৰা মাত্ৰেই কেৰাণীবাবুৱে হাঁহি বন্ধ কৰি গহীন মুখেৰে এটা বজ্ৰ-দৃষ্টি নিক্ষেপ কৰিলে। মুখত চাবুকৰ কোব খোৱাৰ দৰে সি তৎক্ষণাৎ পিছ হুহকি আহি আকৌ বেৰৰ আঁৰত আত্মগোপন কৰিলে।

অসীম ধৈৰ্য্যেৰে ৰসেশ্বৰে অপেক্ষা কৰিবলৈ ধৰিলে। কিমান সময় পাৰ হৈ গৈছিল ৰসেশ্বৰৰ সেইবোৰ হিচাব নাই, কিন্তু তাৰ অনুভব হবলৈ ধৰিলে যেন অনন্তকাল ধৰি সি একেঠাইতে অপেক্ষা কৰি আছে। কেৱল যে মুহূৰ্ত্তবোৰহে পাৰ হৈ গৈছে এনে নহয়, কেৰাণীবাবুৱে পছু-চিকাৰৰ গল্পত মছগুল হৈ থাকেমানে তাৰ খেতিৰ বতৰো হো-হোকৈ পাৰ হৈ যাব ধৰিছে। ৰৈ থাকি থাকি আমনি লাগি সি মুহূৰ্ত্তে মুহূৰ্ত্তে হামিয়াবলৈ আৰম্ভ কৰিলে, বাৰান্দা-খনতে কেইবাবাৰমান খোজ চলালে, পৰ্দাৰ ফাকেদি দুবাৰমান ভিতৰলৈ ভুমুকিয়াই চালে, আৰু অৱশেষত এটা প্ৰকাণ্ড আৰ্তনাদ কৰি উঠিবলৈ তাৰ মন গ'ল। ঠিক তেনে সময়তে খাকী কাপোৰ পিন্ধা মানুহ এটাই হাতত এবোজা কাগজ লৈ হাকিমৰ কোঠাৰপৰা ওলাই আহি কেৰাণীবাবুৰ কোঠাত সোমাব খোজোতেই ৰসেশ্বৰৰ গাত খুন্দা-খুন্দি লাগিল। খঙতে মানুহটোৱে ধমকি দি উঠিল—'ক'ৰ অন্ধলা অ, এইটো। 'অফিচৰ দুৱাৰ মুখত জুমা-জুমি কৰি কি কৰিছ? বাহিৰ হ ইয়াৰ পৰা।'

পিয়নৰ ধমক শুনি ৰসেশ্বৰৰ ইমান ভয় লাগিল যে বহুত সময়লৈকে তাৰ বুকুখন টিপ টিপাই থাকিবলৈ ধৰিলে। কিছু সময়ৰ মূৰত পিয়নটো ওলাই আহি আকৌ হাকিমৰ কোঠাৰফালে যাব খোজোতেই ৰসেশ্বৰে মৰণত শৰণ দি চোঁচা মাৰি গৈ পিছ ফালৰপৰা কাতৰ স্বৰেৰে তাক মাত লগালে—'পিয়নবাবু!'

পিয়নটোৱে থমকি বৈ ঘুৰি চালে। ৰসেশ্বৰৰ মূৰৰপৰা ভৰিলৈকে বিজুলী বেগেৰে এবাৰ নিৰীক্ষণ কৰি তাৰ অভিজ্ঞ হিচাবী দৃষ্টিত মুহূৰ্ত্ততে এটা বেলেগ ভাব ফুটি উঠিল। নিজৰ গুৰুত্ব বঢ়াবৰ কাৰণে সি মুখত এটা গাম্ভীৰ্য্য আৰু ব্যস্ততাৰ ভাব আনিবলৈ চেষ্টা কৰি মাত লগালে—'কি কব খুজিছিলা?'

পিয়নৰ ভাব-ভংগী দেখি ৰসেশ্বৰে মৰা দেহলৈ প্ৰাণ অহা যেন অনুভব কৰিলে। মাতটোত যিমান পাৰে কাতৰতা ঢালি সি ক'লে—'বৰ ডাঙৰ বিপদত পৰিছো পিয়নবাবু। মই বুজিছোঁ, আপুনি ৰক্ষা নকৰিলে মোক ৰক্ষা কৰোতা কোনো নাই। মোৰ আধি-মোকৰ্দ্দমাৰ তাৰিখটো······'

পিয়নটোৱে ইফালে-সিফালে পুলুক-পালাককৈ চাই ক'লে—'এই ফালে আহাঁ।'

দুয়ো গৈ তৰনি-মহৰী বহা চালি-ঘৰটোৰ নিৰ্জন কোণ এটা চাই বেঞ্চ্ এখনত বহিল। বহিয়েই পিয়নে মাত লগালে—'বিড়ী-চিগাৰেট কি আছে এটা উলিওৱাচোন। উস্, কামৰ প্ৰতাপত আজি দিনৰ দিনটো চিগাৰেট এটা খাবলৈ সময় পোৱা নাই।' —কথাষাৰ কৈ পিয়নে জেপৰপৰা ৰুমালখন উলিয়াই নিজৰ মুখখন বিচিবলৈ ধৰিলে।

ৰসেশ্বৰে ভয়ে ভয়ে ক'লে—'পিয়ন বাবু, আমি গাঁৱলীয়া চহা মানুহ, চিগাৰেট খোৱাৰ ক'ত সাধ্য আছে। চাদা-চুৰট এটাকে ধৰিব নেকি?'—কথাষাৰ কৈয়েই অতি সংকুচিতভাৱে সি জেপত হাত ভৰালে।

পিয়নে মুখত বিৰক্তি প্ৰকাশ কৰি ক'লে—'ঘৰত যি খোৱা খাই থাকা, কিন্তু অফিচ-কাছাৰীলৈ আহিলে জেপত চিগাৰেট এপেকেট থাকিবই লাগে, বুজিছা? যোৱা যোৱা, দৌৰ মাৰি চিগাৰেট এপেকেট লৈ আহাগৈ। লগতে তামোল এখনো আনিবা। তোমালোকৰ জহতে যদি তামোল এখন চিগাৰেট এটা নাখাওঁ, তেন্তে আমি খাম কেনেকৈ?...যোৱা আকৌ, দেখি কৰিছা কিয়? হাকিমে কেতিয়া মাতি পঠিয়ায় তাৰ ঠিক নাই; এবাৰ কিন্তু মই উঠি যাবলৈ হলে মোৰ লগত আৰু তোমাৰ কথা পতা নহব।'

যন্ত্ৰ-চালিত পুতলাৰ দৰে ৰসেশ্বৰ উঠি থিয় হ'ল আৰু ভৰি দুখন চোঁচৰাই চোঁচৰাই সি পাণ-চিগাৰেটৰ দোকানৰ ফালে আগ-বাঢ়িল। জেপত টকা আছে মাত্ৰ পাঁচটা। সেই পাঁচটা টকাকে সি কেৰাণীবাবুক আগবঢ়াম বুলি মানস কৰি থৈছিল। এতিয়া যদি পিয়নক পাণ-চিগাৰেটৰ পূজা দিওঁতেই তাৰে এটা টকা খৰচ হয়, বাকী মাত্ৰ চাৰিটা টকা কোনটো সাহেৰে সি কেৰাণীলৈ আগ-বঢ়াব? তদুপৰি পিয়নে যে কেৱল পাণ-চিগাৰেট খায়েই সন্তুষ্ট হব আৰু আচল কামৰ কথা ওলোৱাৰ পিছত নগদ দক্ষিণা দাবী নকৰিব, তাৰ কি মানে আছে? কি কৰো কি নকৰো ভাবি থাকোতেই সি পাণ-দোকানৰ ওচৰ পালেগৈ আৰু নিজে নিজেই তাৰ মুখৰপৰা ওলাই পৰিল—'চিগাৰেট এপেকেট দিয়াচোন।'

'কি চিগাৰেট?' দোকানীয়ে সুধিলে।

'আটাইতকৈ সস্তা দামৰ কি চিগাৰেট আছে তাকে দিয়া। তামোল দুখনো দিবা।'

এপেকেট চাৰমিনাৰ চিগাৰেট আৰু তামোল দুখন লৈ ৰসেশ্বৰ পিয়নৰ ওচৰলৈ ঘুৰি আহিল। তাৰ জেপত পইচাৰ পৰিমাণ যি ভাবে কমি যাবলৈ ধৰিলে, মনত ঠিক সেই ভাবেই ভয়টোও বেচি হৈ যাবলৈ ধৰিলে। পিয়নে চিগাৰেট এটা জ্বলাই লৈ বাকী পেকেটটো অবলীলাক্ৰমে নিজৰ জেপত ভৰাই থলে। মুখত তামোলখনৰ

পাগ্‌টো উঠাৰ পিছত চিগাৰেটত সুখ-টান এটা মাৰি লৈ পিয়নে মাত লগালে 'তাৰ পাছত কোৱাচোন তোমাৰ কি ক'ব লগা আছিল ?'

ৰসেশ্বৰে যিমান পাৰে চমুকৈ নিজৰ সবিশেষ বৃত্তান্ত কৈ অৱশেষত পিয়নৰ গাত ধৰি কাতৰ মাতেৰে ক'লে—'পিয়নবাবু, এতিয়া আপোনাৰ ওপৰতেই মোৰ সৰ্বভাৰসা। এসপ্তাহমানতে মোৰ মোকৰ্দমাখন নিষ্পত্তি কৰি দিয়াৰ ব্যৱস্থা এটা কৰক। ভাদ মাহ শেষ নৌ হওঁতেই যদি মাটিত কঠীয়া ছুডালমান গুজি থব নোৱাৰো, তেন্তে গোটেইটো পৰিয়ালেই আপোনঘাতী হৈ মৰিব লাগিব।'

পিয়নে ৰসেশ্বৰৰ কথা শুনি অবিশ্বাসৰ দৃষ্টিৰে তাৰ মুখৰ ফালে চাই ক'লে—'তুমি এইবোৰ কি কথা কৈছা ? তুমি আজি আমগছ ৰুই কাইলৈ গুটি খাবলৈ আশা কৰিব পাৰিলেও আজি মোকৰ্দমা দি এবছৰৰ আগতে সি নিষ্পত্তি হবলৈ আশা কৰিব নোৱাৰা। মই এই অফিচত পোন্ধৰ বছৰ পিয়নৰ চাকৰি কৰিছো বুজিছা। আজিলৈকে এটা মোকৰ্দমাও তিনি বছৰ আগতে ছিগি শেষ হোৱা নেদেখিলোঁ। মোকৰ্দমা কেৱল তোমাৰটোহে বুলি ভাবিছা নেকি ? কত শ শ মোকৰ্দমা পৰি আছে, এজন হাকিমে কেইটা মোকৰ্দমা সুধি শেষ কৰিব ? এনেকুৱা অসম্ভৱ আশা তুমি ভুলতো মনত ঠাই নিদিবা।'

পিয়নে আৰু এটা চিগাৰেট জ্বলাই ললে।

ভয় আৰু দুশ্চিন্তাত ৰসেশ্বৰৰ জিভাখন শুকাই তপত খোলাৰ দৰে খৰখৰীয়া হ'ল। কোনোমতে সেপ ঢুকি ঢুকি সি কান্দো কান্দো কৰি মাত লগালে—'তেন্তে মোৰ কি উপায় হব পিয়নবাবু? মোকৰ্দমা ছিগোতেই যদি তিনিবছৰ লাগে, যদি তিনিবছৰ দিন ধৰি মই মাটিত খেতি কৰিবলৈকে নাপাওঁ, তেন্তে এই তিনিবছৰে মই খাম কি? ল'ৰা-ছোৱালীক খুৱাম কি ?' ……হাত দুখন জোৰ কৰি পিয়নৰ ভৰিৰ ফালে টোঁৱাই ৰসেশ্বৰে প্ৰায় আৰ্তনাদৰ সুৰত

ক'লে—'আপুনি কিবা এটা উপায় কৰক পিয়নবাবু। এইবাৰ খেতিটো কৰিবলৈ মোক মাটিডৰা মুকলি কৰি দিয়ক। মই আন ঈশ্বৰ চিনি নাপাওঁ, আপোনাকেই ঈশ্বৰ বুলি পূজা কৰি থাকিম।'

পিয়নে কিছু সময় গভীৰভাৱে চিন্তা কৰাৰ দৰে মুখ-ভংগী কৰি কিছু পৰৰ মূৰত মাত লগালে—'তুমিতো জানিছাই, মইতো হাকিম নহয়, এটা সামান্য পিয়নহে; মই- আৰু বেচি কি কৰিব পাৰোঁ? তথাপি মই কেৰাণীবাবুক ভৰিয়ে-হাতে ধৰি কৈ-মেলি তোমাৰ মোকৰ্দমাৰ দিনটো যাতে সোনকালে পৰে তাৰ কাৰণে যিমান পাৰো চেষ্টা কৰিম। কিন্তু তিনি বছৰত হ'বলগা কাম ছমাহ বা এবছৰত হ'বলৈ হ'লে তুমি কিছু পা-পইচা খৰচ কৰিব লাগিব। তুমি খোজ-কাঢ়ি কুৰি মাইল বাট যাবলৈহ'লে দিনটো লাগে। কিন্তু মটৰ-বাছত উঠি দিনটোৰ বাট ঘণ্টাটোতে যাবলৈ হ'লে তুমি নিশ্চয় কিছু পইচা খৰচ কৰিব লাগে। এইটোও ঠিক তেনেকুৱাই কথা বুজিছা। খৰ-খেদাকৈ কাম কৰিবলৈ হ'লে কিছু পইচা খৰচ কৰিবই লাগিব।'

ৰসেশ্বৰে নিজে কব নোৱাৰাকৈয়ে তাৰ হাতখন আপোনা-আপুনি তাৰ জেপলৈ গ'ল। জেপত থকা টকা চাৰিটা আৰু ভঙা-পইচাখিনি সি এবাৰ লিৰিকি-বিদাৰি চালে। সি এতিয়া বুজি পাইছে যে তাৰ শক্তিৰ একমাত্ৰ উৎস তাৰ নিজৰ জেপটোহে, মানুহৰ দয়া-মায়া বা ন্যায় ধৰ্ম নহয়। টকা কেইটাকে খামুচি ধৰি সি ক'লে—'মই বৰ দুখীয়া মানুহ পিয়ন বাবু, গাটো কটাৰীৰে বেপিলেও তেজ এটোপা কিজানি নোলাব। কিমান পইচা খৰচ কৰিলেনো কামটো সিজিব বুলি ভাবিছে?'

পিয়নে এবাৰ ৰসেশ্বৰৰ মুখলৈ চালে, তাৰ পিছত মনে মনে কিবা এটা হিচাব কৰিলে। কিছুসময় নীৰৱ হৈ থাকি অৱশেষত সি মাত লগালে—'এমাহৰ ভিতৰতে মোকৰ্দমাৰ দিনটো পেলাবলৈ হ'লে কেৰাণীবাবুক অতি কমকৈ হ'লেও টকা কুৰিটামান যাচিব লাগিব।

মোকৰ্দমাৰ ৰেহ-ৰূপ চাই তাৰ পিছৰ কথা পিছত হ'ব। আৰু মোৰো যে কিছু খাটনি হ'ব সেই কথা তুমি নিশ্চয় বুজিছাই; তাকে চাই তুমি মোক কি দিব খোজা নিজেই বিবেচনা কৰি দিবা। কিন্তু এটা কথা তোমাক এতিয়াই কৈ থওঁ, নহলে তুমি মোক পিছত মিছাকৈয়ে দোষ দিবা। মোকৰ্দমাৰ দিন পেলোৱাৰ কাৰণেহে কেৰাণীবাবুৱে বা মই দায়িত্ব লব পাৰো, তাৰ ফলাফল কি হ'ব সেই দায়িত্ব আমি লব নোৱাৰোঁ।'

'সেই দায়িত্বটোনো কোনে লব পাৰিব পিয়নবাবু?'—ৰসেশ্বৰৰ শুকান গলা ফাটি এনে এটা মাত বাহিৰ হৈ আহিল যে সি নিজেই সেইটো তাৰ নিজৰ মাত বুলি চিনিবলৈ টান পালে।

'সেইটো কথা কোৱা বৰ টান বুজিছা'—পিয়নে চিন্তাত কপালৰ গাঁঠি থুপ খোৱাই মাত লগালে—'আমাৰ হাকিমৰ বিষয়ে নানা মুনিৰ নানা মত। কোনো কোনোৱে কয়—এনেকুৱা দয়ালু হাকিম পাবলৈকে নাই। বিনা স্বাৰ্থত কোনোবাই বন্ধুভাৱে বিলাতী মদৰ বটল এটা উপহাৰ দিলে তেওঁ অৱশ্যে নোলোৱাকৈ নাথাকে, কিন্তু তাৰ বাহিৰে কাৰোপৰা ঘোচ হিচাপে তেওঁ একো নলয়। আন বহুতে কব খোজে—হাকিমে নিজে যে একো নলয় সেই কথা সঁচা, কিন্তু তেওঁৰ নাম কৈ মণ্ডল কানুনগো মখাই ৰাইজৰ তেজ শুহি শেষ কৰিছে। কিন্তু সকলো মানুহেই এই কথা বিশ্বাস নকৰে। এওঁলোকৰ মতে এনে এজন ধূৰ্ত্ত হাকিম ইয়াৰ আগতে কেতিয়াও এই চাৰ্কোললৈ অহাই নাছিল; আচলতে তেওঁ ভেটি খোৱাৰ যম, কিন্তু এনে বুদ্ধিৰে তেওঁ ভেটি খায় যে তেওঁক সন্দেহ কৰিবলৈ বা ধৰা পেলাবলৈ কাৰো সাধ্য নাই।' ......এই-খিনিলৈকে কৈ পিয়নে ইফালে-সিফালে পোলোকা-পোলোককৈ চাই মুখখন ৰসেশ্বৰৰ কাণৰ ওচৰলৈ আনি সৰু মাতেৰে ক'লে—'কিন্তু হাকিমৰ বিষয়ে যিটো কথাত কাৰো মনত একো সন্দেহ নাই সেইটো কি জানা? মানুহটো হেনো বৰ তিৰোতা লুভীয়া। তুমি তেওঁক

এহাজাৰ টকা আনি দিলে যিটো কাম নহব, এঘণ্টামানৰ কাৰণে তিৰোতা এজনী যোগাৰ কৰি দিব পাৰিলে তাতকৈ বেচি কাম হব।' ······হাকিমৰ বিষয়ে এটা ৰসাল গল্প কবলৈ পিয়নে আকৌ মুখখন মেলিব খুজিছিল মাত্ৰ, এনেতে আন এটা পিয়ন অলপ দূৰেদি পাণ-দোকানখনলৈ যোৱা দেখি সি কথা সলাই ক'লে— 'বাৰু বাৰু, সেইবোৰ কথা এতিয়া যাবলৈ দিয়া। আমি আদাৰ বেপাৰীয়ে জাহাজৰ খবৰ লৈ কি কৰিম। মই পিছে উঠোঁহে এতিয়া; বহুত পৰ তোমাৰ লগত পেক্-পেকনি মাৰিলোঁ। মোৰ কবলগা খিনি কলোৱেই, এতিয়া তুমি নিজে বিচাৰ-বিবেচনা কৰি যি কৰা কৰা।'

পিয়নৰ গোটেইবোৰ কথা ৰসেশ্বৰৰ ভালকৈ কাণত পৰা নাছিল, কেৰাণীক কুৰি টকা দিব লাগিব, পিয়নক নিশ্চয় দহ টকা, হাকিমক বিলাতী মদৰ বটল, টকা, তিৰোতা······তাৰ পিছৰপৰা পিয়নে আৰু কি কৈছিল ৰসেশ্বৰে ভালকৈ কব নোৱাৰে। তাৰ মনটো উৰি গৈছিল সেইবোৰ বিচিত্ৰ মায়াবী বস্তুৰ সন্ধানত—টকা, মদৰ বটল, তিৰোতা—স্বৰ্গৰ পাৰিজাত ফুলতকৈয়ো যিবোৰ বস্তু তাৰ কাৰণে বেচি দুৰ্লভ, অথচ ত্ৰিভুবন চলাথ কৰি হলেও সি সেইবোৰ বস্তু সংগ্ৰহ কৰিবই লাগিব, নহলে সি তাৰ চৌধ পুৰুষৰ সম্পত্তি, তাৰ জীৱন-ধাৰণৰ একমাত্ৰ সম্বল মাটিডৰা কেতিয়াও উদ্ধাৰ কৰিব নোৱাৰে, সি বাটৰ ভিকহুত পৰিণত হব, তাৰ চকুৰ আগতে তাৰ ল'ৰা-তিৰোতাই খাবলৈ নাপাই তিলে তিলে মৰিব—টকা, তিৰোতা, মদৰ বটল—হঠাৎ কেনেবাকৈ পিয়নৰ শেষৰ কথাকেইটা তাৰ কাণত সোমাল, আৰু সি ভয়ংকৰ দুঃস্বপ্নৰ টোপনিৰ পৰা খক্‌মক্‌কৈ সাৰ পোৱা মানুহৰ দৰে আৰ্ত স্বৰেৰে মাত লগালে— 'পিয়নবাবু, আৰু খন্তেক সময় ৰ'ব, আপোনাৰ ভৰিত ধৰি মাতিছো, আৰু খন্তেক সময় ৰ'ব! মই এতিয়া কি কৰিব লাগিব ভালকৈ কৈ যাওক।'

পিয়নে উঠি থিয় হৈ ক'লে—'তোমাক দেখোন কলোৱেই, মোকৰ্দমাৰ দিনটো যদি সোনকালে পেলাব লাগে, তেন্তে কেৰাণী বাবুৰ কাৰণে টকা কুৰিটা মোৰ হাতত আজি দি যোৱা। মোক বাৰু বেচি দিব নালাগে ; তুমি দুখীয়া মানুহ, ময়ো দুখীয়া মানুহ, দুখীয়াই দুখীয়াৰ তেজ খাব নাপায়। মোক পাঁচটামান টকা দিলেই হব। এই কেইটা টকা দি তুমি আজি ঘৰলৈ ঘুৰি যোৱা। তিনি দিনমানৰ মূৰত আহি পুনৰ এবাৰ খবৰ কৰিবাহি। ইয়াৰ ভিতৰতে মই যি কৰিব পাৰো কৰি থম।'

জেপৰ টকা কেইটাত হাতৰ খামোচটো ঢিলা কৰি ৰসেশ্বৰো থিয় হ'ল। তাৰ ভৰি দুখন ঠক্ ঠক্ কৰি কঁপিবলৈ ধৰিছিল, কোনো-মতে নিজকে চম্ভালি লৈ সি ভয়ত শুকাই যোৱা মাতেৰে ক'লে —'পিয়নবাবু, মোৰ হাতত এতিয়া পুৰাকৈ পাঁচটা টকাও নাই, অথচ মোকৰ্দমাৰ দিনটো সোনকালে নপৰিলে মই নিশ্চয়কৈ আপোনঘাতী হৈ মৰিব লাগিব। আপুনি আজি এইকেইটা টকাকে ৰাখক। মই তিনি দিনৰ ভিতৰত পাৰো, এসপ্তাহৰ ভিতৰত পাৰো, বাকী কেইটা টকা যেনেতেনে যোগাৰ কৰি আপোনাক আকৌ দেখা কৰিম। কিন্তু মোকৰ্দমাৰ দিনটো পেলাবলৈ আপুনি মই অহালৈ বাট নাচাব, ইয়াৰ ভিতৰতে কিবা এটা কৰি থব। গোঁসাইৰ নামত শপত খাই মই বাক্য দিছো, মই ভিক্ষা কৰি পাৰো, চুৰি-ডকাইতি কৰি পাৰো, আপোনাৰ পাবলগীয়া টকা কেইটা যেনে তেনে দিমেই দিম।'

ৰসেশ্বৰে জেপৰপৰা টকা কেইটা উলিয়াই পিয়নৰ হাতলৈ আগবঢ়াই দিব খুজিছিল মাত্ৰ, এনেতে পিয়নে সন্ত্ৰস্তভাৱে চাৰিও-ফালে চকু ফুৰাই চাই মাত লগালে—'হে হে কি কৰা, কি কৰা ; তুমিও দেখিছো অঁকৰা যে অঁকৰা অতি সাংঘাতিক অঁকৰা মানুহ। নিজেতো মৰিবাই, আনকো লগতে ডুবাই মাৰিবা। এইবোৰ কাম সকলোৱে দেখা শুনাকৈ এনেকৈ কৰিব নাপায়

নহয়। ব'লা ব'লা, তোমাক ৰাস্তাৰ ফালে অলপ আগবঢ়াই দি আহোঁ।'

ৰাস্তাৰে কিছুদূৰ আগবাঢ়ি গৈ এডোখৰ নিৰ্জন ঠাই পাই পিয়নে ক'লে—'চাওঁ তোমাৰ হাতত কেইটা টকা আছে আজি তাকে দি যোৱা। একেবাৰে শুদা মুখেৰে মই কেৰাণীবাবুক তোমাৰ হৈ খাতিৰ ধৰিব নোৱাৰিম। তুমি আকৌ আহিবলৈ এসপ্তাহলৈ বাট নাচাবা। তিনিদিনমানৰ ভিতৰত আহি বাকী টকা কেইটাও দি যাবা। মোকৰ্দমাৰ তাৰিখটোও লৈ যাবা।'

## দহ

পঁচিশটা টকা……পঁচিশটা টকা……আৰু দুদিনৰ ভিতৰতে পঁচিশটা টকা যোগাৰ কৰিবই লাগিব। নহলে মোকৰ্দ্দমাৰ তাৰিখ সোনকালে নপৰিব। আজি শাওনৰ উনত্ৰিশ দিন। ভাদ মাহৰ সাত তাৰিখমানেও যদি মোকৰ্দ্দমাৰ দিন পৰে আৰু পোন্ধৰ তাৰিখ-মানৰ ভিতৰত কিবা এটা দফা-ৰফা হৈ সি নিজৰ মাটিখিনি পুনৰ ঘূৰাই পায়, তেন্তে মাটি বোকা কৰিব পাৰক নোৱাৰক—কঠীয়াৰ গোছ কেইডালমান অন্ততঃ গোজা মাৰি থব পাৰিব। তাৰে ভাত খাবলৈ পাওক নাপাওক অহা বছৰলৈ সঁচটো অন্ততঃ ৰব। সঁচটোও বাৰু নুৰল, বৰষুণৰ অভাৱত সি বাৰু মাটিত এডালমানো কঠীয়া গুজিবলৈকো নাপালে ; তথাপিতো তাৰ নিজৰ মাটিখিনি যে নিজৰ হৈয়েই থাকিল কেৱল সেই খবৰটোৱেই তাক সকলো ভোক-পিয়াহ পাহৰাই নাৰাখিবনে ? সেই খবৰটোৱেই তাক নতুন জীৱন নিদিবনে ? তাৰ মাটিখিনি তাৰ নিজৰ হৈ থকা বুলি জানিলে এই বছৰ খেতি নহৈ ভঁৰালত ছমাহলৈ ধান নাথাকিলেও ওচৰ-চুবুৰিয়াই ভৱিষ্যতলৈ প্ৰতিদান পোৱাৰ আশাত তাক নিশ্চয় দুই-চাৰিমোন ধান দি সহায় কৰিব, মহাজনেও এশ-ছকুড়ি টকা ধাৰ দিবলৈ সংঙ্কোচ নকৰিব। কিন্তু একো এটা চয়-নিচয় নোহোৱাকৈ মোকৰ্দ্দমা যদি ছমাহ-এবছৰলৈ চলি থাকিবলৈ হয়, তেন্তে এই বছৰ খেতিতো নহবই, মাটি অৱশেষত কাৰ হাতলৈ যায় তাৰ একো ঠিক নাই বুলি ভাবি কোনো মানুহেই তাক ধাৰ-ধুৰ দি সহায় কৰিবলৈকো সাহ নকৰিব। তেতিয়া তাৰ কি অৱস্থা হব ? কিছু সময় সি সেই কথা ভাবিবলৈ চেষ্টা কৰিলে। কিন্তু ভৱিষ্যতৰ কৰাল ভয়ংকৰ ৰূপটো দেখি তাৰ ইমান ভয় লাগি গ'ল যে শুই থকা অৱস্থাতে মূৰটো

ইফাল-সিফাল কৰি ভীষণভাৱে জোকাৰি সি ভৱিষ্যতৰ দুশ্চিন্তাখিনি মনৰপৰা জোকাৰি পেলাবলৈ চেষ্টা কৰিলে।

চব ডেপুটি হাকিমৰ অফিচৰপৰা ঘৰলৈ ঘুৰি আহোঁতে বাটতেই ৰমেশ্বৰৰ জ্বৰ উঠি আহিল। কেইবাদিনো ধৰি তাৰ ভালকৈ খোৱা-বোৱা হোৱা নাই; ভয়, দুশ্চিন্তা আৰু উত্তেজনাত তাৰ শৰীৰ-মন ভাগি যাবলৈ উপক্ৰম কৰিছিল। তথাপি সি সেই সকলো দুখ-ভাগৰ পাহৰি গ'লহেঁতেন—যদিহে আজি অফিচত সি কিবা এটা ভাল খবৰ পাই আহিলেহেঁতেন। ঘৰৰ লখিমী-স্বৰূপা কামধেনু হেন গাইজনী বেচি পোৱা এশটা টকাৰ এটা ফুটা-কড়িও বাকী নোবোৱাকৈ ইতিমধ্যেই খৰচ কৰি শেষ হ'ল; কিন্তু ইমানখিনি কৰিও সি আজিলৈকে মোকৰ্দমাটো আৰম্ভই কৰিব নোৱাৰিলে। কাছাৰীত মোকৰ্দমাৰ দৰ্খাস্তখন পেলাবলৈকে যদি ইমানবোৰ টকা খৰচ কৰিব লাগে, ইমানবোৰ ঘুৰাঘুৰি কৰি ভৰিৰ এন্দালু ক্ষয় নিয়াব লাগে, তেন্তে আচল মোকৰ্দমা আৰম্ভ হলে কিমান টকা পানীৰ দৰে খৰচ কৰিব লাগিব আৰু কিমানৰ হাতে-ভৰিয়ে ধৰি ঘুৰি ফুৰিব লাগিব তাৰ জানো কিবা সীমা থাকিব?—ৰমেশ্বৰৰ লঘোণীয়া শৰীৰ এনেয়ে দুৰ্বল হৈ আছিল, তেনে অৱস্থাতে অফিচৰ কথা-কাণ্ডই তাৰ মনত ইমান ভয় সুমুৱাই দিলে যে সেই ভয়তে তাৰ জ্বৰ উঠি গ'ল। কঁপা কঁপা খোজেৰে কোনোমতে আহি সি গ'ধূলিৰ আগে আগে ঘৰ পালেহি। ঘৰ পায়েই সি বিছনাৰ আশ্ৰয় ললে।

সেইদিনা ৰাতি ঘৈণীয়েকে বহুত কাকুতি-মিনতি কৰিও তাক ভাতৰ পাতলৈ নিব নোৱাৰিলে। তাৰ পেটত যে ভোক লগা নাছিল এনে নহয়; ৰাতিপুৱা অফিচলৈ যোৱাৰ সময়ত আগদিনা ৰাতিৰ কৰ্কৰা ভাত এমুঠি খাই যোৱাৰ বাহিৰে গোটেই দিনটো তাৰ পেটত খুদ-কণ এটাও পৰা নাছিল। কিন্তু এতিয়া পেটত ভোক লাগিলেও একো এটা খাবলৈ তাৰ শক্তি নাই, কাৰণ এটা প্ৰকাণ্ড হিংস্ৰ ভয় শিল এছটাৰ দৰে তাৰ ডিঙিত লাগি ধৰি আহাৰ খোৱাৰ বাটটো

বন্ধ কৰি পেলাইছে। আনকি উশাহ লবলৈকে তাৰ কষ্ট হৈছে পঁচিশটা টকা……পঁচিশটা টকা হাতুৰীৰে কোবাই কোবাই কাঠত গজাল সুমুৱাৰ দৰে কোনোবাই যেন তাৰ মগজুত আঘাতৰ পিছত প্ৰকাণ্ড আঘাত হানি এই একেটা মাত্ৰ চিন্তা সুমুৱাই দিবলৈ প্ৰাণ-পাত চেষ্টা কৰিছে যে অহা দুদিনৰ ভিতৰতে পঁচিশটা টকা যোগাৰ কৰিব নোৱাৰিলে তাৰ আৰু জীয়াই থাকিবৰ কোনো অধিকাৰ নাই। সেই উপৰ্যুপৰি আঘাতত তাৰ মগজুৰ ভিতৰখন ঠেতেলা খাই এটা লাড়ু যেন হৈ তেজৰ পুখুৰীত ওপঙি ফুৰিছে।

পৰুৱাই পোৱা মানুহৰ দৰে আন্ধাৰত বহুত পৰ ঘূৰ্মটীয়াই থকাৰ পিছত সি এবাৰ প্ৰকৃতিস্থ হবলৈ চেষ্টা কৰিলে। তেতিয়া বোধহয় মাজ-ৰাতি পাৰ হৈ গৈছে। ইমানপৰে সি ঘৈণীয়েক আৰু ল'ৰা-ছোৱালী কেইটাৰ অস্তিত্বৰ কথা পাহৰিয়েই আছিল। সিহঁতৰ কথা মনলৈ অহাৰ লগে লগেই তাৰ হঠাৎ অনুভৱ হ'ল যে সেই মাজ-ৰাতিলৈকে ঘৈণীয়েকেও যেন টোপনি যাব পৰা নাই; গিৰিয়েকৰ লগত এবাৰো কথা বিনিময় নাই হোৱা যদিও তায়ো যেন নিজে নিজেই সকলো কথা বুজিব পাৰিছে আৰু গিৰিয়েকৰ দৰেই তায়ো উজাগৰে বিছনাত ছটফটাই আছে।……টকা··মদ···তিৰোতা— সংসাৰৰ পৰা ন্যায়-বিচাৰ পাবলৈ হলে ক্ষমতাৰ অধীশ্বৰ সকলক এইবোৰ উপচাৰেৰে পূজা দি সন্তুষ্ট কৰিব পাৰিব লাগিব। তাৰ টকা নাই, টকা নহলে মদো যোগাৰ কৰিব নোৱাৰি, থকাৰ ভিতৰত তাৰ আছে মাত্ৰ এজনী তিৰোতা। এটা উন্মাদ মুহূৰ্ত্তত হঠাৎ তাৰ মনত এই চিন্তাই ঢৌ খেলি গ'ল: আন কোনো উপায়েই যেতিয়া নাই, হাকিমৰ হাতত এৰাতিৰ কাৰণে নিজৰ তিৰোতাজনীকে গতাই দিবগৈ নেকি? মাটিডৰাকেই যদি সি হেৰুৱাবলগীয়া হয় তেন্তে তিৰোতাজনী ৰাখি সি কৰিব কি? তাইক সি খুৱাব কেনেকৈ? দিক্‌চিহ্নহীন অন্ধকাৰৰ মাজত হঠাৎ এটা পোহৰৰ ক্ষীণ বিন্দু দেখাৰ দৰে ৰসেশ্বৰে মুহূৰ্ত্তৰ

কাৰণে সামান্য স্বস্তি অনুভব কৰিলে। কিন্তু সেই স্বস্তিও বেচি পৰ স্থায়ী নহ'ল। হাকিমৰ পূজাৰ উপচাৰ স্বৰূপে নিজৰ তিৰোতাজনীৰ ৰূপটো খন্তেকৰ কাৰণে মনৰ চকুৰ আগত ভাঙি ধৰি নিৰুপায় হতাশাৰ যন্ত্ৰণাত সি নিজে নিজেই শিহৰি উঠিল। সেই কপালৰ কুম ওলোৱা, গাল-ভগা, ডিঙ্গিৰ ছাল ওলমি পৰা আৰু বুকুখন চেপেটা হৈ হৈ ধান মেলা চোতালখন যেন হৈ পৰা তিৰোতাজনীক তাৰ নিজৰ বাহিৰে আন কোনোবা মানুহে বাৰু তিৰোতা বুলি কল্পনা কৰিব পাৰিবনে? তাইক দেখিলেই মানুহৰ মনত লোভ সঞ্চাৰ হোৱা দূৰৰ কথা—বাটৰ ফাপৰে খোৱা কুকুৰক দেখিলে ঘিণ লগাৰ দৰে বোধ হয় ঘিণহে বেচিকৈ লাগিব। সি নিশ্চয় দুশ্চিন্তাত পাগল হৈ গৈছে, নহলে তাৰ মনত এনে এটা অসম্ভৱ চিন্তাৰ উদয় হ'ল কেনেকৈ? হাকিমৰ পূজাৰ উপচাৰ স্বৰূপে ঘৈণীয়েকক নাকচ কৰাৰ লগে লগে আন এটা চিন্তাই আহি তাৰ মনত প্ৰৱলভাবে আঘাত কৰিলে। সি আজি সঁচাকৈয়ে এনে এটা অৱস্থাত আহি উপনীত হ'লহিনে যে অগ্নিসাক্ষী কৰি বিয়া কৰোৱা তিৰোতাজনীক সম্পত্তি ৰাখিবৰ কাৰণে বেশ্যা-বৃত্তিত লগোৱাৰ কথা সি চিন্তা কৰিব লগা হ'ল? কোনে আজি তাক এই মহা পাপৰ পথলৈ ঠেলি দিলে? নিজে কব নোৱাৰাকৈয়ে সি যে কোন অতল নৰকৰ পথলৈ নামি গৈছে হঠাৎ সেই কথা উপলব্ধি কৰি তাৰ সমস্ত জ্বৰতপ্ত চেতনা দাউ দাউকৈ জ্বলি উঠিল। জীয়াই জীয়াই পুৰি পৰা মানুহৰ দৰে সি বিছনাতে ধৰ্ফৰ্ কৰিবলৈ ধৰিলে। হিংস্ৰ জন্তু বা ভূত-পিশাচৰ আগৰ পৰা দৌৰি পলাব খোজা মানুহৰ দৰে তাৰ চিন্তাও বিজুলী বেগেৰে দৌৰিবলৈ ধৰিলে। এবাৰ তাৰ ভাব হ'ল যে সি যেন দৌৰি গৈ নৈত জপিয়াই পৰি তাৰ দেহমন গ্ৰাস কৰি ধৰা জুইকুঁৰা নুমুৱাব; পিছ মুহূৰ্ত্ততে সি ঠিক কৰিলে যে এতিয়াই দা এখন লৈ দৌৰি গৈ সনাতন শৰ্মাক কাটি টুকৰা-টুকুৰ কৰি

পেলাব ; কিন্তু তাৰ পিছ মুহূৰ্ত্ততে সি ঠিক কৰিলে যে সনাতন শৰ্মাৰ ঘৰ পৰ্য্যন্ত দৌৰি যাবলৈ তাৰ গাত শক্তিয়েই নাই, বাটতে মুখ ঠেকেছা খাই পৰি সি নিজেহে আধা-মৰা হব, তাতকৈ বৰং দা খনেৰে ঘৈণীয়েক আৰু ল'ৰা-ছোৱালী আটাইকেইটাকে কাটি শেষ কৰি অৱশেষত নিজৰ ডিঙিত ঘাপ্ এটা মাৰিলেই তাৰ সকলো চিন্তা-ভাবনা আৰু সমস্যাৰ ওৰ পৰিব। দৌৰি দৌৰি অৱশেষত তাৰ মনটো ভাগৰত অৱশ হৈ পৰিল, কৰিবলৈ একো বিচাৰি নাপাই সি এবাৰ সেহাই সেহাই মাত লগালে—'এই, বোলো শুনিছনে ?'

তেতিয়া ৰাতি পুৱাই আহিছিল, ঘৈণীয়েকে বিছনা এৰিবলৈ সাজু হৈছিল, গিৰিয়েকৰ মাত শুনি তাই সুধিলে—'কি হ'ল ?'

'আজি দিনটোৰ ভিতৰতে টকা পঁচিশটা যোগাৰ কৰিব নোৱাৰিলে মই নিজেও আপোনঘাতী হম, তাৰ আগতে তহঁত গোটেইমখাকে কাটি শেষ কৰি থৈ যাম।'

উঠিব খোজা মানুহজনী আকৌ শুই পৰিল। এটা আকস্মিক প্ৰচণ্ড আঘাতে যেন মাটিত আছাৰ খুৱাই পেলাই দি তাইৰ মূৰটো চিৰাচিৰ্ কৰি পেলালে।

## এঘাৰ

আঘাতৰ প্ৰথম যন্ত্ৰণাখিনি শাম কাটি অহাৰ পিছত ৰসেশ্বৰৰ ঘৈণীয়েকে কিছু চিন্তা কৰিবলৈ চেষ্টা কৰিলে। মাত্ৰ পঁচিশটা টকাৰ কাৰণেই যেতিয়া মানুহটোৱে আপোনঘাতী হবলৈ ওলাইছে আৰু লগতে ঘৰ-ঘৰোৱাকো কাটি শেষ কৰিবলৈ থিক কৰিছে, তেন্তে আজি দিনটোৰ কাৰণে সেই পঁচিশ টকাৰ মূল্য নিশ্চয় পঁচিশ কোটি টকাৰ সমান, তাৰ ওপৰতে নিৰ্ভৰ কৰিছে এটা পৰিয়ালৰ জীৱন। আৰু এই কথাও ঠিক যে সেই পঁচিশটা টকা তাই অকলেই যোগাৰ কৰিব লাগিব, গিৰিয়েকে কৰিব পৰা হ'লে ৰাতিপুৱা ব্ৰহ্ম-মুহূৰ্ত্তত সি মুখত এনে এষাৰ কথা নানিলেহেঁতেন। পঁচিশটা টকাৰ সন্ধানত তাই মনে মনে সমস্ত ব্ৰহ্মাণ্ড চলাথ কৰিবলৈ ধৰিলে। বিক্ৰী কৰিবলৈ ঘৰত এনে এপদ বস্তু নাই যাৰ বিনিময়ত তাই পঁচিশটা টকা পাব পাৰে। যিবা এখন এৰিয়া কাপোৰ আছিল তাকো কেতিয়াবাই গিৰিয়েকে নি মণ্ডলক ভেটি দিলেগৈ। গাইজনীও কেতিয়াবাই বিক্ৰী হ'ল। দা লৈ কাটিবলৈ অহা মানুহৰ সমুখত দৌৰি পলাবলৈ চেষ্টা কৰা মানুহে যেনেকৈ সম্ভৱপৰ সকলো আশ্ৰয়ৰ কথা চকুৰ পলকতে চিন্তা কৰিব লগা হয়, তেনেকৈ তায়ো চিন্তা কৰি থাকোতে হঠাতে তাইৰ মনত পৰিল যে গাৱঁৰে সৰ্বেশ্বৰ গাওঁবুঢ়াৰ ঘৰত বা কালীনাথ মৌজাদাৰৰ ঘৰত প্ৰায়েই গৰখীয়া ল'ৰা বা ঘৰৰ লাগনী-পাচনী কৰা ল'ৰাৰ দৰকাৰ হৈ থাকে;

সোনটিক যদি তাই কোনোবা এঘৰত চাকৰ হিচাবে সুমোৱাই দিব পাৰে তেন্তে আগধন হিচাবে টকা পঁচিশটা পোৱাটো হয়তো অসম্ভৱ নহব। ইমানপৰে তাইৰ মনটো দিক্-বিদিক্-শূন্য হৈ থমকি ৰৈ উশাহ লবলৈ সময় পালে। খুব স্পষ্টভাৱে নহয়— ভাগৰুৱা মানুহে ভৰি চোঁচৰাই চোঁচৰাই খোজকঢ়াৰ দৰে তায়ো ক্লান্ত অৱসন্ন মনেৰে এই চিন্তাটোকে ইলুটি-সিলুটি ঘুৰাই-পকাই দৌৰি ফুৰিছিল, এই চিন্তাটো মনলৈ অহাৰ লগে লগেই তাই খন্তেক পৰীক্ষা কৰি চাবলৈ ধৰিলে। লগে লগে পৰৰ ঘৰৰ চাকৰৰ ৰূপত সোনটিৰ ৰূপটো তাইৰ চকুৰ আগত ভাহি উঠিল। দুখীয়াৰ ঘৰৰ ল'ৰা যদিও বৰপুত্ৰ হিচাবে সিহঁতে সোনটিক পৰম আদৰৰ মাজত ডাঙৰ কৰিছে, সিহঁতৰ জীৱনৰ সকলো সপোন আৰু আশা-আকাংক্ষা তাকে কেন্দ্ৰ কৰিয়েই গঢ়ি উঠিছে। আনৰ চকুত সি নাঙলৰ খুঁটিত ধৰিব পৰা ল'ৰা হৈছে যদিও তাইৰ চকুত সি এতিয়াও কেচুৱা হৈয়ে আছে ; ৰাতি কেতিয়াবা ভায়েক-ভনীয়েকহঁতক দূৰলৈ ঠেলি দি সি এতিয়াও মাকৰ ডিঙিত সাৱতি ধৰি শুবলৈ হেঁপাহ কৰে। তদুপৰি পঢ়া-শুনাৰ প্ৰতি তাৰ ভীষণ আগ্ৰহ ; তাৰ অকণমানি প্ৰাণটোৱেও হয়তো স্বপ্ন দেখে যে পাৰিলে অলপমান পঢ়াশুনা কৰি সি অন্ততঃ বাপেকতকৈ জীৱনটো অলপ বেচি ভাল আৰু বেলেগ কৰিবলৈ চেষ্টা কৰিব। সেই ল'ৰাক তাই কোন সতেৰে স্কুলৰ পৰা এৰুৱাই আনি লোকৰ ঘৰত চাকৰ থয়গৈ ? লোকৰ ঘৰত সি অষ্ট-প্ৰহৰ গালি-শপনি খোৱা আৰু লোকৰ পাতৰ এৰেহা খোৱা দৃশ্য তাই চকুৰ আগতে কেনেকৈ চাই থাকিব ? কথাবোৰ ভাবি ভাবি নিজে কব নোৱাৰাকৈয়ে তাইৰ দুই চকু ফাটি ধাৰাসাৰে পানী বাহিৰ হৈ আহিল। চকু-পানীখিনি মচিবলৈ তাই কোনো চেষ্টা নকৰিলে। কিন্তু তাই অৱশেষত ঠিক কৰিলে যে সোনটিক পৰৰ ঘৰত চাকৰ ৰাখি পঁচিশটা টকা যোগাৰ কৰাতকৈ গোটেই ঘৰখন আপোনঘাতী হোৱাও বেচি ভাল।

কিন্তু আপোনঘাতী হোৱাৰ আগতে এটা শেষ চেষ্টা নিশ্চয় কৰি চাব লাগিব। সীমাহীন অন্ধকাৰৰ মাজত পোহৰৰ এটা বিন্দু বিচাৰি তাই ব্যাকুলভাৱে চাৰিওফালে চাবলৈ ধৰিলে। গোটেই ৰাতি গিৰিয়েকে অস্থিৰভাবে ইলুটি-সিলুটি কৰি ছট্‌ফটাই আছিল, সিহঁতৰ বাঁহৰ বিছনাখন ৰসেশ্বৰৰ ছটফটনিত গোটেই ৰাতি কেৰ-মেৰাই আছিল। কিন্তু এতিয়া সি মৰামানুহৰ দৰে নিথৰ হৈ পৰিছে, বোধহয় টোপনি গৈছে। সমস্যাৰ ভাৰখন ঘৈণীয়েকৰ কান্ধত পেলাই দিয়াৰ লগে লগেই টোপনিয়ে বোধহয় তাক হেঁচা মাৰি ধৰিলে। কিন্তু অলপ পিছতেই সি সাৰ পাই উঠিব, আৰু উঠিয়েই সি প্ৰথম প্ৰশ্ন কৰিব ঃ টকা পঁচিশটা যোগাৰ হোৱাৰ কিবা ব্যৱস্থা হ'লনে নাই? তাই যদি নাই হোৱা বুলি উত্তৰ দিবলৈ হয়, তেন্তে আজি তাইৰ ফালে সৰ্বনাশ। গিৰিয়েকে গৰু মৰাদি মৰিয়াই তাইক আধামৰা কৰিব। সাতটা ল'ৰা-ছোৱালীৰ মাক হোৱাৰ সমান সময় তাই ৰসেশ্বৰৰ লগত ঘৰ কৰিছে; কোন অৱস্থাত সি কেনেকুৱা আচৰণ কৰিব সেই কথা তাই আগতেই কৈ দিব পাৰে। ৰসেশ্বৰে যেতিয়াই নিজে কোনো এটা সমস্যাৰ সমাধান কৰিব নোৱাৰা হয় বা সংসাৰৰ লগত যুদ্ধত সি হাৰি যোৱা যেন অনুভব কৰে, তেতিয়াই সি কিবা নহয় কিবা এটা অজুহাত উলিয়াই ঘৈণীয়েকৰ ওপৰত মাৰ-ধৰ আৰম্ভ কৰে; সংসাৰৰ ওপৰত সমস্ত আক্ৰোশ সি ঘৈণীয়েকৰ ওপৰতেই জাৰি শেষ কৰে। অথচ সি যে ঘৈণীয়েকক ভাল নাপায় বা তাইক দেখিব নোৱাৰে সেইটোও নহয়। ৰসেশ্বৰে কোনোদিন মুখ ফুটাই নকলেও ঘৈণীয়েকে তাইৰ প্ৰতিটোপা তেজৰ কণিকাত অনুভব কৰে যে তাইয়েই তাৰ জীৱনৰ সৰ্বস্ব; এটা পানীকেচুৱা মাকৰ ওপৰত যেনেকৈ নিৰ্ভৰশীল, ৰসেশ্বৰো তাৰ ঘৈণীয়েকৰ ওপৰত তেনেকৈ নিৰ্ভৰশীল। গাঁৱৰ তিৰোতাবোৰে কথাতে কয়—'মোৰে পো দুষ্ট, মোকে কাটে মোকে মাৰে মোকে কৰে তুষ্ট।' ৰসেশ্বৰৰ ঘৈণীয়েকেও গিৰিয়েকৰ বিষয়ে সেই একে কথাকে কব পাৰে। সাতটা ল'ৰা-

ছোৱালীৰ মাক হোৱাৰ সমান বছৰ ধৰি ( সিহঁতৰ বিয়াৰ কিমান বছৰ হ'ল তাই কব নোৱাৰে, সেইবোৰ নেওতাৰ হিচাব তাই বুজি নাপায় ) তাই এটা কথা লক্ষ্য কৰি আহিছে যে যিদিনাই সি দিনত ঘৈণীয়েকক বেচিকৈ মাৰ-পিট কৰে, সেইদিনাই ৰাতি সি বিছনাত নিজৰ ঠাই এৰি ঘৈণীয়েকৰ গাৰ কাষত আশ্ৰয় লয়, আৰু মুখেৰে প্ৰকাশ কৰিব নোৱাৰা অনুতাপ, ক্ষমা-প্ৰাৰ্থনা আৰু প্ৰেম সমস্ত শৰীৰৰ ভাষাৰে প্ৰকাশ কৰিবলৈ চেষ্টা কৰে। তাই এই সকলোবোৰ কথা বুজি পায়। কিন্তু সেইবুলি জানো ফলা খৰি বা ঢেঁকী-থোৰাৰ কোব কেইটাৰ যন্ত্ৰণা একো যন্ত্ৰণাই নহয় বুলি অস্বীকাৰ কৰিব পাৰি ? খং উঠিবৰ সময়ত মানুহটো ইমান পাগল হৈ যায় যে সি মানুহকেই মাৰিছে নে জন্তু-জানোৱাৰকেই মাৰিছে সেই কথা সমূলি পাহৰি যায়। আজিতো মানুহটোৱে সম্পূৰ্ণ এটা বেলেগ মূৰ্ত্তি ধাৰণ কৰিছে। টকা পঁচিশটা যোগাৰ কৰিব নোৱাৰিলে সি বোলে নিজেও আপোনঘাতী হব। ঘৈণীয়েক আৰু ল'ৰাছোৱালীকেই-টাকো কাটি শেষ কৰি থৈ যাব। নিজক বা আনক কিবা কৰক নকৰক, তাইক যে আজি সি শুদাই নেৰে সেই কথা ঠিক। সংসাৰৰ বিৰুদ্ধে সমস্ত আক্ৰোশ আৰু অভিযোগৰ সি প্ৰতিশোধ লব ঘৈণীয়েকৰ ওপৰত।

বিছনাৰ পৰা উঠি যোৱাৰ আগতেই তাই এটা সমাধান বিচাৰি উলিয়াবই লাগিব। উঠি গৈ এবাৰ কামত ধৰিলে তাই আৰু চিন্তা কৰিবলৈ সময় নাপাব। ভাবি থাকোতে থাকোতে আৰু এটা সমাধান হঠাৎ তাইৰ মনত খেলালে। প্ৰশ্নটো যেতিয়া জীৱন আৰু মৰণৰ প্ৰশ্ন, তেনেহলে সিহঁতৰ ঘৰৰ ভেটিটোকে কাৰোবাৰ ওচৰত বন্ধকত থলে কেনে হয় ? ভেটিটো বন্ধকত থলে কমেও নিশ্চয় এশটা টকা পোৱা যাব। সিহঁতৰ মোকৰ্দমাখন পঁচিশটা টকাতেই নিশ্চয় নিষ্পত্তি নহয়। আজি আন কিবা উপায়েৰে পঁচিশটা টকা যোগাৰ কৰিব পাৰিলেও আৰু এসপ্তাহ বা এমাহৰ পিছত নিশ্চয় আৰু টকাৰ

দৰকাৰ হব। তেতিয়া আৰু টকা ক'ৰ পৰা ওলাব? ঘৰৰ ভেটিটোকে বন্ধকত দিয়াৰ কথা কিছু সময় চিন্তা কৰি তাৰ পৰিণামবোৰ তাই চিন্তা কৰিবলৈ ধৰিলে। মোকৰ্দমাত যদি সিহঁত জিকে তেতিয়া বাৰু ছমাহ-এবছৰৰ ভিতৰত কিবা এটা উপায় কৰি বন্ধকীৰপৰা ঘৰৰ ভেটিটো খালাচ কৰিব। কিন্তু মোকৰ্দমাত যদি সিহঁত হাৰি যায়? তেতিয়া দেখোন গোটেই ঘৰখনেই গছৰ তলত আশ্ৰয় লব লাগিব। এতিয়া আন একো নহলেও ল'ৰা-ছোৱালীকেইটাৰ মূৰৰ ওপৰত ঘৰৰ ছালি এখনেই আছে। কিন্তু ভেটিটো বন্ধকত দিবলৈ হ'লে ল'ৰা-ছোৱালীকেইটাক মুকলি আকাশৰ তলত জন্তু-জানোৱাৰৰ অৱস্থা কৰি এৰি থৈ যাব লাগিব। দৃশ্যটো কল্পনা কৰাৰ লগে লগেই তাইৰ দুই চকু ফাটি আকৌ দুই ধাৰা তপত চকু-পানী বাহিৰ হৈ আহিল। এইবাৰ কাপোৰৰ আচলেৰে চকুপানী খিনি মচি তাই বাগৰ সলাই নতুন এটা উপায়ৰ কথা চিন্তা কৰিবলৈ ধৰিলে।

তাইৰ শেষ এটা উপায় এতিয়াও নোহোৱা নহয়। কিন্তু ইমান পৰে সেই উপায়টো তাই মনৰ তলীত জোৰ কৰি হেঁচা মাৰি থৈ দিছিল। তাইৰ সেই শেষ উপায় বা শেষ অবলম্বনটো হ'ল তাইক বিয়াৰ সময়ত দিয়া এজোৰ সোণৰ থুৰীয়া। তাইৰ দুখীয়া মাক-বাপেকে বিয়াৰ সময়ত আৰু যি দুই—এপদ অলংকাৰ দিছিল সেইবোৰ কেতিয়াবাই বিক্ৰী কৰি আৰু বন্ধকত দি শেষ হ'ল। মাত্ৰ এই কাণৰ থুৰীয়া জোৰ তাই পেটাৰীৰ একেবাৰে তলীত লুকুৱাই থৈ দিছিল; মনে মনে তাই প্ৰতিজ্ঞা কৰিছিল যে নেখাই মৰিব লগা হলেও এই থুৰীয়াজোৰ তাই কেতিয়াও ঘৰৰ বাহিৰ হৈ যাবলৈ নিদিয়ে। তাই যে এদিন গাভৰু আছিল, তাই যে এদিন হোমৰ গুৰিত কইনা হৈ বহিছিল, তাইৰ চকুত আছিল ভৱিষ্যতৰ সোণালী সপোন—সেই সকলোবোৰৰে একমাত্ৰ শেষ সোঁৱৰণি হ'ল এই থুৰীয়াজোৰ; সি মাত্ৰ কেইৰতিমান সোণ নহয়, সি তাইৰ জীৱনৰ আটাইতকৈ মধুৰ কেইটামান সোণালী মুহূৰ্ত্ত। পাঁচিশটা টকা যোগাৰ কৰাৰ উপায়

বিচাৰি তাই ইমানপৰে ত্ৰিভুবন চলাথ কৰিলেও ইচ্ছা কৰিয়েই থুৰীয়াজোৰৰ কথা তাই পাহৰি আছিল বা পাহৰি থাকিবলৈ চেষ্টা কৰিছিল। কিন্তু অৱশেষত তাই হাৰ মানিলে। অৱশেষত তাই বুজিলে যে তাইৰ জীৱনৰ আটাইতকৈ মধুৰ আৰু আটাইতকৈ পৱিত্ৰ বস্তুটো নিজৰ কৰি ৰাখিবলৈকো তাইৰ কোনো শক্তি নাই, কোনো অধিকাৰ নাই।

নিজৰ গাটোকে আন কাৰোবাৰ মৰাশ চোঁচৰাৰ দৰে চোঁচৰাই চোঁচৰাই তাই বিছনাৰ পৰা উঠি গ'ল।

## বাৰ

ঘৈণীয়েকৰ কাণৰ থুৰীয়া বিক্ৰী কৰি পোৱা টকা পঁচিশটা ৰসেশ্বৰে যথাসময়ত নি পিয়নৰ হাতত দিলেগৈ। পিয়নে তাৰে পাঁচটা টকা নিজলৈ ৰাখি বাকী কুৰিটা টকা কেৰাণীবাবুক দিলে। কেৰাণীবাবুৱে ৰসেশ্বৰক টেবুলৰ কাষত এঘণ্টামান সময় ঠিয় কৰাই থৈ কপালৰ গাঠি থুপ খুৱাই ফাইল লুটিৱাই-বগৰাই চাবলৈ ধৰিলে; তেওঁৰ মুখৰ ভাব-ভংগী দেখি ৰসেশ্বৰৰ মনত অকণো সন্দেহ নৰল যে তাক অনুগ্ৰহ কৰিবলৈ গৈ কেৰাণীবাবুৱে সংসাৰত আগে-পিছে কোনেও নকৰা টান কাম এটা কৰিব লগা হৈছে। কেৰাণীবাবুৰ প্ৰতি কৃতজ্ঞতা আৰু সহানুভূতিত তাৰ মনটো উথলি উঠিল। কিন্তু ইমানখিনি চিন্তা কৰিও কেৰাণীবাবুৱে কোনো এটা সিদ্ধান্তত উপনীত হব নোৱাৰিলে। প্ৰায় এঘণ্টা সময়ৰ নীৰৱতা ভংগ কৰি তেওঁ ৰসেশ্বৰৰ মুখলৈ চাই মাত লগালে—'যোৱাচোন, দৌৰ মাৰি তামোল এখন আৰু চিগাৰেট এটা লৈ আহাঁগৈ। মই ইতিমধ্যে হাকিমৰ লগতো পৰামৰ্শ এটা কৰি চাওঁ।'

ৰসেশ্বৰে আশা কৰি আছিল যে কেৰাণীবাবুৱে মুখ খোলাৰ লগে লগেই সি মোকৰ্দমাৰ তাৰিখটো জানিবলৈ পাব। সি স্পষ্টতঃ কিছু হতাশ হ'ল। অভিজ্ঞতাৰ পৰা তাৰ এই শিক্ষাই হ'ল যে কেৰাণীবাবুৱে যিমানবাৰ মুখ খোলে সিমানবাৰেই তেওঁৰ মুখত কিবা এটা টোপ ভৰাই দিবই লাগে। তথাপি এয়েই ৰক্ষা যে আজিও একো এটা সিদ্ধান্ত নহব বুলি তেওঁ কোৱা নাই। পাণ-চিগাৰেট কিনিবলৈ বুলি ৰসেশ্বৰ ওলাই গ'ল।

তামোল আৰু চিগাৰেট লৈ ৰসেশ্বৰ ঘুৰি আহে মানে কেৰাণী-বাবুৱেও হাকিমৰ লগত পৰামৰ্শ কৰি তেওঁৰ কোঠালৈ ঘুৰি আহিছে। ৰসেশ্বৰৰ হাতৰ পৰা তামোলখন লৈ কেৰাণীবাবুৱে মুখত ভৰালে আৰু চকু মুদি মুদি পাগুলি পাগুলি তামোলখনৰ পাগ্ উঠাবলৈ চেষ্টা কৰিলে। কেৰাণীবাবুৰ মুখৰ লাখ-টকা দামী কথাষাৰ শুনিবলৈ নীৰৱে অপেক্ষা কৰি থকাৰ বাহিৰে ৰসেশ্বৰৰ কৰিবলৈ একো কাম নাই, ভাবিবলৈ একো কথা নাই। কেৰাণীবাবুৱেনো কি সিদ্ধান্ত দিয়ে সেই চিন্তাতে তাৰ বুকুখনে ধান বানিবলৈ আৰম্ভ কৰিলে। এই এটা মাত্ৰ সিদ্ধান্তই তাৰ জীৱনৰ গতি বহু পৰিমাণে সলনি কৰি দিব পাৰে। কিন্তু তাৰ সমুখত বহি নিশ্চিন্ত মনেৰে ঘঁাহ পাগুলি থকা গৰুৰ দৰে চকু মুদি মুদি তামোল পাগুলি থকা এই মানুহটোৱে এবাৰো সেই কথাটো চিন্তা কৰিবলৈ বা অনুভব কৰিবলৈ চেষ্টা কৰিছেনে ? এবাৰো সি চিন্তা কৰিছেনে যে এঘণ্টাতকৈ বেচি সময় একে ঠাইতে থিয় হৈ থাকি থাকি ৰসেশ্বৰৰ ভৰিৰ বিষোতো উঠিব পাৰে ? সি এবাৰো চিন্তা কৰিছেনে যে পঁচিশটা টকা যোগাৰ কৰিবলৈ গৈ ৰসেশ্বৰৰ সংসাৰত কি সৰ্বনাশ ঘটি গৈছে ? হঠাৎ এবাৰ ৰসেশ্বৰৰ অনুভব হ'ল যে কেৰাণীবাবুৱে কোনোদিন তাক মানুহৰ চকুৰে চোৱা নাই ; আনকি তাৰ মুখৰ ফালে এবাৰো চকু মেলি চাবলৈকো তেওঁ কোনো প্ৰয়োজন দেখা নাই। দুশ্চিন্তা, ভোক-পিয়াহ আৰু দীৰ্ঘ প্ৰতিক্ষাৰ ক্লান্তিত ৰসেশ্বৰৰ মূৰটো হঠাৎ খঙত জ্বলি উঠিল। সেই মুহূৰ্ত্ততে কেৰাণীবাবুৱে চকু মেলি চোৱা হলে দেখিলেহেঁতেন যে নৰ-হত্যা কৰিবলৈ উদ্যত হোৱা মানুহৰ দৰে ৰসেশ্বৰৰ মুখখন এটা হিংস্ৰ উত্তেজনাত বিকৃত হৈ উঠিছে। কিন্তু ৰসেশ্বৰৰ সেই উত্তেজনা বেচিপৰ স্থায়ী নহ'ল। খন্তেকতে সি নিজকে চম্ভালি লৈ পুনৰ শান্ত ভাবে অপেক্ষা কৰিবলৈ ধৰিলে—যেন তেনেকৈ অপেক্ষা কৰি থকাই তাৰ একমাত্ৰ ভৱিতব্য।

কেৰাণীবাবুৱে অৱশেষত চকু মেলিলে। টেবুলত পৰি থকা

চিগাৰেটটো বাওঁহাতেৰে তুলি লৈ তেওঁ জুইশলাৰ কাঠি এটাৰে কিছুসময় দাঁত খৰিকিয়াবলৈ ধৰিলে। তাৰ পিছত চিগাৰেটটো জ্বলাই লৈ পৰম আৰামত ধোঁৱা এমোকোৰা নাকে-মুখে উলিয়াই দি তেওঁ হঠাৎ ব্যস্ত হৈ উঠাৰ দৰে উঠি ক'লে—'অ' তোমাৰ মোকৰ্দমাটো। তোমাৰ কামটো মই কৰি দিলোঁ বুজিছা। এনেয়ে হলে মাঘৰ আগতে দিন পৰাৰ কোনো আশা নাছিল। মই হাকিমক বুজাই-মেলি কাতিৰ পাঁচ তাৰিখে দিন পেলাইছো। কাতিৰ পাঁচ তাৰিখে, বুজিছা। তুমি এতিয়া যোৱা। মোৰ বহুত কাম আছে।'

টেবুলৰ ফাইল কেইটামান গাৰ ওচৰলৈ টান মাৰি লৈ কেৰাণী-বাবু হঠাৎ কাম কৰাত ব্যস্ত হৈ পৰিল।

কাতিৰ পাঁচ তাৰিখ! ৰসেশ্বৰে প্ৰথমে নিজৰ কাণকেই বিশ্বাস কৰিব নোৱাৰিলে। কাতিৰ পাঁচ তাৰিখে মোকৰ্দমাৰ দিন পেলাবলৈ হলে তিৰোতাৰ কাণৰ থুৰীয়া বেচি ঘৰৰ লখিমী খেদাবলৈ তাৰ কি দৰকাৰ আছিল? এনেয়ে হলে মাঘৰ আগতে দিন পৰাৰ কোনো আশা নাছিল, কেৰাণীবাবুৱে টকা পঁচিশটা দক্ষিণা লৈ অনুগ্ৰহ কৰাৰ কাৰণেহে কাতিৰ পাঁচ তাৰিখে কোনোমতে দিনটো পৰিল! কিন্তুৰ কাতিৰ পাঁচ তাৰিখে মোকৰ্দমাৰ দিন পৰি তাৰ কি লাভ হ'ল? মোকৰ্দমাৰ দিনটো যিমান পাৰে সোনকালে পেলাবলৈ সি যে পাগলৰ দৰে উঠি-পৰি লাগিছিল, তাৰ একমাত্ৰ উদ্দেশ্য আছিল পাৰিলে খুব শেহতীয়াকৈ হ'লেও শালি খেতিটো কৰা। কিন্তু কাতিৰ পাঁচ তাৰিখে মোকৰ্দমাৰ দিন পৰিলে খেতি কৰিবলৈ সময় আৰু ক'ত থাকিব? তেতিয়া তাৰ কাৰণে মোকৰ্দমাৰ দিন মাঘত পৰা যি, কাতিত পৰাও সেই একেই কথা। কেৰাণীবাবুৰ কথাষাৰ মগজত ভালকৈ সোমাবলৈ কিছু সময় দি ৰসেশ্বৰে হঠাতে এবাৰ আৰ্তনাদ কৰি উঠিল—'কেৰাণী বাবু, মোৰ সৰ্বনাশ নকৰিব কেৰাণীবাবু, কাতিৰ পাঁচ তাৰিখে মোকৰ্দমাৰ দিন পৰিলে মোৰ কি

লাভটো হব? ভাদৰ ভিতৰতে মোৰ মোকৰ্দমাখন ছিঙি দিয়ক কেৰাণীবাবু। মই আপোনাৰ ভৰিত ধৰিছোঁ—'

কথাষাৰ কৈয়েই ৰসেশ্বৰে টেবুলৰ তলেদি মূৰ সুমুৱাই সঁচাসচিকৈয়ে কেৰাণীবাবুৰ ভৰি দুখন বুকুত সুমুৱাই দুই হাতেৰে জোৰকৈ সাৱতি ধৰিলে।

এনে এটা নাটকীয় কাণ্ডৰ কাৰণে কেৰাণীবাবু অকণো প্ৰস্তুত নাছিল। সুদীৰ্ঘ চাকৰি জীৱনত কত বিচিত্ৰ মানুহৰ লগত তেওঁৰ পৰিচয় হৈছে, প্ৰতিদিনেই কিমান টকা-পইচাৰ লেন-দেন্ হৈছে, কিন্তু ভৰিত ধৰিম বুলিয়েই সঁচাসঁচিকৈ ধৰি দিয়া মানুহ এইটোহে তেওঁ প্ৰথম পালে। ভৰি দুখন জোৰকৈ টানি উলিৱাই চকীৰ ওপৰত থৈ তেওঁ প্ৰায় চিঞৰি উঠিল—'আৰে, আৰে, কি ধৰণৰ মানুহহে তুমি? চৰকাৰী অফিচত তুমি এইখন কি ল'ৰা-ধেমালি পাতিবলৈ আহিছা? উঠা বুলিছো নহয়, উঠা, তুমি এতিয়াই ওলাই যোৱাঁ মোৰ অফিচৰপৰা।'

টেবুলৰ তলৰপৰা মূৰ উলিয়াই ভিক্ষা-প্ৰাৰ্থী মানুহৰ দৰে হাত জোৰ কৰি ৰসেশ্বৰ কঁপি কঁপি থিয় হ'ল। তাৰ মুখলৈ চাই খঙেৰে কিবা এষাৰ কবলৈ গৈ কেৰাণীবাবুৰ মুখত ফিচিক্ কৰে এটা হাঁহি-ওলাই গ'ল। ৰসেশ্বৰৰ মুখৰ অ'ত ত'ত মজিয়াৰ মিহি ধুলিবোৰ লাগি গোটেই মানুহটো ভাওনাৰ চং এটাৰ দৰে হৈ পৰিছে। দেখিলে সঁচাকৈয়ে নহহাঁকৈ থাকিব নোৱাৰি। ইফালে কেৰাণী-বাবুৰ মুখত হাঁহি দেখি মৰা সাপকো নেদোৱা ভয়াতুৰ ৰসেশ্বৰৰ মুৰটো ভমক্ কৰে জ্বলি উঠিল। স্থান-কাল-পাত্ৰ পাহৰি সি গৰ্জন কৰি উঠিল—'কেৰাণীবাবু, আজি হয় গুৱাহাটী নহয় ৰঙামাটি। মই মানুহটো মৰিছো প্ৰাণৰ কাতৰত, আপুনি-ইফালে মোৰ ৰং চাই ভেঙুচালি কৰিবলৈ আহিছে। ভাদমাহৰ ভিতৰতে মোকৰ্দমাৰ দিন পেলাই মোকৰ্দমাটো ছিঙি দিব বুলি আশা দিয়াতহে মই তিৰোতাৰ যৌতুকত পোৱা কাণৰ থুৰীয়া বেচি আপোনাক টকা

পাঁচিশটা দিছিলোঁ। আপুনি মোকৰ্দমাৰ দিনটো ভাদৰ ভিতৰত পেলাবই লাগিব। নহলে মই আজি শুদাই নেৰিছো।'

অফিচৰ ভিতৰত ৰসেশ্বৰৰ চিঞৰ-বাখৰ শুনি ইফালে-সিফালে থকা এজাক মানুহ আহি অফিচৰ দুৱাৰ-মুখত জুম বান্ধিলেহি। মানুহ জুম বন্ধা দেখি ৰসেশ্বৰৰ উত্তেজনা বাঢ়ি গ'ল। মানুহবোৰৰ ফালে চাই সি ভীষণ উত্তেজিত হৈ কবলৈ ধৰিলে—'চাওকচোন ৰাইজসকল, হ'ল বুলিনো অফিচৰ বাবুসকলে এনেকৈ দুখীয়া মানুহৰ জীয়া তেজ শুহি শুহি খাব লাগেনে? এটা মোকৰ্দমাৰ কাৰণে এখেতসকলে আজি মোক এমাহ ঘূৰাই মাৰিছে। খোজেপতি ধন ঢালোতে ঢালোতে মোৰ সংসাৰ তহিলং হ'ল। ইমানবোৰ টকা-পইচা খায়ো আজি এখেতে কয় বোলে মোৰ মোকৰ্দমাটোৰ দিন হেনো কাতিৰ পাঁচ তাৰিখেহে পৰিব। কাতিৰ পাঁচ তাৰিখে মোকৰ্দমাৰ দিন পৰিলে মোৰ কি লাভটো হব? আপোনাসকল সাক্ষী থাকিল ৰাইজসকল, মোৰ মোকৰ্দমাটো যদি ভাদৰ ভিতৰতে নিষ্পত্তি কৰি নিদিয়ে, তেন্তে আজি মই কি কৰো তাৰ কিন্তু ঠিক নাই।'

ৰসেশ্বৰৰ কথাৰ মাজতে কেৰাণীবাবুৱেও তৰ্জন-গৰ্জন কৰি চিঞৰি উঠিল—'এই, তই চুপ্ থাক হাৰামজাদা। ৰাইজসকল—দেখিছেনে আপোনালোকে এই লাঠুৱা বলীয়াটোৰ কাণ্ড? এই অফিচত এনেকুৱা নাশ্ৰুত-নাভূত ঘটনা আপোনাসকলে আগতে কেতিয়াবা দেখিছেনে? ই নিশ্চয় ক'ৰবাত ভাঙ খাই বলীয়া হৈ আহিছে। মই কিন্তু চৰকাৰী অফিচত এনেকুৱা উদ্ভণ্ডালী সহ্য নকৰোঁ। ঐ কানুৰাম, কি চাই আছ, এই বলিয়াটোক ডিঙিত ধৰি অফিচৰ কম্পাউণ্ডৰ বাহিৰ কৰি দে।'

কানুৰাম পিয়নেই কেৰাণীবাবুৰ দালালী কৰি ৰসেশ্বৰপৰা টকা আদায় কৰিছিল। সি ভাবিলে যে ৰসেশ্বৰে বেচিকৈ কথা কবলৈ সুবিধা পালে তাৰ কথাও হয়তো ওলাই যাব। কেৰাণী

বাবুৰ হুকুম পোৱা মাত্ৰকতে সি দুই হাতেৰে ৰসেশ্বৰৰ ডিঙিত ধৰি তাক বাহিৰলৈ উলিয়াই লৈ গ'ল। ৰসেশ্বৰে চিঞৰি চিঞৰি কিবা কবলৈ চেষ্টা কৰিছিল, পিয়নে জোৰকৈ চৰ-ভুকু কেইটামান মাৰি তাৰ মুখৰ পৰা ভালকৈ কথা ওলাব নোৱাৰা কৰি দিলে! অফিচৰ দুৱাৰ মুখত জুম বন্ধা মানুহবোৰৰ ভিতৰত বেচি ভাগেই আছিল মণ্ডল-কানুনগো, সকলোৱেই পাপৰ ধনৰ অংশীদাৰ। বাহিৰা মানুহ যি দুই-চাৰিজন আছিল, তেওঁলোকো আছিল মণ্ডল-কানুনগো আৰু কেৰাণীবাবুৰ কৃপা প্ৰাৰ্থী। কেৰাণীবাবুৰ কাণত পৰাকৈ প্ৰত্যেকেই ৰসেশ্বৰৰ বিৰুদ্ধে একোষাৰ মন্তব্য কৰি দিহা-দিহি নিজৰ কামত গুচি গ'ল।

অফিচৰপৰা ঘৰলৈকে দীঘল বাটছোৱা কেনেকৈ আহিল সেই কথা ৰসেশ্বৰে কব নোৱাৰে। পিয়নে মৰা চৰ-ভুকু কেইটাৰ যন্ত্ৰণা আৰু অপমানখিনিও সি পিছ মুহূৰ্ত্ততে পাহৰি গ'ল। প্ৰতি মুহূৰ্ত্ততে সি কেৱল এইটোকে অনুভব কৰিবলৈ ধৰিলে যে আজি তাৰ চৰম সৰ্বনাশ ঘটিল। নিজে সৰ্বস্বান্ত হৈ সি ইমান দিনে যি টকা-পইচা খৰচ কৰিলে সকলো নিশ্চয় অথলে গ'ল। এই বছৰতো শালি খেতি কৰাৰ আশা সমূলি মিছা হ'লেই,—তদুপৰি আজি অফিচৰ কেৰাণী-পিয়ন সকলোৰে লগত তাৰ যি শত্ৰুতাৰ সৃষ্টি হ'ল— সিহঁতে তাৰ ওপৰত তাৰ পোতক নোলোৱাকৈ কেতিয়াও নাথাকে। মোকৰ্দমাখন ভাল হোৱাৰ যদি কিবা আশা আছিলোঁ—এতিয়া সেই আশা নিশ্চয় সমূলে নষ্ট হ'ল। নগাৰ চাং তলেই বাট বুলি জানিও সি বাৰু কিয় কেৰাণীবাবুৰ লগত ফেপেৰি পাতি লৈছিল? দুখীয়া মানুহৰ যে খং কৰিবৰ অধিকাৰ নাই, অন্যায়ৰ প্ৰতিবাদ কৰিবৰ অধিকাৰ নাই, সঁচা কথা কবৰ অধিকাৰ নাই—সেই কথা কি সি নাজানে? ঢলংপলংকৈ খোজ কাঢ়ি আহি থাকোতে সি বলীয়া মানুহৰ, দৰে মাজে মাজে নিজৰ কপালখনতে ভুকুৱাবলৈ ধৰিলে। সি যেতিয়া গৈ ঘৰ পালেগৈ, তেতিয়া বেলি মাৰ গৈছে। ঘৈণীয়েকে

নঙলা-মুখত থিয় হৈ সি অহালৈকে বাটলৈ চাই আছিল। ঘৈণীয়েকৰ অস্তিত্বক গ্ৰাহ্য নকৰি ৰসেশ্বৰে একেই চলংপলং খোজেৰে ঘৰৰ ফালে সোমাই গ'ল। দুয়োৰে মাজত এষাৰো বাক্য বিনিময় নহ'ল যদিও ঘৈণীয়েকে যি বুজিব লাগে সকলো বুজিলে। তাইৰ বুকু ফাটি এটা দীঘল হুমুনিয়াহ বাহিৰ হৈ আহিল। নঙলাডালত ধৰি তাই কঁপি কঁপি ঠাইতে বহি পৰিল, আৰু মুখেৰে বিৰ্ বিৰ্কৈ কিবা বকি সকলো পৰিচিত দেৱ-দেৱীৰ উদ্দেশ্যে কিবা-কিবি প্ৰাৰ্থনা কৰিবলৈ ধৰিলে।

# তেৰ

এদিন-এৰাতি ৰসেশ্বৰে মৰা-মানুহৰ দৰে বিছনাত পৰি থাকিল। ঘৈণীয়েকে দুবেলা দুমুঠি ভাতৰ জোগাৰ ক'ৰপৰা কেনেকৈ কৰিছে সেই কথাৰ খবৰ লবলৈ তাৰ মনত শক্তি নাছিল। এই এদিন এৰাতি সময় সি ঘৰৰ কোনো মানুহৰ লগত এষাৰো কথাও পতা নাছিল। দ্বিতীয় দিনা ৰাতি ল'ৰা-ছোৱালীকেইটা টোপনি যোৱাৰ পিছত সি প্ৰথম মুখ মেলিলে—'বোলো শুনিছনে ?'

ঘৈণীয়েকে মুখেৰে একো নামাতিলে, কিন্তু ইকাতি-সিকাতি কৰি বাঁহৰ বিছনাখনত কেৰ-কেৰণি শব্দ তুলি তাই জনাই দিলে যে তাই সাৰ পায়েই আছে।

'কাতিৰ পাঁচ তাৰিখে মোকৰ্দমাৰ দিন পৰিছে'— ৰসেশ্বৰে কবলৈ ধৰিলে—'মোকৰ্দমাৰ কাৰণে বহুত টকা লাগে। কেৰাণীবাবুৰ খঙৰ জুই নুমুৱাবলৈ টকা লাগে। উকীল আনিবলৈ টকা লাগে। সাক্ষীক দিবলৈ টকা লাগে। মুঠতে চাৰিওফালে কেৱল টকাই লাগে।'

ৰসেশ্বৰে আৰু কিবা কব বুলি ঘৈণীয়েকে কাণ থিয় কৰি আছিল। কিন্তু মানুহটো হঠাৎ নীৰৱ হৈ গ'ল। কেই মুহূৰ্ত্তমান সময় অপেক্ষা কৰি তাই ক'লে—'তোমাৰ মোকৰ্দমাৰ কাৰণেহে টকা লাগে, আমি খাই থাকিবলৈ হ'বলা টকা নালাগে ? তোমাৰ মাটি উদ্ধাৰ হয় মানে আমি গোটেইমখাই নাখাই মৰিব লাগিব নেকি ?'

ঘৈণীয়েকৰ উভহা কথা শুনি ৰসেশ্বৰৰ টিকিচ্‌কৈ খং উঠি গ'ল। ওচৰতে পোৱা হ'লে সি বোধহয় তাইক বাঘ-ঢকা এটাই মাৰিলে-

হেঁতেন। কিন্তু পাঁচটা ল'ৰা-ছোৱালী পাৰ হৈ গৈ ঘৈণীয়েকক মাৰি খং মাৰ নিয়াবলৈ তাৰ দেহত বা মনত ক'তো শক্তি নাছিল। ভমকৈকে জ্বলি উঠা খঙৰ জুইকুৰা মুমাবলৈ সি খন্তেকপৰ নীৰৱে অপেক্ষা কৰি ৰ'ল। তাৰ পিছত সি আকৌ মাত লগালে—'তইঁত গোটেইমখা মৰি যোৱা হ'লেওতো মই কিছু ৰক্ষা পালোহেঁতেন। শুঁহি শুঁহি মোৰ তেজ খাবলৈহে তইঁত গোটেইবোৰ জীয়াই আছ। কেতিয়াবা কিবা খং উঠিব—গোটেইজাককে ভিতৰত সুমুৱাই লৈ দুৱাৰত ডাং মাৰি ঘৰত জুই লগাই দিম,—তেতিয়া চিনি পাবি অমুকাক। এতিয়া শুন, চুপতি মাৰি মোৰ খঙৰ জ্বলা জুইত ঘিউ ঢালিব নালাগে,—ইমানবোৰ টকা এতিয়া মই ক'ৰ পৰা পাওঁ?'

ৰসেশ্বৰৰ অসহায় অৱস্থা দেখি দুখত ঘৈণীয়েকৰ বুকু ভাগি গৈছিল। সপ্ত-বীৰে চক্ৰ-বেহুত সুমুৱাই লৈ অভিমন্যুক বধ কৰাৰ দৰে সংসাৰখনে চাৰিওফালৰ পৰা অজলা-অধম্ন মানুহটোক বেঢ়ি কুঢ়ি মাৰিবলৈ উপক্ৰম কৰিছে। কিন্তু মাতত সহানুভূতিৰ কোনো চিন নেদেখুৱাই তাই কৰ্কশ মাতেৰে ক'লে—'তুমি মতা মানুহটো হৈ টকা ক'ৰপৰা পাবা সেই কথা নাজানা, সুধিবলৈ আহিছা মাইকী মানুহজনীক? মই সেইবোৰ কথা কি জানো? সংসাৰ পাতিব যেতিয়া জানিছা, খুৱাবলৈকো জানিব লাগিব। খুৱাব নোৱাৰিলে তুমি কোৱাটোকে কৰিবা,—ঘৰত জুই দি আমাৰ গোটেইবোৰকে জীয়াই জীয়াই পুৰি মাৰি পেলাবা। পুৰুষ আৰু কাক কয়?'

ঘৈণীয়েকৰ কথা শুনি ৰসেশ্বৰৰ আকৌ খং উঠি আহিছিল, কিন্তু বিজুলি-চমকৰ দৰে খঙটো নোহোৱা হৈ তাৰ ঠাই দখল কৰিলে এটা গভীৰ দুখৰ অনুভূতিয়ে। দৈব-দুৰ্বিপাকত পৰি আজি তাৰ এনেহে অৱস্থা হ'ল যে পাটিৰ তিৰোতায়ো তাৰ পুৰুষালিক উদ্দেশ্য কৰি ভেঙুচালি কৰিব পৰা হ'ল। অথচ তাই কোৱা কথাবোৰতো মিছাও নহয়। উত্তৰত কবলৈ তাৰ একো কথাই নাই। বেলেগ কিবা

এষাৰ কথা ক'বলৈ গৈয়ো তাৰ ওঁঠদুখন থৰ্ থৰ্কৈ কঁপি উঠিল। সি তেতিয়াহে বুজিলে যে এটা প্ৰচণ্ড কান্দোন তাৰ ডিঙি ফালি বাহিৰ ওলাই আহিব খুজিছে। তাৰ খুব লাজ লাগিল। মতা মানুহ 'এটা হৈ সি আজিকালি কথাই কথাই কেৱল তিৰোতা মানুহৰ দৰে কান্দি উঠিব খোজে—নিজৰ ওপৰতে তাৰ ভীষণ খং উঠিল। খুব কষ্ট কৰি সি এটা কৰ্কশ আৰু কঠিন মাত উলিয়াবলৈ চেষ্টা কৰিলে—'সময়হলে মই নিজেই ঘৰত জুই দি তহঁতক পুৰি মাৰিম। তোৰ হুকুমলৈ মই তেতিয়া বাট নাচাওঁ। এই কথাও মনত ৰাখিবি—মই নিজে খুজি তোক ঘৰ সুমুৱাহি নাছিলোঁ। তোক মোৰ লগত বিয়া দিবলৈ মোৰ ভৰিত ধৰিবলৈ আহি বাপেৰে এটা বাট সজাইছিল। কোনোবা লাট-চাহাবক বিয়া কৰাবলৈ যদি মন আছিল, তেতিয়াই বাপেৰক নকলি কিয়? এতিয়াও যদি কোনোবা নিওঁতা আছে—তেন্তে গুচি যাব পাৰ। মোৰ একো আপত্তি নাই।'

কোনবোৰ কথাই ঘৈণীয়েকৰ মনত আটাইতকৈ বেচিকৈ আঘাত দিয়ে সেই কথা ৰসেশ্বৰে জানে। তাৰ উদ্দেশ্য লগে লগে সিদ্ধ হ'ল। ৰসেশ্বৰৰ কথা শুনিয়েই ঘৈণীয়েকে দুই কাণত অঙুলী সুমুৱাই হুক-হুকাই কান্দি উঠিল: 'হে ভগবান, তুমি এই মুহূৰ্ত্ততে মোক মাৰি নিনিয়া কিয়? এনেকুৱা মহাপাতকৰ কথা শুনিবলৈ মোক কিয় জীয়াই ৰাখিছা প্ৰভু? সংসাৰত ধৰ্ম বোলা বস্তু এটা যদি আছে, তেন্তে এনেকুৱা গোৰে-পোৰে তল যোৱা মহা-পাপৰ কথা যি মানুহৰ মুখত 'ওলায় সেইখন মুখত নিশ্চয় পোক লাগিব, বৌ-ৰৌ নৰকতো তেনে মানুহৰ নিশ্চয় ঠাই নহব।'......মুখত যিহকে আহে তিহকে বকি বকি তাই বহুত পৰ ইনাই-বিনাই কান্দি থাকিল।

ৰাতি দুপৰ হবৰ হ'ল, তথাপি গিৰিয়েক-ঘৈণীয়েক এটাৰো চকুত টোপনি নাই। ৰসেশ্বৰৰ মনত এনে এটা জেদ্ ধৰিছে যে

ৰাতিটো পুৱাৰ আগতেই টকাৰ সমস্যাটোৰ এটা সমাধান হৰই লাগিব। পুৰা এদিন-এৰাতি সি এই কথাটোকে ভাবি-চিন্তি বিছনাত আধা-মৰা হৈ পৰি আছে ; ৰাতিটোৰ ভিতৰতে সমস্যাটোৰ কিবা এটা হেস্ত-নেস্ত নহলে কাইলৈ ৰাতিপুৱাও সি বিছনাৰ পৰা উঠিব নোৱাৰিব। ঘৈণীয়েকৰ কান্দোন বন্ধ হোৱালৈকে সি কোনোমতে ধৈৰ্য্য ধৰি অপেক্ষা কৰি ৰ'ল। তাই নীৰৱ হৈ পৰাৰ লগে লগেই সি অতি সহজ ভাবে, যেন ইমানপৰে সিহঁতৰ একো খকা-খুন্দা লগাই নাছিল—এনে ভাবে মাত লগালে—'উপায় কেৱল এটাই আছে বুজিছ। সোনটিক কোনোবা এঘৰ মানুহত চাকৰ সুমুৱাই দি টকা এশ-ছকুৰি মান আগধন হিচাবে আনিব লাগিব। মাটিখিনি মোকৰ্দমাৰ লেঠাৰপৰা মোকলাই খেতি এটামান কৰিব পাৰিলেই নিজে খাওঁ বা নাখাওঁ সোনটিক লগে লগে মোকলাই আনিম।'

ৰসেশ্বৰৰ কথা শেষ হ'ল কি নহ'ল—ঘৈণীয়েকে গাৰ কাপোৰখন দলি মাৰি দি বিছনাত বহি লৈ বাঘিনীৰ দৰে গৰ্জন কৰি উঠিল —'তুমি কি ক'লা ? সোনটিক পঢ়া এৰুৱাই দি লোকৰ ঘৰত চাকৰ সুমুৱাবা ? এনে কথা মুখত ওলোৱাৰ আগতে তুমি ডিঙিত শিল বান্ধি নৈত পৰি মৰি নগ'লা কিয় ? খবৰ্দাৰ্, এনে কথা আজিয়েই যি কলা কলা ; আৰু যেন তোমাৰ মুখত এইষাৰ কথা নুশুনো। মোৰ কথা নুশুনি তুমি যদি সোনটিক কাৰোবাৰ ঘৰত চাকৰ থবলৈ যোৱা, তেন্তে তুমি ঠিক জানিবা, মোক আৰু তুমি জীয়াই থকা অৱস্থাত নাপাবা। পিছ মুহূৰ্ত্ততে মৰো ছিপজৰী লগাই আপোনঘাতী হম।'

সোনটি আৰু মাকৰ মাজত আৰু তিনিটা ল'ৰা-ছোৱালী শোৱে। ৰসেশ্বৰৰ ঘৈণীয়েকে সেই মুহূৰ্ত্ততে মাজৰ ল'ৰা-ছোৱালী কেইটাক বেৰখনৰ ফালে ঠেলি দি নিজে আহি সোনটিৰ কাষত শুই তাক দুই হাতেৰে সাৱতি ধৰিলে—যেন সেই মুহূৰ্ত্ততেই বাপেকে

তাক আজুৰি লৈ যোৱাৰপৰা তাই বাধা দিবলৈহে চেষ্টা কৰিছে।

ৰসেশ্বৰ কিছু সময় নিমাত হৈ ৰ'ল। মনে মনে চিন্তা কৰি সি বুজিলে যে জোৰ কৰি বা তৰ্ক কৰি ঘৈণীয়েকক সন্মত কৰাবলৈ চেষ্টা কৰিলে কথা বেয়ালৈহে ঢাল খাব; কোমল বুজনিৰেহে তাইক সন্মত কৰাবলৈ চেষ্টা কৰিব লাগিব। মাতটো যিমান পাৰে কোমল কৰিবলৈ চেষ্টা কৰি সি ক'লে—'কথাষাৰ শুনিয়েই তই যে ফেঁটি সাপজনীৰ দৰে ফেট্ তুলি ফোঁচ্ কৰি উঠিলি, অলপ ঠাণ্ডা মগজেৰে কথাষাৰৰ আগ-পিচ ভাবি চাবলৈ চেষ্টা নকৰ কিয়? আমাৰ ল'ৰাই পঢ়ি-শুনি কেতিয়াবা দাৰোগা-হাকিম হব বুলি তই আশা কৰি আছনেকি? কথ-মম যিমানেই নপঢ়ক, নাঙলৰ মুঠিয়েই হব তাৰ শেষ সাৰথি। কিন্তু তালৈ যদি খেতিৰ মাটিডৰাকে মই নিজগ্ৰাল কৰি থৈ যাব নোৱাৰোঁ, তেন্তে মই মৰি যোৱাৰ পিছত সি খাব কি কৰি? তাকতো মই গোটেই জীৱনৰ কাৰণে পৰৰ ঘৰত চাকৰ থব খোজা নাই, খুব বেচি ছমাহ কি এবছৰ। এই ছমাহ-এবছৰৰ কাৰণে তই তাক চাকৰ থবলৈ টান পাইছ; কিন্তু মাটিডোখৰ মোকলাই থৈ যাব নোৱাৰিলে সি যে গোটেই জীৱনেই লোকৰ ঘৰত চাকৰ খাটিব লাগিব—সেই কথা তই ভাবি চাইছনে নাই? ······ঠিক আছে, মোৰ কথা যদি মানিব নোখোজ, মই একো নকওঁ। কিন্তু এই কথাও জানি থবি, আজিৰপৰা আমি নিজে যে পথৰ ভিখাৰী হলোৱেই, আমাৰ ল'ৰা-ছোৱালীকো পথৰ ভিখাৰী কৰি এৰি থৈ যোৱাৰ ব্যৱস্থা কৰিলোঁ।'

ৰসেশ্বৰে বাগৰ সলাই শুই পৰিল। সি ঘৈণীয়েকক বুজাই দিলে যে তাৰ ফালৰ পৰা সেই কথাৰ সিমানতে সামৰণী পৰিল। এতিয়া ঘৈণীয়েকে কি সিদ্ধান্ত লয় লওক।

ৰসেশ্বৰৰ অকাট্য যুক্তিৰ উত্তৰত একো মাত মাতব নোৱাৰি ঘৈণীয়েকে নিজকে এনে অসহায় যেন অনুভৱ কৰিলে যে তাইৰ গোটেই দেহ-মন মৰা মানুহৰ দৰে অসাৰ হৈ পৰিল। ৰাতিৰ

অন্ধকাৰতকৈ সহস্ৰগুণে বেচি গভীৰ আৰু ভয়ংকৰ এক অন্ধকাৰে পাষাণ-ভাৰৰ দৰে তাইক হেঁচা মাৰি ধৰিলে। তাই অনুভৱ কৰিলে যে সেই অন্ধকাৰৰ হেঁচাই তাইৰ হাড়-মূৰবোৰ ভাঙি গুৰি কৰি পেলাবলৈ উপক্ৰম কৰিছে,—আৰু যেন অন্তহীন দূৰৰ পৰা—তাইৰ বুকুৰ গভীৰৰ পৰা—এটা ক্ষীণ অস্ফুট আৰ্তনাদ বাহিৰ হৈ আহিছে—'ভগবান!'

## চৈধ্য

প্ৰায় গোটেই ৰাতি উজাগৰে থাকি শেষ নিশাৰ ফালে ৰসেশ্বৰৰ টোপনি আহিল। সাৰ পাই চকু মেলি চাই সি দেখিলে—ভগা বেৰৰ জলঙাইদি ৰ'দ সোমাই শোৱা বিছনাখনো চোতাল যেন পোহৰ হৈ পৰিছে। বিছনাখনত আৰু কোনো নাই, সি অকলেহে শুই আছে। সি আজি ইমান দেৰিলৈকে কিয় বিছনাত পৰি আছে সেই কথা ৰসেশ্বৰে প্ৰথমে বুজিবই নোৱাৰিলে। খুব ধীৰে ধীৰে তাৰ চেতনা সজাগ হৈ আহিল, আৰু পাৰ হৈ যোৱা ৰাতিটোৰ গোটেই কথাবোৰ এটা এটাকৈ তাৰ মনত পৰিবলৈ ধৰিলে। ঠিক এনে সময়তে তাৰ কাণত পৰিল—আগ ফালৰ পিৰালীত বহি লৈ সোনটিয়ে চিঞৰি চিঞৰি কিতাপ পঢ়িছে। সুৰ লগাই লগাই সি কিবা এটা পদ্য মুখস্থ কৰিছে। কিছু সময় সোনটিৰ পদ্য পঢ়া শুনি শুনি ৰসেশ্বৰৰ ইমান ভাল লাগিল যে আকৌ এবাৰ মধুৰ টোপনিত ঢলি পৰিবলৈ তাৰ মন গ'ল। কিন্তু হঠাৎ উজুটি খাই দুখ পোৱাৰ দৰে তাৰ মনটো পুনৰ অতি তীব্ৰভাৱে সাৰ পাই উঠিল ; তাৰ মনত পৰিল যে আজিৰপৰা সোনটিয়ে আৰু কোনো দিন এনেকৈ পদ্য পঢ়িবলৈ নাপাব ! কথাষাৰ মনলৈ অহাৰ লগে লগে ৰসেশ্বৰে এনে এটা অসহ্য যন্ত্ৰণা অনুভৱ কৰিলে—যেন কলিজাৰ মাজেদি এডাল বিষাক্ত শেলহে সৰকি গ'ল। এটা বিকট চীৎকাৰ কৰি সোনটিৰ পদ্য-পঢ়া মধুৰ কণ্ঠস্বৰটো বন্ধ কৰি দিবলৈ ৰসেশ্বৰৰ মন গ'ল ; কিন্তু কামত সি সেইবোৰ একো নকৰি খুব কষ্ট কৰি বিছনাত উঠি বহিল, আৰু নিজৰ শৰীৰটোকে আনৰ মৰা-শ চোঁচৰাই চোঁচৰাই টানি নিয়াৰ দৰে কৰি বাহিৰলৈ ওলাই গ'ল।

পিৰালীত ঠিয় হৈ ৰসেশ্বৰে দেখিলে—পদূলি-মুখেদি ঘৈণীয়েক ঘৰলৈ সোমাই আহিছে। তাইৰ গাত কিন্তু সদায় ঘৰত পিন্ধি থকা ফটা-চিটা লেতেৰা কাপোৰ-জোৰা নহয়, মানুহৰ ঘৰলৈ ফুৰিবলৈ যাওঁতে পিন্ধা এজোৰা চফা কাপোৰ। ৰসেশ্বৰ আচৰিত হ'ল। এই ৰাতিপুৱাই মানুহজনী কলৈ গৈছিল? সি সেই কথা ভাবি থাকোতেই ঘৈণীয়েক আহি পিৰালীত উঠিলহি। গিৰিয়েকৰ ফালে তাই এবাৰো মূৰ তুলি চোৱা নাই। তাইৰ মুখৰ ভাব-ভংগী দেখি ৰসেশ্বৰৰো মুখৰ প্ৰশ্ন মুখতে থাকিল। সোনটিয়ে কিন্তু পঢ়াৰপৰা মুখ তুলি মাকক প্ৰশ্ন কৰিলে—'তুমি কলৈ গৈছিলা আই?'

ৰসেশ্বৰৰ ঘৈণীয়েকে এক মুহূৰ্ত্তমান সময় পুতেকৰ মুখৰফালে এক দৃষ্টিৰে চাই থাকিল। তাৰপিছত মুখেৰে একো নকৈ তাই সাউৎ কৰে ভিতৰলৈ সোমাই গ'ল।

ৰসেশ্বৰে যি বুজিব লাগে বুজিলে। স্বৰগপৰা মানুহৰ দৰে সি কিছু সময় একে ঠাইতে নিথৰ হৈ থিয় হৈ থাকিল। বুকু ভেদি বাহিৰ হৈ আহিব খোজা দীঘল হুমুনিয়াহ এটা সি কোনোমতে মুখ টিপি সম্বৰণ কৰিলে। তাৰ পিছত দুৰ্বল খোজেৰে সি এখোজ দুখোজকৈ ভিতৰলৈ সোমাই গ'ল। শোৱা কোঠালৈ সোমাই গৈ সি দেখিলে—ঘৈণীয়েকে বিছনাত উবুৰি হৈ গাৰু এটাত মুখ গুজি কান্দিব ধৰিছে, তাইৰ গোটেই শৰীৰটো ভূমিকম্পত পৃথিৱী কঁপাৰ দৰে কঁপিব ধৰিছে।

'মোৰ স্কুললৈ ওলাবৰ সময় হৈছে আই, কৰ্কৰা ভাত অলপ থৈছিলানে?'—কথাষাৰ কৈ কৈ সোনটি ভিতৰলৈ সোমাই আহিল। মাক-বাপেকক তেনে আচহুৱা অৱস্থাত দেখি সি হতভম্ব হৈ বাপেকৰ মুখলৈ চালে। বাপেকে তাৰ মুখৰপৰা নিজৰ দৃষ্টি আঁতৰাই নি অৰ্থহীনভাৱে এবাৰ বেৰৰ ফালে চালে, তাৰ পিছত মুখ ধুবলৈ বুলি পিছ ফালৰ কুৱাৰ পাৰলৈ খোজ ললে।

মাকক কেবাবাৰো প্ৰশ্ন সুধি সুধি একো মাত নাপাই সোনটিও

শোৱা-কোঠাৰপৰা ওলাই আহিল, আৰু মুখৰ ভিতৰতে কিবাকিবি ভোৰভোৰাই সি স্কুললৈ যাবলৈ বুলি সাজু হ'ল। পাকঘৰলৈ গৈ চৰু চাই সি দেখিলে—কৰ্কৰা ভাত এমুঠি থকা দূৰৰ কথা, চৰুৰ কাণে-বাৰে ক'তো এটা মাত্ৰ ভাত পৰ্য্যন্ত লাগি থকা নাই। নিৰাশা আৰু মনৰ দুখত তাৰ চকু দুটা সেমেকি উঠিল, কিন্তু এনেকুৱা অভিজ্ঞতাত সি ইমান বেচি অভ্যস্ত যে ভাত কিয় নাই বুলি মাকক প্ৰশ্ন কৰাৰ কোনো প্ৰয়োজন সি অনুভৱ নকৰিলে। কিতাপ-ফলিখিনি হাতত লৈ সি পুনৰ মাকৰ কাষত আহি থিয় হ'লহি আৰু ক'লে—'আই, মই স্কুললৈ ওলালোঁ। ঘুৰি আহি কিন্তু ভাত খাবলৈ পাবহি লাগিব।'

সোনটি শোৱা-কোঠাৰপৰ ওলাই গৈ পিৰালী পালেগৈ। মাকে বুজিলে যে এতিয়াই তাক বাধা দিয়াৰ সময়; কিন্তু তাইৰ কলিজাখন ছিগি ওলাই আহি তাইৰ মুখখন বন্ধ কৰি দিয়াৰ দৰে এনে এটা অৱস্থা হ'ল যে কোনো মতেই তাই মুখৰপৰা কথাষাৰ উলিয়াব নোৱাৰিলে। তাই শোৱা অৱস্থাৰ পৰাই গম পালে যে পুতেকে চোতালত ভৰি দিছে, মুখৰপৰা কলিজাৰ সোপাটো গুচাবৰ কাৰণে চেষ্টা কৰি তাইৰ গোটেই শৰীৰ ধৰফৰাই উঠিছে, ৰসেশ্বৰৰ মুখ ধোৱা শেষ হ'ল যদিও সেই ভয়ংকৰ মুহূৰ্ত্তটোৰ মুখামুখি হবলৈ সাহ কৰিব নোৱাৰি সি তেতিয়াও কুৱাৰ পাৰতে বহি আছে, পুতেক আৰু কেইখোজমান আগবাঢ়ি গৈ ডালিম গছজোপা পাৰ হৈ গ'ল, আৰু কেইমুহূৰ্ত্তমান পিছতে সি নঙলামুখ পাবগৈ, তেতিয়া আৰু বহুত পলম হৈ যাব, ইফালে কলিজাৰ সোপাটোও তাই মুখৰ পৰা গুচাব পৰা নাই, কিন্তু গুচাবইতো লাগিব, আনকি তাকে কৰিবলৈ যাওঁতে তাইৰ গোটেই শৰীৰটো যদি ফাটি চিৰাচিৰো হৈ যায়—তথাপি তাই মুখ মেলিবই লাগিব, পুতেকক কথাষাৰ কবই লাগিব, সি বোধহয় ইতিমধ্যে নঙলামুখ পাৰ হৈ গ'ল, পেটত ভাত এটা নপৰিলেও স্কুললৈ যাবৰ সময়ত সি মনৰ উলাহতে গৰু

পোৱালী এটাৰ দৰে দেও দি দি যায়, আৰু অলপ সময় পাৰ হৈ গ'লেই সি লম্বোদৰহঁতৰ পদূলি পাৰ হৈ যাবগৈ ;···ৰসেশ্বৰৰ ঘৈণীয়েকে শৰীৰৰ সমস্ত শক্তিৰে চিঞৰি উঠিল—'সোনটি ?'

সোনটি আচলতেই লম্বোদৰহঁতৰ পদূলি পাওঁ পাওঁ হৈছিলগৈ, হঠাৎ মাকৰ চিঞৰটো শুনি সি ঘপহকৈ বৈ গ'ল, পিছমুহূৰ্ত্ততে সি ভিৰাই ঘৰৰ ফালে ঢাপলি মেলিলে। তাৰ মনত নিশ্চিত ধাৰণা হ'ল যে মাকৰ নিশ্চয় এটা ডাঙৰ অঘটন ঘটিছে। একেসময়তে ৰসেশ্বৰেও কুৱাৰ পাৰৰ পৰা উধাতু খাই দৌৰি আহিল। বাপেক-পুতেক প্ৰায় একে সময়তে সোনটিৰ মাকৰ ওচৰত হাজিৰ্ হ'লহি। সোনটিয়ে হাতৰ কিতাপ-পত্ৰখিনি মাটিলৈ দলি মাৰি দি মাকৰ গাৰ ওপৰত উবুৰি খাই পৰিল আৰু আৰ্তস্বৰেৰে প্ৰশ্ন কৰিল—'তোমাৰ কি হৈছে আই ? কিয় এনেকৈ চিঞৰ মাৰি উঠিলা ?'

সোণটিৰ মাকে পুতেকক বুকুৰ মাজলৈ টান মাৰি আনি হুকহুকাই কান্দিবলৈ ধৰিলে। তাৰ পিছত এটা সময়ত কান্দোন বন্ধ কৰি তাই ক'লে—'সোনটি, তই স্কুললৈ যাব নালাগে।'

সোনটিয়ে মাকৰ বুকুৰ মাজত মুখখন গুজি থাকিয়েই প্ৰশ্ন কৰিলে—'কিয় আই ? তোমাৰ কিবা অসুখ হৈছে নেকি ?'

মাকৰ নতুনকৈ এজাউৰি কান্দোন আহিল। কান্দি কান্দিয়েই তাই ক'লে—'কেৱল আজিয়েই নহয় বাচা। আৰু কোনোদিনেই তই স্কুললৈ যাব নালাগে। আমাৰ নিচিনা লাও-লোৱা দুখীয়ামানুহৰ··· ······'

মাকে বাক্যটো শেষ কৰিবলৈ নাপালেই, সোনটিয়ে মাকৰ বুকুৰ পৰা উচাৎ মাৰি মুখখন উলিয়াই বিছনাত বহি উত্তেজিত হৈ প্ৰশ্ন কৰিলে—'কিয় মই স্কুললৈ নাযাম ? তুমি ক'লেই হবনেকি ? নাখাই মৰিলেও মই স্কুললৈ যামেই যাম। অঁ' এতিয়াহে বুজিলোঁ, এইষাৰ কথা কবৰ কাৰণেই তুমি মোক চিঞৰ-বাখৰ কৰি আধা-বাটৰ পৰাই ঘুৰাই আনিছা ? মই স্কুললৈ যাওঁ, ঘণ্টা পৰিবৰ সময়

হৈছে। তুমি পিছফালৰপৰা আকৌ চিঞৰ-বাখৰ কৰি নাথাকিবা।'

সোনটিয়ে মাটিত পৰি থকা কিতাপ-পত্ৰবোৰ তুলিবলৈ আৰম্ভ কৰিলে।

ৰসেশ্বৰৰ ঘৈণীয়েকে গিৰিয়েকৰ ফালে চাই ক'লে—'তুমি এতিয়া নিবোকা চামোনটোৰ দৰে মনে মনে আছা কিয়? পুতেৰক নোকোৱা কিয় আচল কথাষাৰ?'

ৰসেশ্বৰে অপৰাধী মানুহৰ দৰে মুখখন সেমেনা-সেমেনি কৰি তলমূৰ কৰিলে।

সোনটিয়ে মাক-বাপেকৰ কথা-বাৰ্তালৈ গ্ৰাহ্য নকৰি আকৌ স্কুললৈ বুলি ওলাই চোতাল পালেগৈ, তেনেতে মাকে কান্দোনত বিকৃত হৈ উঠা মাতেৰে চিঞৰি উঠিল—'সোনটি, তোক আৰু মই কিমানবাৰ কব লাগে যে আজিৰ পৰা তোৰ আৰু স্কুললৈ যোৱা নহব? শুন বোপাই, আমাৰ সৰ্বনাশ হৈছে। মাৰ-বাপেৰ হাল জীয়াই থাকিও মৰাৰ দৰে হ'লো, একো এটা উপায় কৰিব নোৱাৰিলোঁ: এতিয়া তই ফুকলীয়া ল'ৰাটোৱেহে আমাক বিপদৰ পৰা উদ্ধাৰ কৰিব লাগিব।'

মাকৰ মাতত এনে এটা কাতৰতা ফুটি উঠিল যে সোনটিয়েও বুজি পালে—সিহঁতৰ ঘৰত নিশ্চয় কিবা এটা ভয়ংকৰ বিপদ হৈছে। সি এখোজ-দুখোজকৈ মাকৰ ওচৰলৈ ঘুৰি আহি শান্ত মাতেৰে সুধিলে—'স্কুললৈ বাৰু নগলোৱেই আই, কিন্তু মই কি কৰিব লাগে সেই কথাটো নোকোৱা কিয়?'

'তই সৰ্বেশ্বৰ গাওঁবুঢ়াৰ ঘৰত চাকৰ থাকিব লাগিব'—সোনটিৰ মাকৰ মাতলৈ এটা অস্বাভাৱিক দৃঢ়তা ঘুৰি আহিল—'আজি ৰাতি-পুৱাই গৈ মই সকলো বন্দৱস্ত কৰি আহিছোঁ। বাপেৰে আজি দুপৰীয়াই তোক লৈ গৈ সৰ্বেশ্বৰ গাওঁবুঢ়াৰ ঘৰত থৈ আহিবগৈ।'

কথাষাৰ কৈয়েই সোনটিৰ মাকে মূৰলৈকে কাপোৰখন টান মাৰি লৈ শুই পৰিল।

সোনটি কিছু সময় স্বৰগ পৰা মানুহৰ দৰে জঠৰ হৈ থিয় হৈ ৰ'ল। অলপ সময়ৰ কাৰণে তাৰ ওঁঠ দুখন এবাৰ ঠৰ্ ঠৰ্ কৈ কঁপি উঠিল। সি দাঁতেৰে তলৰ ওঁঠখন কামুৰি ধৰিলে। ৰসেশ্বৰে শোৱা কোঠাৰপৰা ওলাই গৈ পিৰালীত থিয় দিলেগৈ। সোনটিয়ে পাকঘৰলৈ গৈ জুইশলা বাঁহ এটা বিচাৰি আনিলে। তাৰ পিছত সি চোতালতে বহি লৈ তাৰ কিতাপ-পত্ৰবোৰত জুই লগাই দিলে। ৰসেশ্বৰে পিৰালীতে শিলৰ মূৰ্ত্তিৰ দৰে থিয় হৈ গোটেই দৃশ্যটো চাই থাকিল। কিতাপখিনি পুৰি ছাঁই হোৱাৰ পিছত সোনটিয়ে চোতালৰ পৰা উঠি আহি বাপেকৰ ওচৰত থিয় হৈ ক'লে—'মোক খবলৈ কেতিয়া যাবা পিতা?'

## পোদ্দাৰ

সৰ্বেশ্বৰ গাওঁবুঢ়াৰ লগত বহুত খট্-বাদ্ধ্ কৰি সোনটিৰ দৰ্মহা মাহে পোদ্দাৰ টকাত ঠিক হ'ল। ৰসেশ্বৰে গাওঁবুঢ়াৰ হাতে-ভৰিয়ে ধৰি তাৰে ষাঠি টকা আগধন বুলি আদায় কৰিলে।

টকাকেইটা হাতত পৰাৰ পিছতেই ৰসেশ্বৰৰ প্ৰথম চিন্তা হ'ল— কেৰাণীবাবুক কেনেকৈ তুষ্ট কৰা যায়? তাৰ মনত দৃঢ় ধাৰণা যে কেৰাণীবাবুৱে তাৰ ওপৰত খং কৰি থাকিলে তাৰ মোকৰ্দমাৰ ফল ভাল হোৱাৰ কোনো আশা নাই। দুদিনমান কেৱল সেই কথাকে চিন্তা কৰি সি অৱশেষত এটা সিদ্ধান্তত উপনীত হ'ল। টকা কুৰিটা খৰচ কৰি সি জহা চাউল কেইসেৰমান, মতা হাঁহ এটা আৰু গাখীৰ এটেকেলি জোগাৰ কৰিলে। তাৰ পিছত এদিন দেওবাৰে দুপৰীয়া ঈশ্বৰৰ নাম লৈ সি কেৰাণীবাবুৰ ঘৰলৈ যাত্ৰা কৰিলে।

দেওবাৰৰ দিন বুলি কেৰাণীবাবুৱে দুপৰীয়া ভাত খাই উঠি গাত ৰ'দ লৈ বহি আছিল; ৰসেশ্বৰক দেখাৰ লগে লগেই খং আৰু বিৰক্তিত তেওঁৰ চকুৰ গাঠি থুপ খালে। কিন্তু পিছ মুহূৰ্ত্ততে ভেটি-ভাৰখিনিত চকু পৰাত নিমিষতে তেওঁৰ মুখৰ ভাব সলনি হ'ল। কিন্তু তথাপি বাহিৰত কৃত্ৰিম খং দেখুৱাই তেওঁ মাত লগালে—'কিহে, অফিচত কৰা অপমানখিনিয়েই নুজুৰিলে, এতিয়া ঘৰতো কিবা কথা শুনাবলৈ আহিছা নেকি।'

ৰসেশ্বৰে ভেটি-ভাৰখিনি কেৰাণীবাবুৰ ভৰিৰ ওচৰত থৈ দুই হাত জুৰি নমস্কাৰ কৰি কাতৰ মাতেৰে ক'লে—"মই অতি মুৰুখ মানুহ দেউতা, নেজানি আপোনাৰ ওচৰত বহুত দায়-দোষ লগাইছোঁ; সেইখিনি নিজগুণে ক্ষমা কৰিব। এতিয়া মোৰ আমা-ডিমা পাঁচোটা

ল'বা-ছোৱালীৰ মুখলৈ চাই মোক এই মহা সংকটৰ পৰা উদ্ধাৰ কৰক।"

কেৰাণীয়ে চিঞৰ মাৰি ভিতৰৰ পৰা ল'ৰা এটাক মাতি ৰসেশ্বৰে অনা বস্তু বেহানিবোৰ ভিতৰলৈ নিবলৈ ইংগিত দিলে, তাৰ পিছত ৰসেশ্বৰৰ মুখলৈ চাই ক'লে—'তোমালোকে কথাবোৰ নিজেও নুবুজা, আনে বুজালেও বুজিব নোখোজা। তোমাৰ মোকৰ্দমাৰ দিনটো মাঘৰ আগতে পৰাৰ কোনো আশা নাছিল। মই তোমাৰ মুখলৈ চাই হাকিমৰ লগত বহুত খট্-বান্ধ কৰি কাতিতে দিনটো পেলালো। কিন্তু তুমি তাৰ কাৰণে মোক ক'ত ধন্যবাদ এটা দিবা, ঘুৰাই অতখন ৰাইজৰ আগত মোক অপমানহে কৰিলা। বাৰু, এতিয়া যি হবৰ হৈ গ'ল, তোমাৰ মোকৰ্দমা যাতে ভাল হয় তাৰ কাৰণে মই নিশ্চয় চেষ্টা কৰিম। পিছে মোকৰ্দমা বুলিলেই টকাৰ খেলা বুজিছা। পানীত নামিলে গা যেনেকৈ তিতিবই, মোকৰ্দমাত সোমালেও টকা খৰচান্ত হবই। মই গম্ পাইছোঁ, সনাতন শৰ্মাই ডাঙৰ উকীল ধৰিছে! তুমিও উকীল এজন আনিব পাৰিলেহে ভাল হ'ব। অহাযোৱাৰ খৰচকে ধৰি উকীলৰ কাৰণে কমেও আঠেকুৰি হিচাবত ধৰি থবা। বেচি ডাঙৰ উকীললৈ হাত নেমেলিবা। এনেবোৰ খুচুৰীয়া মোকৰ্দমাৰ কাৰণে ভোলা শৰ্মা উকীলেই যথেষ্ট হ'ব। আৰু ভাল চাই সাক্ষী তিনিজনমান ঠিক কৰিবা। সেই মাটিত যে তুমি বোপা-ককাৰ দিনৰ পৰাই খেতি কৰি আহিছা আৰু কেতিয়াও কাকো আধিৰ ভাগ দিব লগা হোৱা নাই, সেই কথা গাৱঁৰ তিনিজনমান মানুহে বোৰ্ডৰ আগত কবহি লাগিব। তুমি আগতে মেল-মোকৰ্দমা কৰি নোপোৱা মানুহ, গতিকে নাজানিবও পাৰা—সেই কাৰণে এতিয়াই কৈ থওঁ,—সাক্ষীয়েও বোধহয় অহা-যোৱাৰ খৰচ হিচাবে তোমাৰপৰা কেইটামান টকা দাবী কৰিব; সেই গোটেইবোৰ খৰচৰ কাৰণে আগৰে পৰাই প্ৰস্তুত হৈ থাকিবা। তুমি এতিয়া যোৱা। কোনোবা মানুহ আহি

তোমাক মোৰ ঘৰত দেখিলে নানা বেয়া কথা উলিয়াব। মোকৰ্দমাৰ দিনাখন মই তোমাৰ মোকৰ্দমাটোকে আটাইতকৈ আগতে উলিয়াই দিম; তুমি চিন্তা নকৰিবা।'

কেৰাণীবাবুৰ ঘৰৰ পৰা ঘুৰিবৰ সময়ত ৰসেশ্বৰৰ মনটো পাতল লাগিবৰ ছাৰি আগতকৈ বেচি গধুৰহে হৈ পৰিল। প্ৰত্যেকবাৰেই সি ভাবে যে এইবাৰেই বোধহয় তাৰ সমস্যাটোৰ কিবা এটা সমাধান হ'ল। কলিকালৰ দেৱতা-স্বৰূপ হাকিম-মণ্ডল-কেৰাণীলৈ বুলি ইমানবোৰ পূজা-পাতল আগবঢ়াইছে যেতিয়া মনে-বিচৰা ফল নিশ্চয় লাভ হবই হ'ব। কিন্তু প্ৰত্যেকবাৰেই সি দেখে যে পূজা-পাতলৰ ভাগ বিচৰা দেৱতা নতুন নতুনকৈ ওলাইহে গৈছে। মনে মনে সি এটা হিচাব কৰিবলৈ ধৰিলে: উকীলক দিব লাগিব পঞ্চাচ টকা; উকীল বিচাৰি সি চহৰলৈ অহা-যোৱা কৰিবলৈ কম পক্ষেও লাগিব দহ টকা; তিনিজন সাক্ষীকো জনে প্ৰতি পাঁচ টকাকৈ হ'লেও লাগিব পোন্ধৰ টকা, অৰ্থাৎ নাই নাই বুলিও আৰু পয়সত্তৰ টকাৰ কাৰবাৰ। সৰ্বেশ্বৰ গাওঁবুঢ়াৰ ওচৰত সোনটিক বিক্ৰী কৰি পোৱা ষাঠি টকাৰ বিশ টকা ইতিমধ্যে খৰচ হ'লেই। বাকী থাকিল চল্লিশ টকা। মোকৰ্দমাৰ দিন পৰে মানে ঘৰৰ ইটো-সিটো খৰচত তাৰে আৰু কেইটকা ওলাই যায় তাৰ একো থিক নাই। তাৰ মানে আৰু এসপ্তাহ— দহদিনৰ ভিতৰতে সি কম-পক্ষেও আৰু আঠৈকুৰি টকা যোগাৰ কৰিবই লাগিব।...ৰসেশ্বৰে অনুভব কৰিলে যে এই কথাটোকে যদি সি আৰু কিছু সময় চিন্তা কৰি থাকে, তেন্তে হয় সি পাগল হৈ যাব, নহলে মূছ্-কঁছ গৈ ৰাস্তাতে লুটি খাই পৰিব। কিছুসময় সি টকাৰ কথা চিন্তা নকৰি আন কিবা-কিবি চিন্তাত নিজৰ মনটো ব্যস্ত ৰাখিবলৈ চেষ্টা কৰিলে। সি অতীতৰ কথা, তাৰ ল'ৰালি-কালৰ কথা, মাক-বাপেকৰ কথা মনত পেলাবলৈ চেষ্টা কৰিলে৭ হঠাৎ বাপেকৰ মুখখন তাৰ চকুৰ আগত ভাহি উঠিল, আৰু স'কতে সি যেনেকৈ লগৰ লগৰীয়াৰ লগত কাজিয়া কৰি কান্দি

কান্দি ঘৰলৈ আহি বাপেকক সাৱতি ধৰিছিল, তেনেকৈ ঠিক সেই মুহূৰ্ত্ততে তাৰ বাপেকক সাৱতি ধৰিবৰ মন গ'ল। কিন্তু পিছ মুহূৰ্ত্ততে সি স্মৃতি আৰু কল্পনাৰ জগতৰপৰা কঠিন বাস্তৱৰ বুকুলৈ ঘূৰি আহিল, আৰু নিজৰ ভীষণ নিঃসংগতা আৰু অসহায়তাৰ কথা মনত পৰি চিঞৰি কান্দি উঠিবলৈ তাৰ মন গ'ল। ভিতিলৈকে উঠি অহা কান্দোনটো জোৰেৰে দমন কৰি সি মনটো আৰু অন্য কিবা কথালৈ ঢাল খুৱাবলৈ চেষ্টা কৰিলে। আজি তাৰ জীৱনত চাৰিওফালে কেৱল দুখেই দুখ; কিন্তু জীৱনৰ সুখৰ মুখ সি কেতিয়াও দেখা নাছিল নে? এধানমান মধুৰ স্মৃতিৰ সন্ধানত তাৰ মনটোৱে সমস্ত অতীত জীৱন চলাথ্ কৰিবলৈ ধৰিলে। সি যে জীৱনত কেতিয়াও সুখ পোৱা নাছিল সেই কথা নিশ্চয় সঁচা নহয়। ডাৱৰৰ বুকু ফালি মাজে মাজে বেলিয়ে মুখ উলিওৱাৰ দৰে সুখ আৰু আনন্দৰ একো চেৰেঙা পোহৰে মাজে মাজে তাৰ জীৱনটোও খন্তেকৰ কাৰণে হলেও পোহৰাই তুলিছিল। তাৰ মনত পৰিল বিয়াৰ প্ৰথম কেইটামান বছৰৰ কথা। সেই সময়ত তাৰ সংসাৰখন নিচেই সৰু আছিল, বছৰ জোৰাই খাব পৰাকৈ খেতি-খোলাও ভালেই চলিছিল, তাৰ গাভৰু ঘৈণীয়েকেও যৌৱনৰ উদ্দামতা আৰু প্ৰাণ-প্ৰাচুৰ্য্যৰে তাৰ জীৱনত আনন্দৰ খলকনি তুলি দিছিল। সেই সময়ৰ প্ৰতিটো স্মৃতি-য়েই তাৰ মনত অতি মধুৰ যেন অনুভৱ হ'ল, কিন্তু তাৰ ভিতৰতো আটাইতকৈ বেচি মধুৰ স্মৃতি হ'ল ধান দোৱাৰ বতৰত সি আৰু ঘৈণীয়েকে পথাৰত একেলগে কটোৱা সময়খিনি। নতুনকৈ বিয়া কৰাই অনা ঘৈণীয়েকজনীক সকলো সময়তে অতি ঘনিষ্ঠভাবে পাবলৈ গিৰিয়েকৰ নিশ্চয় মন যায়; কিন্তু সেই সময়ত ৰসেশ্বৰৰ মাক জীয়াই আছিল, আৰু শাহুৱেকৰ উপস্থিতিত গিৰিয়েক ঘৈণীয়েকে দিনৰ বেলাত ঘনিষ্ঠ হোৱা বা প্ৰেমালাপ কৰা দূৰৰ কথা—চকুৱে-চকুৱে চোৱাটোও আছিল এটা অপৰাধ। কিন্তু ধান দোৱাৰ বতৰে সিহঁতলৈ কঢ়িয়াই আনিছিল

এটা ডাঙৰ সোণালী সুযোগ। ঘৈণীয়েকে দিনৰ ন-দহমান বজাত ভাত এমুঠি খাই ধান দাবলৈ বুলি দিনটোৰ কাৰণে পথাৰলৈ ওলাই যায়। ৰসেশ্বৰে ঘৰৰ কাম-কাজ কৰি দুপৰীয়া ভাত-পানী খাই উঠি ডাঙৰী আনিবৰ কাৰণে পথাৰলৈ যায়, লগতে ঘৈণীয়েকে পথাৰত খাবৰ কাৰণে বিৰিয়াত ওলোমাই লৈ যায় কেইটামান ৰবাব টেঙা। ঘৈণীয়েকে ধান দোৱাৰ মাজে মাজে একোবাৰ থিয় হৈ গিৰিয়েক অহাৰ কাৰণে বাটলৈ চাই থাকে। ফুলাম গামোচা এখন মূৰত মাৰি কান্ধত ৰবাব টেঙা কেইটা ওলোমাই লৈ পথাৰৰ ফালে আহি থকা গিৰিয়েকৰ মূৰ্ত্তিটো দূৰত দেখা মাত্ৰেই তাইৰ মনটো উৰুলিকৃত হৈ উঠে। গিৰিয়েক আহি পোৱাৰ লগে লগেই দুয়ো বহি পৰে, আৰু ৰবাব টেঙা খাই খাই হাঁলেই বহুত পৰ প্ৰেমৰ চুপতি কৰি থাকে। সদায় কেৱল ৰাতিৰ ঘিটমিটিয়া আন্ধাৰত গভীৰ নীৰৱতাৰ মাজত বিছনাত লগ পোৱা ঘৈণীয়েক-জনীক আঘোন-মহীয়া মুকলি আকাশৰ তলত ৰসেশ্বৰে সম্পূৰ্ণ এটা নতুন ৰূপত আবিস্কাৰ কৰে; ৰদত ৰাঙালী হৈ উঠা তাইৰ গাভৰু মুখখনে আৰু পকা-ধানৰ গোন্ধেৰে আমোল-মোল তাইৰ দেহটোৱে ৰসেশ্বৰৰ মনত নতুন মাদকতাৰ সৃষ্টি কৰে। ........বেচ্ কিছু সময় অতীতৰ সেই সোণালী জগতত ৰসেশ্বৰে স্বপ্নাবিষ্ট মানুহৰ দৰে বিচৰণ কৰি থাকিল। লাহে লাহে তাৰ নাকৰ পৰা ঘৈণীয়েকৰ শৰীৰৰ গোন্ধ নোহোৱা হৈ গ'ল, কিন্তু তেতিয়াও লাগি থাকিল পকা ধানৰ গোন্ধ, ঘাঁহ আৰু বোকাৰ গোন্ধ, চৰাইৰ পাখিৰ গোন্ধ, আঘোন-মহীয়া আবেলিৰ ৰদৰ গোন্ধ। খেতিয়কৰ জীৱনত সকলো নিচা এদিন শেষ হৈ যায়, কিন্তু তেজক পানী কৰি সৃষ্টি কৰা পথাৰৰ শস্য আনি ঘৰৰ ভঁৰাল ভৰাই তোলাৰ নিচা কোনোদিনেই শেষ নহয়। চকুৰ আগত সোণালী ধাননি এদৰাৰ ছবিখন লৈ ৰসেশ্বৰে স্বপ্নাবিষ্ট মানুহৰ দৰে ঘৰৰ ফালে আগ বাঢ়িবলৈ ধৰিলে। আৰু কেইদিনমানৰ পিছতেই ধান দোৱাৰ সময় হব, গাৱঁৰ আকাশ-

বতাহ পকা ধানৰ গোন্ধেৰে আমোল-মোলাই উঠিব ; খোজৰ ছেৱে-ছেৱে ধানৰ ডাঙৰীয়ে কৰা ঝৰ্‌ ঝৰ্‌ শব্দ ৰসেশ্বৰৰ কাণত পৰিল, কি মধুৰ সেই শব্দ, কি মধুৰ, কি মধুৰ ........

হঠাৎ ৰসেশ্বৰৰ সপোন ভাগি গ'ল। ঘৰৰ পদূলি-মুখ পায়েই ৰসেশ্বৰে শুনিবলৈ পালে—ঘৈণীয়েকে ইনাই-বিনাই কান্দিবলৈ ধৰিছে। খন্তেকৰ কাৰণে ৰসেশ্বৰৰ হৃৎ-স্পন্দন বন্ধ হৈ গ'ল। পিছ মুহূৰ্ত্ততে সি উধাতু খাই ঘৰৰ ফালে ঢাপলি মেলিলে।

# ষোল

মানুহৰ বিপদ কেতিয়াও অকলে নাহে। ঘৰ সোমায়েই ৰসেশ্বৰে দেখিলে—সিহঁতৰ মাখনী নামৰ তৃতীয় ছোৱালীজনী জ্বৰত অজ্ঞান হৈ পৰিছে, আৰু মাকে তাইৰ মূৰত পানী ঢালি ঢালি কান্দিবলৈ ধৰিছে। ঘৰটো সম্পূৰ্ণ অন্ধকাৰ। পইচাৰ অভাৱত আজি কেইবাদিনো কেৰাচিন তেল আনিব পৰা নাই।

বিষে বিষ খোৱাৰ দৰে ছোৱালীজনীৰ মৰণাপন্ন অৱস্থাই ৰসেশ্বৰৰ মনৰ পৰা সেই সময়খিনিৰ কাৰণে আন সকলো ভয় আৰু দুশ্চিন্তা দূৰ কৰি দিলে। ছোৱালীজনীৰ মূৰত হাত দি সি দেখিলে—তমোময় জ্বৰত তাইৰ গাটো জ্বলি যাব ধৰিছে। আগদিনাৰ পৰাই মাখনীয়ে গাটো ভাল নাই বুলি ঘেনুঘেনাই আপত্তি কৰি আমন-জিমন কৰি আছিল। দুপৰীয়া ৰসেশ্বৰে কেৰাণীবাবুৰ ঘৰলৈ বুলি ওলাই যাবৰ সময়তো তাই শোৱাৰ পৰা উঠিবলৈ মন নকৰি বিছনাতে পৰি আছিল। তাইৰ পানী-লগা জ্বৰৰ নিচিনা কিবা এটা হবলৈ আৰম্ভ কৰিছে বুলি ভাবি ৰসেশ্বৰে কথাযাৰ সিমান মন কৰা নাছিল। কিন্তু এতিয়া ছোৱালীজনীৰ অৱস্থা দেখি তাইক হাততে হেৰুৱায় বুলি ৰসেশ্বৰৰ মনত প্ৰকাণ্ড ভয় সোমাল। তাৰ প্ৰথম চিন্তা হ'ল—ঘৰটো কেনেকৈ সামান্য পোহৰ কৰা যায়। ক্ৰমান্বয়ে ঘণীভূত হৈ আহিব ধৰা গ'ধূলিৰ অন্ধকাৰখিনিয়ে আসন্ন মৰণৰ বিভীষিকাৰ দৰে তাৰ দেহ-মন অৱশ কৰি তুলিবলৈ আৰম্ভ কৰিলে। আন্ধাৰত খেপিয়াই খেপিয়াই চাকিটো বিচাৰি উলিয়াই সি ওচৰৰ ডম্বৰুহঁতৰ ঘৰলৈ দৌৰ মাৰিলে।

ডম্বৰুহঁতৰ ঘৰতো আনক দান দিব পৰাকৈ কেৰাচিন তেল নাছিল। তথাপি ৰসেশ্বৰহঁতৰ ঘৰৰ বিপদৰ কথা শুনি সিহঁতে ব্যৱহাৰ কৰা জ্বলা চাকি এটাকে ডম্বৰুৰ মাকে ৰসেশ্বৰক দি দিলে, আৰু তেওঁৱো ৰসেশ্বৰৰ লগে লগে মাখনীক চাবলৈ আহিল। বুঢ়ীয়ে মাখনীৰ জ্বৰত ৰঙা পৰা মুখখন দেখিয়েই মন্তব্য কৰিলে—'ৰসেশ্বৰ, তই পিছে এতিয়া কি কৰিম বুলি ভাবিছ? ডাক্তৰ অনাৰ কথা যদি ভাবিছ, তেন্তে কিন্তু কথা বেয়া হ'ব। তাইৰ আন একো হোৱা নাই, আই সকলৰ দোষ লাগিছে। যোৱা বছৰ গিৰিধৰৰ সৰু ল'ৰাটোৰো এনেকৈ আইসকলৰ দোষ লাগিছিল। সি আমাৰ কাৰো কথা নুশুনি একুৰি ৰূপ ভাঙি ডাক্তৰ আনিলে। ডাক্তৰে ক'লে—কিবা হেনো পেৰা-টাইফইড্ হৈছে। ৰাতি বেজী দিলে, পুৱা ভাগলৈ ল'ৰাটো মৰি থাকিল। আজি-কালি মানুহে কথাই কথাই কেৱল ডাক্তাৰহে চিনা হৈছে। তাৰ ফলও হাতে হাতে পাইছে। মাখনীৰ মাক, তই এটা কাম কৰ। গাটো ধুই আহি আইসকললৈ টোপোলা এটা আগ বঢ়া। একো চিন্তা নকৰিবি, পুৱালৈ তাই ভাল হৈ আহিব।'

বুঢ়ীয়ে নিজৰ অভিজ্ঞতাৰ পৰা আৰু কিছু দিহা-পৰামৰ্শ দি নিজৰ ঘৰলৈ বুলি ওলাই গ'ল।

ডম্বৰুৰ মাক ওলাই যোৱাৰ পিছত ৰসেশ্বৰে ঘৈণীয়েকৰ ফালে চাই ক'লে—'মই কিন্তু ডাক্তৰ অনাটোহে ভাল বুলি ভাবো। তই কি কৱ? খুড়ীয়ে কেৱল গিৰিধৰৰ ল'ৰাটোৰ কথাহে কৈছে, কিন্তু ভদ্রেশ্বৰৰ ঘৈণীয়েকৰ কথা কোৱা নাই। যোৱা আহাৰ মহীয়া তাইৰ বেমাৰ হওঁতেও সকলোৱে কিবা জলখাইৰ দোষ ঘটিছে বুলি ডাক্তৰ লগাবলৈ মানা কৰিছিল। জলখাইৰ দোষ খণ্ডাবলৈ সিহঁতে ন জন ভকতক কাছৰে চাউলো খুৱালে, পানীৰাম বেজে নাৰেঙা হোৱা বুলি কৈ তিনিদিন ধৰি তাইক বিহলঙনীৰে কোবালে। পিছত একোতেই একোটা নোহোৱাত ডাক্তৰ আনি ছটা বেজী

দিয়ালে, লগে লগে মানুহজনী ভাল হৈ উঠিল। ডাক্তৰে মৰা মানুহকো জীয়াই তোলা মই নিজ চকুৰেই দেখিছো। ভাগ্য ভাল যে এনে বিপদৰ সময়ত মোৰ হাতত টকা চুকুৰি আছে। মই দৌৰ মাৰি গৈ ডাক্তৰক লৈ আহোঁ।'

ৰসেশ্বৰৰ ঘৈণীয়েকে ক'লে—'ৰবা, ৰবা, তুমি ইমান ল'ৰা-ধপৰাখন নকৰিবাচোন। ডাক্তৰে আন সকলো ভাল কৰিব পাৰিলেও আই-সকলৰ দোষ লাগিলে সেইটো কেতিয়াও ভাল কৰিব নোৱাৰে। তুমি খন্তেক তাইৰ ওচৰত বহা। মই গাটো ধুই আহি আইসকলৰ কাৰণে টোপোলা এটা বান্ধো।'

ৰসেশ্বৰক আৰু একো কথা কবলৈ সুবিধা নিদি ঘৈণীয়েক কুৱাৰ পাৰলৈ ওলাই গ'ল। ৰসেশ্বৰে জীয়েকৰ মূৰত পানী ঢালি ঢালি 'আই অ', মাখনী, পানী অকন খাবানে, মাত এষাৰ মাতাচোন'— ইত্যাদি নানা প্ৰশ্ন কৰিবলৈ ধৰিলে। ৰসেশ্বৰৰ কথাৰ উত্তৰত মাখনীয়ে সামান্য চেতনা পায়েই নানা প্ৰলাপ বকিবলৈ আৰম্ভ কৰিলে। জীয়েকৰ অৱস্থা দেখি ৰসেশ্বৰো পাগল হবৰ অৱস্থা হ'ল। সি কিংকৰ্ত্তব্যবিমূঢ় হৈ কাতৰ স্বৰেৰে কেৱল ভগবানৰ নাম লবলৈ ধৰিলে।

ইতিমধ্যে ঘৈণীয়েকে গা ধুই ঘুৰি আহি আই সকলৰ নামত টোপোলা বন্ধা শেষ কৰিলে। ঘৰৰ বিপদ দেখি বাকী কেইটা ল'ৰা-ছোৱালীয়ে ইমান পৰে বিছনাত নিতাল মাৰি শুই আছিল। খন্তেক সুৰুঙা পাই সিহঁতৰ এটাই এষাৰ মাত লগালে—'আই, আজি ভাত নাৰান্ধা নেকি?'

ৰসেশ্বৰৰ ঘৈণীয়েকে ইমান পৰে সিহঁতৰ কথা পাহৰিয়েই আছিল। সিহঁতৰ মাত শুনি তাই ক'লে—'আজি আৰু ক'ত ভাত ৰান্ধিম পোনা, দুপৰীয়াৰ বন্ধা ভাত মাখনীৰেও খোৱা নাই, ময়ো খোৱা নাই। তাকে আটাই কেইটাই ভাগ কৰি খাগৈ যা।'

ল'ৰা-ছোৱালী কেইটাই ভাত খোৱাৰ আশা একেবাৰে বাদেই

দিছিল। এতিয়া দুপৰীয়াৰ কৰ্‌কৰা ভাত খোৱাৰ কথা শুনি সিহঁত হতাশ হোৱা দূৰৰ কথা—আনন্দত আটাই কেইটাই জঁাপ মাৰিহে উঠিল। বিছনাৰ পৰা উঠি পোনা বোলা সাত বছৰীয়া ল'ৰাটোৱে ক'লে—'আমাক কিন্তু অলপ সময়ৰ কাৰণে চাকিটো দিয়া।'

সিহঁতে চাকিটো লৈ পাকঘৰলৈ সোমাই গ'ল। শোৱা-কোঠাটো অন্ধকাৰ হৈ পৰিল। নিশ্চিদ্ৰ অন্ধকাৰৰ মাজত মাখনীৰ কাতৰ গোঙনিয়ে ৰসেশ্বৰ আৰু ঘৈণীয়েকৰ অন্তৰ হাজাৰ হাজাৰ শেলৰ দৰে বিন্ধিবলৈ ধৰিলে। গভীৰ নীৰৱতাৰ মাজত মাখনীৰ বুকুৰ ঢুক্-ঢুক্ শব্দটোও সিহঁতৰ কাণত পৰিল। কিন্তু সিহঁতৰ মনত অনুভৱ হ'ল—সেয়া যেন মাখনীৰ বুকুৰ শব্দ নহয়—ধীৰ কিন্তু নিশ্চিত গতিৰে এখোজ এখোজকৈ আগ বাঢ়ি অহা মৰণৰ ভৰিৰ শব্দহে—ভয়ত সিহঁতৰ শৰীৰৰ হিম্ হৈ যোৱাৰ উপক্ৰম হ'ল। ভয়াবহ নীৰৱতাখিনি দূৰ কৰিবলৈ ৰসেশ্বৰৰ ঘৈণীয়েকে এবাৰ মাত লগালে—'কালি ৰাতিৰ পৰা এতিয়ালৈকে একো এটা বস্তু ছোৱালীজনীৰ পেটলৈ যোৱা নাই।'

ৰসেশ্বৰে যান্ত্ৰিক ভাবে প্ৰশ্ন কৰিলে—'কিয়, আজি দুপৰীয়া তাই ভাত খোৱা নাই নেকি?'

ঘৈণীয়েকে খঙেৰে উত্তৰ দিলে—'তুমিও ভাল মানুহটো। কি ক'লো মুশুনিলা নেকি? কালি ৰাতি ভাত খাবলৈ মন নাই যোৱা বুলি তাই গধূলিতে বিছনাত পৰিল। আজি দেখোন তুমি নিজে দেখিলাই, তুমি দুপৰীয়া খাই-বৈ ওলাই যোৱাৰ সময়লৈকে তাই বিছনাতে পৰি আছিল। আমিহে মন কৰা নাছিলো, তাইৰ তেতিয়াই তীৰ-কঁপে জ্বৰ উঠি আহিছিল। তুমি গুচি যোৱাৰ পিছত মই ঘৰৰ কাম-বন শেষ কৰি তাইক ভাত খাবলৈ মাতিবলৈ গৈ দেখো, ছোৱালীজনী তেতিয়াই জ্বৰত অচেতন হৈ পৰিছে। ভাত খাবলৈ তাই আৰু সময় পালে কেতিয়া?'

'হে হৰি'—ৰসেশ্বৰে প্ৰায় আৰ্তনাদ কৰি উঠিল—'এই অকণমানি

ছোৱালীজনীয়ে কালি ৰাতিৰ পৰা আজি ৰাতিলৈকে একো এটা মুখত দিয়া নাই! আন কিবা হওক নহওক, ভোক-জ্বৰেই তাইক বেছিকৈ লালকাল কৰিছে। জোৰকৈ হলেও তাইক কিবা এটা মুখুৱালে হব জানো?'

ঠিক সেই মুহূৰ্ত্তত পাক-ঘৰৰ পৰা ল'ৰা-ছোৱালী মথাৰ কাজিয়া আৰু কান্দোনৰ শব্দ ভাহি আহিল। এহাল মানুহৰ ভাত সিহঁত পাঁচটা ল'ৰা-ছোৱালীয়ে ভাগ কৰি খাব লগা হৈছে। আঞ্জাৰ নামত আছে কেৱল পানী আৰু নিমখ দি সিজোৱা এমুঠি ঢেকীয়া। তাৰে ভগা-ভগি লৈ সিহঁতৰ মাজত মাৰ-পিট আৰম্ভ হৈ গৈছে। মইনী নামৰ স'ৰু ছোৱালীজনীয়ে কান্দি কান্দি চিঞৰি উঠিছে—'আই, অ' আই, পোনাই আঞ্জা গোটেইখিনি খাই পেলাইছে। মোক অকণো দিয়া নাই।

ৰসেশ্বৰৰ ঘৈণীয়েকে এটা দীঘল হুমুনিয়াহ পেলালে। কিছু সময়ৰ মূৰত তাই ক'লে—'বেমাৰী জীয়েৰৰ মুখত দিবলৈ মোৰ তেজখিনিৰ বাহিৰে জানো ঘৰখনত আন কিবা এটা বস্তু আছে?'

ল'ৰা-ছোৱালী মথাই কুকুৰৰ দৰে টনা-আজৰা কামোৰা-কামুৰি কৰি ভাতখিনি খাই শেষ কৰি বিছনাত পৰিলহি আৰু লগে লগে সিহঁত টোপনি গ'ল। ৰসেশ্বৰ আৰু ঘৈণীয়েকে অনাহাৰে বেমাৰী জীয়েকৰ কাষত বহি বহি পৰ দিবলৈ ধৰিলে। কেৰাচিন তেলৰ চাকিটো কিছু সময় জ্বলি থাকি এবাৰ হঠাৎ দপ্ কৰি নুমাই গ'ল। ঘৰটোৰ ভিতৰত যিমান অন্ধকাৰ, মনৰ ভিতৰত তাতোকৈ হাজাৰ গুণে বেচি অন্ধকাৰ লৈ ৰসেশ্বৰ আৰু ঘৈণীয়েকে ৰাতিপুৱাৰ কাৰণে প্ৰতীক্ষা কৰিবলৈ ধৰিলে।

## সোতৰ

ৰাতিপুৱা ৰসেশ্বৰৰ ঘৈণীয়েকে ক'লে—'মোক টকা এটা দিয়াচোন। ক'ৰবাৰ পৰা গাখীৰ অকন বিচাৰি আনো।'

গাখীৰ বিচাৰিবলৈ গৈ ৰসেশ্বৰৰ ঘৈণীয়েক এঘণ্টামানৰ মূৰতহে ঘূৰি আহিল। অনাহাৰ আৰু টোপনি-খতিত ক্লান্ত হৈ ৰসেশ্বৰ জীয়েকৰ কাষতে আধা-মৰা মানুহৰ দৰে পৰি আছিল। ঘৈণীয়েক অহাৰ শব্দ শুনি সি ক্লান্ত মাতেৰে প্ৰশ্ন কৰিলে—'গাখীৰকণ বিচাৰোতেই ইমান সময় লাগিব লাগেনে? গিৰিজাইঁতৰ ঘৰতেই দেখোন গাখীৰ বেচে।'

ঘৈণীয়েকে অৱশ ভাবে বিছনাত বহি পৰি ক'লে—'মই কিবা কেৱল গাখীৰ বিচাৰিহে গৈছিলো নেকি? মই বহুতদিন ধৰি ভাবি আছিলো, ইটোৰ পিছত সিটো বিপদ আমাৰ ঘৰলৈ এনেয়ে আহি থকা নাই, নিশ্চয় কিবা গ্ৰহ-দোষ লাগিছে বা উপৰি পুৰুষৰ দোষ লাগিছে। মই যি ভাবিছিলো সেইটোৱেই হৈছে। গাখীৰকণ আনিবলৈ যোৱাৰ ছলতে মই গণেশ্বৰ বাপুটিৰ ঘৰলৈকো গৈছিলো—পঞ্জিকাখন চোৱাবলৈ। বাপুটিয়ে গণি-পিটি ক'লে—আমাৰ ঘৰত বোলে ন-পুৰুষৰ দোষ লাগিছে। তেওঁ ন-পুৰুষৰ নামত ন-জন ভকতক ক'লা ছাগলী, ক'লা হাঁহ বা যি কোনো এবিধ ক'লা মাছেৰে চাউল একঠা খুৱাবলৈ দিহা দিছে। লগতে বামুণ এজনক ক'লা ছাগলী এটা বা তাকে নোৱাৰিলে ক'লা হাঁহ এটা দান দিবলৈ দিছে। তুমি আন সকলো ধান্দা এৰি আজিৰ ভিতৰতে হাঁহ দুটা কিনাৰ ব্যৱস্থা কৰা। কাইলৈ মঙ্গলবাৰ, ভকতক চাউল খুৱাবলৈ

ভাল দিন। ৰাতিপুৱাই বামুণৰ ঘৰত হাঁহটো দান দি আহি দুপৰীয়ালৈ ভকতক চাউল কঠা খুৱাব লাগিব।'

ঘৈণীয়েকৰ কথা শুনি ৰসেশ্বৰৰ হাতখন আপোনা আপুনি তাৰ জেপলৈ গ'ল; আৰু সি টকা কেইটা হাতেৰে অনুভৱ কৰি চালে। ঘৈণীয়েকৰ ফালে চাই সি ক'লে—'সোণটিক লোকৰ ঘৰত বিক্ৰী কৰি এই টকাকেইটা মই মাটিৰ মোকৰ্দমাত খৰচ কৰিম বুলি আনিছিলো। কিন্তু তই যিমানখিনি কথা কলি সেইখিনি কৰিবলৈ হলে দেখোন মোকৰ্দমাত খৰচ কৰিবলৈ ফুটা কড়ি এটাও বাকী নাথাকিব। তাৰ পিছত মই কাক বিক্ৰী কৰি টকা যোগাৰ কৰিম?'

ঘৈণীয়েকে উচাৎ মাৰি বিছনাৰ পৰা থিয় হৈ খেঙখেঙাই কবলৈ ধৰিলে—'পাৰোতেনো তোমাৰ আজি এনেকুৱা পানীত হাঁহ নচৰা অৱস্থা হৈছেনে? ন-পুৰুষৰ নামত চাউল একঠা খুৱাবলৈ বা বামুণক দান এভাগি দিবলৈ কওঁতে যদি তোমাৰ মুখত এনেকুৱা কথা ওলায়, তেন্তে তুমি আও-মৰণে নমৰি আন কোন মৰিব? তুমি দেৱতা-বামুণ উপৰি-পুৰুষ কাকো তুষ্ট কৰিব নালাগে, কেৱল তোমাৰ হাকিম-মণ্ডল কেৰাণী-পিয়দা এই সকলক তুষ্ট কৰি থাকিলেই সকলো ঠিকহৈ যাব। তুমি যি কৰা কৰা, মোৰ আৰু কবলৈ একো নাই।'

ঘৈণীয়েকে উচাৎ মাৰি উঠি গৈ গাখীৰ গৰম কৰিবৰ কাৰণে তুঁহ জুই ফুঁৱাবলৈ আৰম্ভ কৰিলে।

ৰসেশ্বৰ শোৱা ভাগতে কিছু সময় জঠৰ হৈ পৰি ৰ'ল। তাৰ ঘৈণীয়েকে এতিয়াও জলখাই—থলখাই অপেশ্বৰী আইসকল শণি মঙ্গল উপৰি-পুৰুষ আদি সকলো দেৱতা-উপদেৱতাত সম্পূৰ্ণভাবে বিশ্বাস কৰে; সহজ বিশ্বাসৰ স্থিৰ দৃঢ় ভূমিত তাই সম্পূৰ্ণ নিশ্চিন্ত আৰু নিৰাপদ। কিন্তু ৰসেশ্বৰে মাজে সময়ে মেলে-মিটিঙে গৈ আৰু কাৰ্ত্তিকৰ দোকানত ট্ৰেন্‌জিষ্টৰ ৰেডিঅ' শুনি শুনি নতুন দিনৰ নতুন কথাৰ কিছু আও-ভাও পোৱা হৈছে, অথচ পুৰণি বিশ্বাস আৰু

সংস্কাৰো সি সম্পূৰ্ণৰূপে এৰিব পৰা নাই। তাৰ অৱস্থা এতিয়া দুই নাৱত দুই ভৰি থকাৰ' নিচিনা; এফালৰ ভয় আৰু আনফালৰ বিশ্বাসৰ টনা-আজোৰাত সি দুদোল্যমান। ঘৈণীয়েকৰ কথা শুনি তাৰ মনত সঁচাকৈয়ে ডাঙৰ ভয় সোমাল। কিবা কাৰণত উপৰি-পুৰুষৰ অভিশাপেই যে তাৰ বৰ্ত্তমানৰ সকলো বিপদ-আপদৰ কাৰণ নহয় সেই কথা খুব জোৰকৈ সি কেনেকৈ কব পাৰে? স'ৰুতে তাৰ মাকে প্ৰায়েই কৈ থকা এটা কথা ঘপহ্‌কৰে তাৰ মনত পৰিল। সিহঁতৰ ঘৰখন হ'ল ৰাতি-খোৱা সম্প্ৰদায়ৰ ভকত; ৰসেশ্বৰৰ বাপেক আছিল সেই অঞ্চলত ভকত প্ৰবৰ্ত্তাৰ পৰা চাৰি-সেৱা উত্তীৰ্ণ হোৱা সাধু। বছৰে বছৰে সিহঁতৰ ঘৰত বৰ সেৱা হয়। অভকতীয়া মানুহক বৰসেৱাত বহিবলৈ দিয়া দূৰৰ কথা, চাৰি ধাপৰ ভিতৰতো থাকিবলৈ দিয়া নহয়। ৰসেশ্বৰহঁত খুব স'ৰু হৈ থাকোঁতে সিহঁতৰ ঘৰৰ দু মাইল দূৰৰ চৰকাৰী মজলীয়া স্কুলখনলৈ চন্তিয়া নে ক'ৰবাৰ মানুহ এজন শিক্ষক হৈ আহিছিল। তেওঁ বোলে ৰাতিখোৱা সম্প্ৰদায়ৰ নাম-গুণবোৰ গোটাই এখন কিতাপ লিখিব খুজিছিল। এদিন তেওঁ ৰসেশ্বৰৰ বাপেকৰ ওচৰলৈ আহিল। বাপেকে শিক্ষক-জনৰ প্ৰস্তাৱটো শুনিয়েই জিকাৰ খাই উঠিল; তেওঁৰ মতে অভকতীয়া মানুহক শাস্ত্ৰৰ এনে গুপুত কথা বেকত্‌ কৰাতকৈ ডাঙৰ পাপৰ কথা আন একো নাই। সেই বছৰৰ কোনোবা এটা মাহত ৰসেশ্বৰহঁতৰ ঘৰত বৰসেৱা বহিল। শিক্ষকজনে ৰাতি কোনেও নজনাকৈ মনে মনে আহি বেৰৰ জলঙাইদি বৰসেৱাৰ আচাৰ অনুষ্ঠান চাই আছিল। পিছদিনা পুৱালৈ তেওঁ সম্পূৰ্ণ অন্ধ হৈ গ'ল। মহা-পাপৰ ফল হাতে হাতে পোৱাত পিছত শিক্ষকজনে নিজেই ৰসেশ্বৰৰ বাপেকৰ আগত সেই কথা স্বীকাৰ কৰিছিল। কিন্তু ভকতক বহুত দান-দক্ষিণা দি ক্ষমা প্ৰাৰ্থনা কৰাৰ পিছতো শিক্ষকজনে নিজৰ দৃষ্টি-শক্তি আৰু ঘূৰাই নাপালে। আজি বহুত দিনৰ মূৰত সেই কথাটো পুনৰ মনত পৰি এটা গোপন ভয়ত ৰসেশ্বৰৰ বুকুখন কঁপি উঠিল।

আজি কেইবাবছৰ ধৰি ন-পুৰুষৰ নামত সিহঁতৰ ঘৰত সকাম এটা কৰা হোৱা নাই। কোনে জানে—ৰসেশ্বৰৰ সকলো বিপদ-আপদ হয়তো উপৰি-পুৰুষৰ অভিশাপৰেই পৰিণাম। নহলেনো সিহঁতৰ ঘৰখনে সাতাম-পুৰুষৰ পৰা ভোগ-দখল কৰি থকা মাটি এদৰাৰ কাৰণে এনে এটা মিছা মোকৰ্দমাত লাগি সি ইমানখিনি লটিঘটি হব লাগেনে?

সকলো দুখ-ভাগৰ কাটি কৰি ৰসেশ্বৰ বিছনাৰ পৰা উঠি থিয় হ'ল। মাখনী বেমাৰত নপৰা হলে মাকে কেতিয়াও গণেশ্বৰ বাপুৰ ওচৰলৈ পঞ্জিকাখন চোৱাবলৈ নগলহেঁতেন। এইটো উপৰি-পুৰুষৰেই কিবা এটা সংকেত। ন-পুৰুষৰ চাউল-কঠা আৰু বামুণৰ দক্ষিণাৰ ব্যৱস্থা আজিৰ ভিতৰতে যেনে-তেনে কৰিবই লাগিব।

## ওঠৰ

ন-পুৰুষৰ চাউল-খোৱা আৰু বামুণক দান-দক্ষিণা কৰোতেই ৰসেশ্বৰৰ জেপৰ পৰা ডেৰকুৰি টকা ওলাই গ'ল। বাকী যি দহটকা আছিল সিও ঘৰৰ চাউল-পাত আৰু কেৰাচিন তেল, মিঠাতেল কিনোতেই আধ্যা পৰিল। ৰসেশ্বৰ আকৌ কপৰ্দক-হীন হ'ল।

ইফালে মাখনাৰ জ্বৰ কম হওক ছাৰি দিনে দিনে বেচিহে হবলৈ ধৰিলে। বেমাৰীৰ পথ্যৰ নামত উখোৱা চাউলৰ ভাতৰ মাৰ আৰু মাজে মাজে অকল পানী মিহলোৱা গাখীৰ—তাকো তাই খাব নোখোজে। তিনিদিনমানৰ মূৰত মাখনীৰ অৱস্থা দেখি ৰসেশ্বৰে বুজিলে যে ছোৱালীজনী বাচিবৰ আৰু আশা নাই। ৰসেশ্বৰৰ ঘৈণীয়েকেও হয়তো সেই কথা বুজিছিল। বেমাৰী জীয়েকৰ কাষতে শিলৰ মূৰ্ত্তিৰ দৰে বহি লৈ তাই স্থিৰ অপলক দৃষ্টিৰে জীয়েকৰ মুখলৈ কেৱল চাই ৰৈছিল। ৰসেশ্বৰে ঘৈণীয়েকক সুধিলে—'জীয়েৰৰ মুখলৈ এনেকৈ চাই থাকিলেই জানো তাইৰ বেমাৰ ভাল হব? এবাৰ ডাক্তৰকে আনি চাওঁনেকি?'

ঘৈণীয়েকে একো উত্তৰ নিদিলে।

ৰসেশ্বৰে ডাক্তৰ অনাৰ কথা ক'লে হয়, কিন্তু ডাক্তৰ আনিবলৈ তাৰ হাতত ফুটা কড়ি এটাও নাই। মনতে কিবা এটা ভাবি সি ওলাই গ'ল। জীৱনত যিটো কাম কৰাৰ কথা সি কেতিয়াও সপোনতো ভাবিব পৰা নাছিল, ঠিক সেই কামটোকে সি সেই মুহূৰ্ত্তত কৰিবলৈ ঠিক কৰিলে। হালৰ গৰু হালৰ এটা গৰু মাত্ৰ ছকুৰি টকাত সি গাৱঁৰে ভদ্ৰকান্তক বিক্ৰী কৰি দিলে। ভদ্ৰ-

কান্তৰ ঘৰত গৰুটো এৰি থৈ ঘৰলৈ ঘুৰি আহোঁতে সি হঠাতে এবাৰ অনুভব কৰিলে যে এটা বিৰাট ভূমিকম্পত পৃথিৱীখন টলং-ভটংকৈ কঁপিবলৈ ধৰিছে, তাৰ চকুৰ আগত আকাশখনো চক্ৰাকাৰে ঘুৰিবলৈ ধৰিছে। থিৰেৰে থিয় হৈ ৰব নোৱাৰি সি এবাৰ মাটিত হামখুৰি-খাই পৰি গ'ল। চাৰিওফালে পৃথিৱীখন ফাটি চিৰাচিৰ হোৱাৰ দৰে এটা ভয়ংকৰ গৰ্জন আহি তাৰ কাণত পৰিবলৈ ধৰিলে। মাটিত মুখ গুজি চকু মুদি পৰি থাকোতে ৰসেশ্বৰৰ মনত অনুভব হ'ল--এয়েই বোধহয় মহা-প্ৰলয়, পৃথিৱীৰ শেষ দিন নিশ্চয় উপস্থিত হৈছে। সি মনৰ মাজত এক পৰম শান্তি অনুভৱ কৰিলে। এই মুহূৰ্ত্ততে যদি পৃথিৱীখন ধ্বংস হৈ যায়, ভূমিকম্পত ফাটি চিৰাচিৰ হোৱা বসুমতীয়ে যদি তাক নিজৰ বুকুত সামৰি লয়, তেন্তে তাতোকৈ সুখৰ কথা নিশ্চয় আন একো হব নোৱাৰে। নিজৰ জীৱন্ত সমাধিৰ কাৰণে সি ব্যাকুল ভাবে অপেক্ষা কৰিবলৈ ধৰিলে। কিন্তু এটা মুহূৰ্ত্তত পৃথিৱীৰ কঁপনি বন্ধ হৈ গ'ল, কাণ তাল মৰা গৰ্জনবোৰো স্তব্ধ হৈ গ'ল। ৰসেশ্বৰে মাটিৰ পৰা মুখ তুলি চাই দেখিলে—পৃথিৱীখন সম্পূৰ্ণ একেই হৈ আছে, সি সম্পূৰ্ণ জীয়াই আছে। সি উঠি থিয় হৈ আকৌ ঘৰলৈ খোজ ললে।

ঘৰত গা-পা ধুই সি ডাক্তৰখানালৈ বুলি যাত্ৰা কৰিলে। ডাক্তৰ-খানা ৰসেশ্বৰৰ ঘৰৰ পৰা ছয় মাইল দূৰত। ডাক্তৰ-খানাত গৈ ৰসেশ্বৰে শুনিলে—ডাক্তৰজন বোলে তিনিমাহৰ আগতেই বদলি হৈ আন ঠাইলৈ গুচি গ'ল, তেওঁৰ ঠাইত নতুন কোনো ডাক্তৰ অহা নাই। ৰসেশ্বৰে মূৰে-কপালে হাত দি বহি পৰিল। নিশ্চিত মৃত্যুৰ ক্ষণ গণি থকা জীয়েকজনীৰ ওচৰলৈ সি এতিয়া শুদা-হাতে ঘুৰি যায় কেনেকৈ? কিছু সময়ৰ মূৰত প্ৰকৃতিস্থ হৈ সি কম্পাউণ্ডৰ জনকেই খাটনি ধৰিলে—তেৱেঁই এবাৰ গৈ জীয়েকক চাই আহিব লাগে। কম্পাউণ্ডৰৰ লগত দৰ-দাম হ'ল 'ভিজিট' হিচাবে তেওঁক পোন্ধৰ টকা দিব লাগিব, আৰু বেজীৰ দাম হিচাবে সুকীয়াকৈ পাঁচ

টকা। হালৰ গৰু বেচি পোৱা ছকুৰি টকা জেপত লৈ ৰসেশ্বৰৰ নিজকে লাখপতি যেন লাগিছিল; বিনা-বাক্য-ব্যয়ে সি কম্পাউণ্ডৰৰ কথাত ৰাজী হ'ল।

কম্পাউণ্ডৰে মাখনীক কি বেজী দিলে সেইকথা একমাত্র কম্পাউণ্ডৰে জানে আৰু ভগবানে জানে; কিন্তু সেই দিনাই প্রায় মাজ-ৰাতিৰ সময়ত মাখনীৰ সকলো জ্বালা-যন্ত্রণাৰ অৱসান হ'ল, মৃত্যুৰ কোলাত তাই চিৰ-শান্তি লাভ কৰিলে।

## উনৈশ

কাতিৰ ৫ তাৰিখে মোকৰ্দমাৰ দিন পৰিল। প্ৰথমবাৰৰ কাৰণে গৰ্ভবতী হোৱা মাকে জীৱনৰ প্ৰথম জন্ম-যন্ত্ৰণাৰ দিনটোৰ কাৰণে যেনেকৈ অজান ভয় আৰু ব্যাকুল আশাৰে সৈতে বাট চাই থাকে, ৰসেশ্বৰেও ঠিক তেনেকৈ এই দিনটোৰ কাৰণে বাট চাই আছিল। আঠৈকুৰি টকা খৰচ কৰি সি চহৰৰ পৰা উকীল আনিলে, গাই পতি দহটকাকৈ মুঠ ত্ৰিশ টকা দি সি গাৱঁৰে তিনিজন মানুহ সাক্ষী ঠিক কৰিলে। তাৰ মনত বিন্দুমাত্ৰ সন্দেহ নাছিল যে মোকৰ্দমাত সি জিকিব। পৃথিৱীত ধৰ্ম আৰু ন্যায়-বিচাৰ নিশ্চয় এতিয়াও শেষ হৈ যোৱা নাই। এই মোকৰ্দমাটোৰ কাৰণেই সি সৰ্বস্বান্ত হৈছে, কিন্তু এবাৰ নিজৰ মাটিখিনি ঘূৰাই পালেই সি যোৱা তিনিমাহৰ সকলো কথা এটা দুঃস্বপ্নৰ নিচিনাকৈ পাহৰি যাব, সি আকৌ নতুনকৈ জীৱন আৰম্ভ কৰিব।

ৰসেশ্বৰে ভাবি আছিল যে মোকৰ্দমাৰ দিন পৰা মানেই চয়-নিচয় কিবা এটা হৈ মোকৰ্দমা নিষ্পত্তি হৈ যোৱা। কিন্তু প্ৰায় এঘণ্টা সময় ধৰি হাকিম-উকীল-মেম্বৰ সকলৰ নানা কথন-মথন চলাৰ পিছত উকীলে তাক বাহিৰলৈ মাতি আনি ক'লে যে আকৌ পুহৰ দহ তাৰিখে নতুনকৈ মোকৰ্দমাৰ দিনহে পৰিল। ৰসেশ্বৰৰ মূৰত বজ্ৰপাত হোৱাৰ নিচিনা অৱস্থা হ'ল। ভয় আৰু নিৰাশাত কৰ্‌কৰিয়া মৰা জিভাখন অতি কষ্ট কৰি ঘূৰাই সি উকীলক সুধিলে—'কিয় দেউতা, আজিয়েই মোকৰ্দমাখন শেষ নহ'ল কিয়?'

ৰসেশ্বৰৰ অকল্পনীয় অজ্ঞতা দেখি উকীলৰ মুখত নির্মম বিদ্রূপৰ হাঁহি ফুটি উঠিল। তাৰ হতাশাত ভাগি পৰা অৱস্থাটোলৈ তিল-মাত্র ভ্রূক্ষেপ নকৰি তেওঁ ক'লে—'গুটি মাটিত পোতাৰ লগে লগেই গছ গজি তাত গুটি লাগে নেকি? নে বিয়াৰ পিছ দিনাই তিৰোতাৰ পেটৰ পৰা ল'ৰা ওলায়? মোকৰ্দমাৰ নামত কাছাৰীলৈ বাট এটাই যদি সজাব নোৱাৰা, তেন্তে সি কিহৰ মোকৰ্দমা? তোমাৰ মোক-র্দমাৰ দিন কেৱল এবাৰ নহয়, কম পক্ষেও আৰু পাঁচ-ছয় বাৰ মান পৰিব, বুজিছা? তদুপৰি তোমাৰ সাক্ষীয়ে আজি কি কৰিলে? তিনিটা সাক্ষীৰ কথা কৈছিলা, তাৰে দুটাতো আজি নাহিলেই, —বাকী যিটো আহিল, তাৰ কথাও দেখোন সনাতনৰ পক্ষেহে গ'ল। অহা বাৰৰ কাৰণে বেলেগ সাক্ষী ঠিক কৰিবা, এতিয়া যোৱা। মোকৰ্দমাৰ দিনটো ভালকৈ মনত ৰাখিবা—পুহৰ দহ তাৰিখ।'

আকৌ মোকৰ্দমাৰ দিন, তাৰ মানে আকৌ টকা যোগাৰ কৰাৰ চিন্তা। ইফালে ভঁৰালৰ শেষ মুঠিটো পর্য্যন্ত ধান শেষ হৈ আহিল। ডাঙৰ বিপদ-আপদ নহলে সচৰাচৰ তাৰ ভঁৰালৰ ধানেৰে আঘোন-লৈকে খাবলৈ জোৰে। ভঁৰালৰ সাঁচতীয়া ধান শেষ হয় মানে আঘোনৰ নতুন ধান খাবলৈ হয়। এইবাৰ তাৰ মুদা মৰিল। মাহ-সৰিয়হ এমুঠি কৰি তাকে বেচি-কিনি খাবলৈকো হালৰ এটা গৰু সি বেচি দিব লগা হ'ল। তাৰ মানে এইবাৰ তাৰ মাহ-সৰিয়হ নাই, আহু খেতি নাই, অহা বছৰলৈ শালি খেতিৰ সম্ভাৱনাও আৰকালিৰ বৰষুণৰ দৰেই অনিশ্চিত। কেনেবাকৈ যদি মোকৰ্দমাত হাৰি মাটি ডৰা হাত-ছাৰা হব লগা হ'ল, তেতিয়াতো সি জীৱনলৈকে ভিকহু হ'ল। পিছৰ-কথা বাৰু পিছত হব। কিন্তু এতিয়াই সি পাঁচটা ল'ৰা-ছোৱালীৰে সৈতে ঘৰখনক খুৱাই ৰাখে কেনেকৈ? ভয় আৰু হতাশাত উন্মত্ত হৈ পৰা তাৰ মনটোৱে এবাৰ ভাবিলে— সংসাৰৰ নিকাৰ ভুঞ্জিবলৈ মাখনী যেনেকৈ জীয়াই নাথাকিল, বাকী কেইটা ল'ৰা-ছোৱালীও তেনেকৈ অচিন বেমাৰত পৰি মৰি গলেই

বোধহয় ভাল আছিল। সিহঁতেও ৰক্ষা পালেহেঁতেন। ৰসেশ্বৰো মুক্ত হ'লহেঁতেন।

মাখনী মৰিবৰ পিছৰ পৰাই ৰসেশ্বৰৰ ঘৈণীয়েকে শোৱা পাটিৰ আশ্ৰয় লৈছিল। নাখাই-নবৈ দিনে-ৰাতিয়ে কান্দোতে কান্দোতে মানুহজনীৰ জকাটোহে মাত্ৰ বাকী ৰৈছিল গৈ। এদিন ৰসেশ্বৰে ক'ৰবাৰ পৰা আহি ক'লে—'এনেকৈ মৰ-কুচিয়া লাগি পৰি থাকিলে জানো হব? আমি বাৰু নাখায়েই মৰিলো, ল'ৰা-ছোৱালী কেইটাৰ কি অৱস্থা হব? মই কালিনাথ মৌজাদাৰৰ ঘৰত বন্দবস্ত কৰি থৈ আহছো, কাইলৈৰ পৰা তই তেওঁলোকৰ পথাৰত ধান দাবলৈ যাব লাগিব। ময়ো তেওঁলোকৰে ডাঙৰী চপাম। ধান দহমোনৰ বন্দবস্ত কৰি থৈ আহিছো।'

সাতাম-পুৰুষ ধৰি নিজৰ মাটিৰ ধানেৰে কোনোমতে পেট প্ৰবৰ্ত্তাই থকা ৰসেশ্বৰৰ ঘৰখন একেদিনাই পৰৰ গোলামত পৰিণত হ'ল। পিছদিনা পুৱাই ৰসেশ্বৰৰ ঘৈণীয়েকে নিজৰ আধা-মৰা দেহটো চোঁচোৰাই চোঁচোৰাই এহাতে চকুৰ পানী এহাতে নাকৰ পানী মচি মচি কালিনাথ মৌজাদাৰৰ পথাৰত ধান কাটিবলৈ গ'ল। পিছে পিছে ৰসেশ্বৰ। নিজৰ পথাৰ চন্ পৰি থাকিল, নিজৰ ভঁৰাল শূন্য হৈ থাকিল, মতা-মাইকী হালেই লোকৰ পথাৰৰ ধান চপাই লোকৰ ভঁৰাল ভৰাবলৈ ধৰিলে। যিহওক, তেনেকৈয়ে কিছুদিনৰ কাৰণে ৰসেশ্বৰৰ ঘৰখনত নিমখ-ভাত মুঠিৰ সংস্থান হ'ল। ইফালে পুহৰ দহ তাৰিখ আহি পাবৰ হ'ল। উকীলৰ মাচুল দিবলৈ আৰু সাক্ষী অনা-নিয়াৰ খৰচ দিবলৈ টকা যোগাৰ হয় ক'ৰ পৰা? অন্য কোনো উপায়ৰ কথা চিন্তা কৰিবলৈ ৰসেশ্বৰৰ সময়ো নাছিল, মগজত শক্তিও নাছিল। বাকী থকা হালোৱা গৰুটোও সি মাত্ৰ এশ টকাত বিক্ৰী কৰি দিলে। গ'ৰুটো কিছু বুঢ়া হৈছিল, এশ টকা যে পালে তাকেই ৰসেশ্বৰে পৰম ভাগ্য বুলি ভাবিলে।

পুহৰ দহ তাৰিখেও যেতিয়া মোকৰ্দমাৰ নিষ্পত্তি নহ'ল, আকৌ

ফাগুনৰ প্ৰথম সপ্তাহলৈ দিন পৰিল, এইবাৰ ৰসেশ্বৰ অকণো আচৰিত নহ'ল। ওৰে জীৱন ধৰি টিকাত খোচ্ খাই খাই পিছলৈ হাজাৰ খুচিলেও একো উমান নোপোৱা বুঢ়া হালোৱা গৰুৰ দৰে ৰসেশ্বৰৰ দেহ-মনত যন্ত্ৰনাৰ অনুভূতি ক্ৰমে ক্ৰমে নোহোৱা হৈ আহিছিল। সাঁতুৰি সাঁতুৰি শেষত সম্পূৰ্ণ অৱস হৈ সোঁতত গা এৰি দিয়া মানুহৰ দৰে ৰসেশ্বৰে অৱশেষত ঘটনা-প্ৰবাহৰ সোঁতত সম্পূৰ্ণৰূপে গা এৰি দিলে। ডুবি মৰিলেও মৰিব, সোঁতে উটুৱাই নি নি কোনোবা অচিন-অজান পাৰত লগাই দিলেও দিব,—মুঠতে ৰসেশ্বৰৰ নিজৰ কৰিবলৈ একো নাই। ভাগ্যৰ ওচৰত সি সম্পূৰ্ণৰূপে আত্ম-সমৰ্পণ কৰিলে।

# বিশ

মাঘ-বিহুৰ দুদিনমানৰ আগে আগে ধান দোৱাৰ কাম শেষ হ'ল। ৰসেশ্বৰৰ চকুৰ আগত সমস্ত পৃথিৱী অন্ধকাৰ হৈ পৰিল। ইয়াৰ পিছত সি কি কৰি খাব? ইফালে-সিফালে অলপ চেষ্টা কৰি চালে সি হয়তো কোনোবা ধনী খেতিয়ক এঘৰত হালোৱা সোমাব পাৰে। কিন্তু গাৱঁৰ খেতিয়কে মাহেকীয়া দৰ্মহা দি কাকো হালোৱা নাৰাখে; খেতি উঠাৰ পিছত হালোৱাক খেতিৰ ভাগ দিয়া হয়। তাৰ মানে আহাৰ-শাওন মাহত আহু ধান চপাবৰ সময়তহে ৰসেশ্বৰে তাৰ প্ৰাপ্যখিনি পাব পাৰিব। কিন্তু ধান পকে মানে টুনীৰ মৰণ; আহু ধানৰ ভাগ পাবলৈ বাট চাই থাকে মানে এই পাঁচ-ছয় মাহ ৰসেশ্বৰে ল'ৰা-তিৰোতাক খুৱাই কি? সি বহুত চিন্তা কৰি দেখিলে—দিন-হাজিৰা কাম কৰি খোৱাৰ বাহিৰে তাৰ আন কোনো উপায় নাই।

ৰসেশ্বৰহঁতৰ নিচিনা জকাইচুকীয়া গাৱঁত দিন-হাজিৰা কাম পোৱাও বৰ সহজ কথা নহয়। সকলো মানুহেই নিজে কাম কৰি খায়, আনৰ ওপৰত খুব কম মানুহেই নিৰ্ভৰ কৰে। যি দুই-চাৰি ঘৰ ধনী মানুহ আছে তেওঁলোকৰ ঘৰত কেতিয়াবা কাম ওলালেও দিনে মজুৰী দুটকাতকৈ বেচি নহয়। উপায়ান্তৰ হৈ ৰসেশ্বৰে এই অনিশ্চিত জীৱন-যাত্ৰা আৰম্ভ কৰিলে। হাতত দা এখন লৈ ৰাতিপুৱাই সি কাম বিচাৰি ওলাই যায়, কেতিয়াবা কামৰ সন্ধানত পাঁচ-ছয় মাইল দূৰলৈ যাব লগা হয়। ভাগ্য প্ৰসন্ন হ'লে কেতিয়াবা কাৰোবাৰ

ঘৰত কাম শুলায়; সেইদিনা গৃহস্থক খুজি চাহ এবাটিৰেই পেটৰ ভোক মাৰি ৰসেশ্বৰে ওৰে দিনটো অনাহাৰে কাম কৰে। ঘৰত ল'ৰা-তিৰোতাই দুপৰীয়া কিবা খাবলৈ পালে নে নাপালে সেইবোৰ অৰ্থ-হীন চিন্তা সি মনলৈকে আহিব নিদিয়ে। মজুৰি হিচাপে পোৱা টকা দুটাৰে বাহিৰে বাহিৰে চাউল-নিমখ কিনি সাঁজ লগাৰ পিছত সি ঘৰ সোমাইহি। যিদিনা ওৰে দিনটো টলৌ-টলৌকৈ ঘূৰিও ক'তো কাম নাপাই গ'ধূলি পৰত সি শুদা হাতেৰে ঘৰলৈ ঘূৰি আহে, সেইদিনা ৰসেশ্বৰৰ ঘৰখনত মৰিশালীৰ অন্ধকাৰ আৰু নীৰৱতা বিৰাজ কৰে। কেৰাচিন তেলৰ অভাৱত চাকি নজ্বলে, চাউলৰ অভাৱত চৰুৰ তললৈ জুই নাযায়, ফুট গ'ধূলিতে আটাইকেইটা প্ৰাণীয়ে বিছনাৰ আশ্ৰয় লয়। জীৱনৰ এই ভয়ংকৰ ৰূপ দেখি স'ৰু ল'ৰা-, ছোৱালীকেইটাও ভয়ত এনেকৈ বোবা হৈ গৈছে যে কিহঁতেও কোনো দিনে ভোক লাগিছে বুলি আপত্তি নকৰে। ভোকৰ জুইত তিলে তিলে দগ্ধ হৈ মাক-বাপেক আৰু ল'ৰা-ছোৱালী আটায়ে নীৰৱ আৰু নিৰ্মম যন্ত্ৰনাৰ মাজত টোপনিৰ কাৰনে ব্যাকুল ভাবে অপেক্ষা কৰি থাকে।

চকুত ঢাকনী বান্ধী দিয়া ঘোঁৰাই সমুখৰ পথটোৰ বাহিৰে যেনেকৈ আন একো নেদেখে, ৰসেশ্বৰেও এতিয়া তেনেকৈ চিনি পায় জীৱনৰ এই একেটা মাত্ৰ পৰিচিত পথ : ৰাতিপুৱা দিন হাজিৰা কাম বিচাৰি শুলাই যোৱা আৰু গ'ধূলি ঘৰলৈ ঘূৰি অহা। পৃথিৱীৰ আন কোনো কথা তাৰ চকুত নপৰেতো নপৰেই, তাৰ কাণতো আহি পৃথিৱীৰ কোনো শব্দই প্ৰবেশ নকৰে। তাৰ মগজৰ ভিতৰত ভয়ংকৰ দুশ্চিন্তাৰ এটা বিষাক্ত পোকে বাহ বান্ধিছে, দিন-ৰাতিৰ প্ৰতিটো মুহূৰ্ত্ততে ৰসেশ্বৰৰ কাণত বাজি থাকে কেৱল সেই পোকটোৰ অন্তহীন গুণগুণনি শব্দটো।

এদিন কিন্তু সম্পূৰ্ণ এটা অপৰিচিত শব্দ আহি ৰসেশ্বৰৰ কাণত পৰিল, আৰু সি প্ৰায় চক খাই কাণ থিয় কৰি উঠিল। সেইদিনা

গোটেই দিনটো কাম বিচাৰি ক'তো কাম নাপাই দুখে-ভাগৰে সি বজাৰৰ বৰ-গছ জোপাৰ তলতে বহি জিৰণি লৈছিল, এনেতে কিছু দূৰৰ পৰা এটা অপৰিচিত কণ্ঠস্বৰ আহি তাৰ কাণত পৰিল : '…… সকলো মাটি-হীন খেতিয়কে মাটি পাবই লাগিব।' যিফালৰ পৰা মাতটো আহিছে সেই ফালে চকু ঘূৰাই চাই সি দেখিলে—দেওবৰীয়া হাট বহা মুকলি ঠাই ডোখৰতে বহুত মানুহ জমা হৈছে, আৰু এজন ডেকা ল'ৰাই কিবা এটা যন্ত্ৰৰ সমুখত থিয় হৈ চিঞৰি চিঞৰি বক্তৃতা দিব ধৰিছে—'ইমান দিনে যি সকল ধনী মহাজনে দুখীয়া খেতিয়কৰ ৰক্ত শোষণ কৰি বহি বহি খাইছিল তেওঁলোকৰ দিন শেষ হৈ আহিল। আমাৰ প্ৰধান মন্ত্ৰীয়ে স্পষ্টভাবে ঘোষণা কৰিছে……'

ৰসেশ্বৰে লাহে লাহে বহাৰ পৰা উঠি থিয় হ'ল। জীৱনত কোনো মেল্-মিটিঙলৈ সি গৈ পোৱা নাই। আদাৰ বেপাৰীৰ কাৰণে জাহাজৰ খবৰ ৰখাৰ কোনো দৰকাৰ নাই। কিন্তু আজি আচম্বিতে তাৰ কাণত আহি পৰা অচিনাকী ডেকাজনৰ বক্তৃতাৰ টুকুৰা-টুকুৰি কথাকেইটাই ৰসেশ্বৰৰ মনত গভীৰ কৌতুহলৰ সৃষ্টি কৰিলে। সকলো মাটি-হীন মানুহে মাটি পাব? সি কাণেৰে ভুল শুনা নাইতো? নে ভোকে-পিয়াহে জৰ্জৰিত আৰু আধা-পাগল হৈ সি জাগ্ৰত অৱস্থাতেই কিবা সপোন দেখিছে? এখোজ-এখোজকৈ আগবাঢ়ি সি বক্তৃতা শুনি থকা মানুহবোৰৰ জুমটোৰ কাষত থিয় দিলেগৈ, আৰু গাৱঁৰে হলধৰক দেখি সুধিলে—'কি অ' হলধৰ, এইখননো কিহৰ মিটিঙ হৈছে?'

হলধৰে ঘূৰি চাই ৰসেশ্বৰক দেখি ক'লে—'তুমিনো ইমানদিনে ক'ত শুই আছিলা ৰসেশ্বৰ-কাই? ইলেক্‌চন আহিছে—কব নোৱাৰা নেকি? যোৱাবাৰ ইলেক্‌চন হওঁতে তুমি ভোট্ দিয়া নাছিলা জানো? এইবাৰো ভোট্ দিয়াৰ দিন পৰিছে, অহা ২১ ফেব্ৰুৱাৰী তাৰিখে। আমাৰ ইয়াত আজিৰ এইখনেই প্ৰথম ইলেক্‌চনৰ মিটিঙ্।'

ৰসেশ্বৰে জীৱনত কোনোদিনেই ভোট্ দি পোৱা নাই। তাৰ

সেই একেই কথা—আদাৰ বেপাৰীয়ে জাহাজৰ খবৰ ৰাখ কি কৰিব? কিন্তু আজিৰ কথাকাণ্ড দেখি আৰু শুনি তাৰ মনত প্ৰথম প্ৰশ্ন হ'ল—ইলেক্চনত ভোট্ দিলেই মানুহে মাটি পায় নেকি? ইমান দিনে সেই কথাষাৰতো তাক কোনেও কোৱা নাছিল! আজি তেন্তে বক্তৃতাৰ কথাবোৰ ভালকৈ শুনিব লাগিব। মানুহৰ ভীৰ ঠেলি সি যিমান পাৰে আগলৈ সোমাই গ'ল।

ৰসেশ্বৰে একেবাৰে সন্মুখলৈ যাব নোৱাৰিলে, কিন্তু মানুহৰ কান্ধৰ ওপৰেদিয়েই ডিঙি মেলি চাই সি যিটো দৃশ্য দেখিলে—তেনে এটা দৃশ্যৰ কাৰণে সি সমূলি প্ৰস্তুত নাছিল। বক্তৃতা দি থকা ডেকা-জনৰ কাষতে এখন চকীত মধুৰ মোলায়েম হাঁহি এটা মাৰি বহি আছে সনাতন শৰ্মা, তেওঁৰ ডিঙিত এধাৰ ডাঙৰ ফুলৰ মালা। ৰসেশ্বৰে চাৰিওফালে চকু ফুৰাই চাই দেখিলে—আন কাৰো ডিঙিত ফুলৰ মালা নাই। সি বুজিলে—সনাতন শৰ্মাই এইখন সভাৰ সভাপতি। সনাতন শৰ্মা যে গোটেই মৌজাখনৰ ভিতৰতে আটাইতকৈ ডাঙৰ মানুহ, সেই বিষয়ে নিশ্চয় কোনো সন্দেহ নাই। তেওঁ সভাপতি হবৰো নিশ্চয় যোগ্য। কিন্তু যিখন সভাত দুখীয়াৰ তেজ শুঁহি খোৱা ধনী মহাজনৰ বিৰুদ্ধে এনেকুৱা গৰম বক্তৃতা হব ধৰিছে, সেইখন সভাতেই আকৌ সনাতন শৰ্মা কেনেকৈ সভাপতি হব পাৰে সেই কথা ভাবিহে ৰসেশ্বৰ হতভম্ব হ'ল। এই সনাতন শৰ্মায়েই জানো জাল-জুৱাচুৰি আৰু দুৰ্ঘোৰ অন্যায় কৰি তাৰ বাপতি-সাহোন মাটিডৰা আত্মসাৎ কৰা নাই? এই সনাতন শৰ্মাই জানো তিনিমাহৰ ভিতৰতে তাক লাও-লোৱা ভিখাৰীত পৰিণত কৰা নাই? ইয়াকেই যদি দুখীয়াৰ তেজ শুঁহি খোৱা নোবোলে, তেন্তেনো আন কিহক বোলে? গোটেই ঘটনা-টোৱেই ৰসেশ্বৰৰ মনত এটা ভীষণ দুৰ্বোধ্য সাঁথৰ যেন লাগিল। সি ভাবিলে যে মিটিঙত হোৱা বক্তৃতাবোৰ হয়তো ভালকৈ মনোযোগ দি শুনিলে এই সাঁথৰৰ কিছু মৰ্ম-ভেদ কৰিব পৰা

হ'ব। কাণ দুখন সম্পূর্ণ সজাগ কৰি সি পৰম মনোযোগেৰে বক্তৃতাৰ প্ৰতিটো শব্দ শুনিবলৈ ধৰিলে।

ডেকাজনে কবলৈ ধৰিলে—'ৰাইজসকল, আপোনাসকলে জানে আমাৰ দেশৰ প্ৰধান সমস্যা হ'ল দৰিদ্ৰতা। সেই কাৰণে আমাৰ প্ৰধান মন্ত্ৰীয়ে স্পষ্ট ভাবে ঘোষণা কৰিছে—এইবাৰ আমাৰ দলৰ প্ৰধান লক্ষ্য হব, 'গৰীবী হটাও'—অৰ্থাৎ দৰিদ্ৰতা দূৰ কৰা। দৰিদ্ৰতা কেনেকৈ দূৰ কৰিব পাৰি? দৰিদ্ৰতা দূৰ কৰাৰ একমাত্ৰ উপায় হ'ল দেশত সমাজ-বাদ প্ৰতিষ্ঠা কৰা। আমাৰ পাৰ্টিয়ে দেশত সমাজ-বাদ প্ৰতিষ্ঠা কৰিবলৈ এইবাৰ দৃঢ় সংকল্প লৈছে। আপোনালোকে জানে, বহুবছৰৰ আগতেই আমাৰ পাৰ্টিয়ে সমাজ-বাদ প্ৰতিষ্ঠা কৰিবলৈ সংকল্প লৈছিল। কিন্তু আমাৰ পাৰ্টিৰ ভিতৰতে থকা বহুতো স্বাৰ্থপৰ আৰু প্ৰতিক্ৰিয়াশীল মানুহৰ ষড়যন্ত্ৰৰ ফলতেই বাৰে বাৰে আমাৰ সংকল্প ব্যৰ্থ হৈ গৈছিল। কিন্তু সেই সকলো মানুহক এতিয়া পাৰ্টিৰ পৰা বহিস্কাৰ কৰি দিয়া হৈছে। আজি আমাৰ পাৰ্টিৰ প্ৰত্যেকজন মানুহেই সমাজবাদ প্ৰতিষ্ঠাৰ কাৰণে সংগ্ৰাম চলাই চাবলৈ দৃঢ় সংকল্প গ্ৰহণ কৰিছে। আজি যিজন মানুহে এই সভাৰ সভাপতিৰ আসন শুৱনী কৰিছে, তেওঁক আপোনাসকলৰ ওচৰত নতুনকৈ চিনাকী কৰি দিয়াৰ নিশ্চয় কোনো প্ৰয়োজন নাই। আমাৰ প্ৰধান মন্ত্ৰীৰ প্ৰগতিশীল আদৰ্শ আৰু সমাজবাদ প্ৰতিষ্ঠাৰ আহ্বানৰ দ্বাৰা আকৃষ্ট হই তেওঁ আমাৰ পাৰ্টিত যোগ দিছে, আৰু পাৰ্টিয়েও তেওঁক আগন্তুক নিৰ্বাচনৰ কাৰণে প্ৰাৰ্থী হিচাবে মনোনীত কৰিছে। তেওঁক ভোট দিয়া মানেই প্ৰধান মন্ত্ৰীৰ প্ৰগতিশীল আদৰ্শৰ কাৰণে ভোট দিয়া, আপোনালোকৰ প্ৰত্যেকৰে নিজৰ নতুন উজ্জ্বল ভবিষ্যতৰ কাৰণে ভোট দিয়া। আমাৰ পাৰ্টিৰ হৈ মই ঘোষণা কৰিছো—নিৰ্বাচনতে আমাক জয়-যুক্ত কৰি চৰকাৰ গঠন কৰিবলৈ সুবিধা দিলেই আমি দেশৰ দৰিদ্ৰ জনতাৰ অৰ্থনৈতিক মুক্তিৰ কাৰণে নতুন আইন ৰচনা কৰিম।

আমাৰ এই অঞ্চলৰ প্ৰধান সমস্যা হ'ল মাটিৰ সমস্যা। বেচি ভাগ খেতিয়কৰে নিজৰ বুলিবলৈ মাটি নাই, সকলো মাটি গ্ৰাস কৰি ৰাখিছে কেইজনমান মুষ্টিমেয় ধনী মহাজনে। নিৰ্বাচনৰ পিছত ধনী মহাজনসকলৰ পৰা মাটি কাঢ়ি আনি সকলো দুখীয়া মাটি-হীন খেতিয়কৰ মাজত মাটি ভাগ কৰি দিয়া হব, প্ৰত্যেকজন খেতিয়কেই নিজৰ সংসাৰখন চলিব পৰাকৈ একোডৰা মাটি পাব। মই আৰু বেচি কথা কৈ আপোনাসকলক আমনি দিব নোখোজো; এতিয়া মই আমাৰ দলৰ প্ৰাৰ্থী আৰু আজিৰ সভাৰ সভাপতি শ্ৰদ্ধেয় শ্ৰীযুক্ত সনাতন শৰ্মা ডাঙৰীয়াক দু-আষাৰমান কবলৈ অনুৰোধ কৰিলো।'

গোটেই কথাবোৰ ৰসেশ্বৰৰ মনত সপোন-সপোন যেন লাগিল। গেলা মদাহী এটাক সভাপতি কৰি বহুৱাই লৈ কোনোবাই যদি সেইখন মিটিঙতে মদ খোৱাৰ বিৰুদ্ধে তৰ্জন-গৰ্জন কৰি বক্তৃতা দি থাকে, তেন্তে সেইটোক বাৰু এটা বিৰাট ঠাট্টাৰ বাহিৰে আন কিবা বুলি ভাবিব পাৰিনে? দুখীয়াৰ তেজ শুহি খোৱা ধনী মহাজনৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ যিটো পক্ষই ৰণ-চালি দিছে, সেই পক্ষৰ প্ৰধান সেনাপতি হ'ল সনাতন শৰ্মা!......ৰসেশ্বৰৰ মনত হঠাৎ এটা নতুন ভাবৰ উদয় হ'ল। যোৱা তিনি মাহে সিতো কেৱল নিজৰ মোকৰ্দমাৰ চিন্তা আৰু পেটৰ চিন্তাতে আহো-বলীয়া হৈ ঘূৰি ফুৰিছে, সংসাৰৰ ক'ত কি ঘটিছে তাৰ একো খবৰ নাই। সনাতন মহাজনে ইতিমধ্যেই কিজানি নিজৰ সকলো মাটি-বাৰী দুখীয়াক দান দি সঁচাকৈয়ে সাধু-মহাত্মাই হৈ পৰিছে!......কিন্তু ৰসেশ্বৰে তাৰ প্ৰশ্নটো চিন্তা কৰিবলৈ সময়েই নাপালে, ইতিমধ্যে সনাতন শৰ্মাই তেওঁৰ বক্তৃতা আৰম্ভ কৰিলে।

সনাতন শৰ্মাৰ বক্তৃতাত নতুন কথা একো নাই, ইতিমধ্যে বক্তৃতা দিয়া তীখৰ ডেকাজনে যিখিনি কথা কৈছিল, শৰ্মায়ো ঘূৰাই পকাই তাকেই ক'লে। কিন্তু সনাতন শৰ্মাই কথা কব জানে।

ডেকাজনে মুখস্থ মতাৰ দৰে যিখিনি কথা কৈছিল, তাকে শৰ্মাই অতি ৰস লগাই গাৱঁলীয়া মানুহে বুজি পোৱা নানা উপমা লগাই অতি সোৱাদ লগাকৈ ক'লে। শৰ্মাৰ কথাত যেন মোহে বৰষিছে, সকলো শ্ৰোতাই মন্ত্ৰ মুগ্ধ হৈ তেওঁৰ কথা শুনিলে। শৰ্মাৰ বক্তৃতাৰ শেষত ডেকাজনে চিঞৰ ধৰিলে—'জয় প্ৰধান মন্ত্ৰীৰ জয়, জয় সনাতন শৰ্মাৰ জয়।' সমজুৱা সকলো মানুহে সমস্বৰে উজান দিলে—'জয় সনাতন শৰ্মাৰ জয়!'

ঘৰলৈ ঘুৰি অহা গোটেই বাট-ছোৱা ৰসেশ্বৰৰ নিজকে নিচা-খোৱা মানুহৰ নিচিনা লাগিল। ভেকুলীৰ পিঠিত সঁচাকৈয়ে এইবাৰ নোম গজিব নেকি? অতখন প্ৰজাৰ সমুখত থিয় হৈ কোনোবা মানুহেনো ইমান এষাৰ মিছা কথা কবলৈ সাহ কৰিবনে? কি ঠিক, দেশত সঁচাকৈয়ে কিজানি এইবাৰ কিবা নতুন আইন হৈছে। ঈশ্বৰে কিজানি অৱশেষত তাৰ নিচিনা চিৰ-দুৰ্ভগীয়া দুখীয়া মানুহবোৰলৈ সঁচাকৈয়ে চকু মেলি চাইছে। তাহানি বগা চাহাবৰ বিৰুদ্ধে ভলাণ্টিয়াৰবোৰে আন্দোলন কৰোঁতেও গাৱঁৰ বুঢ়া মানুহবোৰে কৈছিল—'এই কাম-বন নোহোৱা কেলেহুৱা ভলাণ্টিয়াৰ কেইটাই মুখৰ কথাৰেই মহাৰাণীৰ ৰাজ-পাট খহাব পাৰিম বুলি ভাবিছে! এনেকুৱা গছত গৰু উঠা হোলোঙাৰে কাণ বিন্ধোৱা কথাত আমাৰ সঞ্জাত নাই।' পিছত দেখোন সেই ভলাণ্টিয়াৰবোৰেই সঁচাকৈয়ে মহাৰাণীক খেদি নিজেই দেশৰ হৰ্তা-কৰ্তা বিধাতা হ'ল।

সেইদিনা ৰাতিলৈ ৰসেশ্বৰে অনাহাৰে বিছনাত পৰিল, কিন্তু ভোকৰ জুইয়ে আন দিনৰ দৰে তাক বেচি যন্ত্ৰণা দিব নোৱাৰিলে। আধা টোপনিত সি এটা মধুৰ সপোন দেখিবলৈ ধৰিলে—দেখিবলৈ দেবীৰ নিচিনা এগৰাকী মাইকী মানুহ আহি তাৰ ঘৰৰ দুৱাৰ-মুখত থিয় দিছেহি; কল্পনাৰ মহাৰাণীতকৈ তেওঁ বেচি সুন্দৰ আৰু বেচি ক্ষমতাশালী। ৰসেশ্বৰে ভিতৰৰ পৰা গুলাই আহি তেওঁৰ ওচৰত থিয় দিয়াত মাইকী মানুহ গৰাকীয়ে মৰমৰ হাঁহি এটা মাৰি ৰসেশ্বৰৰ

মুখলৈ চাই ক'লে—'এই কাগজখন লোৱা, তোমাৰ মাটি মই তোমাক ঘুৰাই দিলো। ইয়াৰ পিছত কোনেও মিছা মোকৰ্দমা কৰি তোমাৰ মাটি কাঢ়ি লব নোৱাৰিব। মই দুখীয়াক সদায় ৰক্ষা কৰিম, আৰু যিবোৰ মানুহে দুখীয়াৰ শত্ৰুৰালী কৰে সিহঁতক কলীয়া-পানীলৈ খেদিম।'

পিছদিনা ৰাতিপুৱা ৰসেশ্বৰে কামৰ সন্ধানত ঘৰৰ বাহিৰ হৈ চোতালত ভৰি দিছে মাত্ৰ, তেনেতে দুজন ডেকা মানুহ তাৰ পদূলিয়েদি সোমাই আহিল। এনেকুৱা ভাল-ভদ্ৰমানুহ ইয়াৰ আগতে কোনোদিনেই তাৰ ঘৰলৈ অহা নাই। বিস্ময়ত অভিভূত হৈ সি ঠাইতে থমকি ৰ'ল। ডেকা দুজনৰ এজনে ৰসেশ্বৰৰ ওচৰ পাই মাত লগালে—'ক'ৰবালৈ যাবলৈ ওলাইছে হবলা; খন্তেক সময় আমনি কৰো, বেয়া নাপাব। শুনিছেই নহয়, ইলেক্‌চন্ আহি পাইছে। আপোনাৰ ভোট্‌টো পিছে কাকনো দিম বুলি ভাবিছে?'

ৰসেশ্বৰে নম্ৰভাবে উত্তৰ দিলে—'ভোট্‌নো কি বস্তু কি কথা একো বুজিয়েই নাপাওঁ দেউতাসকল। আমাৰ ভোট্ খুজিবলৈ এতিয়ালৈকে কোনো অহাও নাই। কেৱল কালি হাট-খোলাৰ মিটিঙতহে শুনি আহিলো—সনাতন মহাজন বোলে আমাৰ ইয়াত প্ৰাৰ্থী হিচাবে থিয় দিছে। সেই মিটিঙতে আৰু এটা আচৰিত কথা শুনিলো—সনাতনক ভোট্ দিলে বোলে এইবাৰ চৰকাৰে জমিদাৰ আৰু ধনী খেতিয়ক সকলৰ পৰা মাটিবোৰ কাঢ়ি আনি দেশৰ সকলো মাটি-নোহোৱা দুখীয়া মানুহৰ মাজত ভগাই দিব; নিজে খেতি নকৰা কোনো মানুহেই মাটি ৰাখিব নোৱাৰিব। কথাষাৰ সঁচানে?

ৰসেশ্বৰৰ কথা শুনি ডেকা দুইজনে একে লগে অট্টহাস্য কৰি উঠিল। বহুত কষ্ট কৰি হাঁহি সামৰি এজনে ৰসেশ্বৰক সুধিলে—'আপোনাকেই বাৰু আমি ঘুৰাই এটা প্ৰশ্ন কৰো। সনাতন মহাজনৰ মাটি কিমান আছে আপুনি কব পাৰেনে?'

'জানো, এশ পুৰামান হব হবলা'—ৰসেশ্বৰে অনিশ্চিত ভাবে উত্তৰ দিলে।

'আপুনি ভালকৈ নাজানে। আমি জানো। তেওঁৰ মুঠ মাটি ৬০০ বিঘা, অৰ্থাৎ ১৫০ পুৰা। ৫৬ চনৰ চিলিং আইনতে তাৰে বেচি ভাগ মাটি যাব লাগিছিল, নগ'ল। বিধান সভাত চিলিং আইনখন পাছ কৰা এজন এম. এল. এই আৰু চিলিং আইন কাৰ্য্যকৰী কৰিবৰ কাৰণে নিযুক্ত হোৱা এজন অফিচাৰেই তেওঁক বুদ্ধি দিলে; সেই বুদ্ধি মতে সনাতন শৰ্মাই আজি ওপজা কেচুৱাটোৰ পৰা আৰম্ভ কৰি এযুগৰ আগতে মৰি যোৱা প্ৰথম পক্ষৰ পত্নীলৈকে সকলোৰে নামত বে-নামী পট্টা কৰি চিলিং আইনক ফাঁকি দিলে। ইমানৰ পিছতো জানো সনাতনৰ মাটিৰ খক মাৰ গৈছে? কিয়, আজি তিনি মাহৰ আগতে দলিল জাল কৰি তেওঁ আপোনাৰ মাটিডৰাও জানো গ্ৰাস কৰা নাই? সেই মাটিৰ কাৰণে এতিয়া জানো আধি-বোৰ্ডত মোকৰ্দমা চলি থকা নাই?'

ৰসেশ্বৰে অতি আচৰিত হৈ সুধিলে—'মোৰ বিষয়ে ইমানবোৰ কথা আপোনালোকে কেনেকৈ জানিলে?'

ডেকাজনে ৰহস্যৰ ভেদ্ ভাঙি নিদি ক'লে—'আপোনাৰ ভোট্‌টো প্ৰাৰ্থনা কৰিবলৈ আহিছো, আপোনাৰ বিষয়ে একো এটা কথা নজনাকৈ সম্পূৰ্ণ অচিনাকী ভাবে আহিলে জানো আপুনি ভাল পাব? কিন্তু মোৰ প্ৰশ্নৰ উত্তৰ দিয়ক: সনাতনে দলিল জাল কৰি আপোনাৰ মাটি আত্মসাৎ কৰাটো হয়নে নহয়?'

'কিয়নো নহয় দেউতাসকল'—জীৱনত প্ৰথমবাৰৰ কাৰণে তাৰ কথা সহানুভূতিৰে সৈতে শুনিবলৈ বিচৰা মানুহ এজন পাই ৰসেশ্বৰৰ কান্দোন উঠলি উঠিল—'মোক সনাতনে একেদিনাই পথৰ ভিখাৰী কৰিলে দেউতাসকল। মোকৰ্দমাটো লাগিবৰ দিন ধৰি মোৰ দুখৰ কথা কিমান কম কিমান শুনিব?' —কান্দোনত ৰসেশ্বৰৰ কথা নোলোৱা হৈ আহিল।

'জানো জানো, আমি সকলো কথা জানো'—আনজন ডেকাই মাত লগালে—মোকৰ্দমাখন লগাই আপুনি মণ্ডল-হাকিম-মেম্বৰক ঘোচ দিওঁতে দিওঁতে সৰ্বস্বান্ত হৈছে ; আপোনাৰ নিজৰ বংশৰ মানুহেও সনাতনৰ টকা খাই আপোনাৰ বিৰুদ্ধে মিছা সাক্ষী দিছে। আজি সনাতনহঁতে কয়, দুখীয়াৰ উপকাৰৰ কাৰণে সিহঁতে বোলে নতুন আইন কৰিব। আৰে, কেৱল কাগজত আইনখন কৰিলেই হয়নে? তহঁতৰ আইনৰ পৰা দুখীয়াই কি সুবিচাৰ পাইছে এয়েহে তাৰ নমুনা। এই একেবোৰ বিষয়া-কৰ্মচাৰীয়েইহে তহঁতৰ নতুন আইনবোৰো কাৰ্য্যকৰী কৰিব। এই সকলো আইন-তাইনৰ কথা এটা বিৰাট ধাপ্পা বুজিছে। আইনৰ জালখনত সৰু সৰু পুঠি-খলিহাবোৰহে ধৰা পৰি মৰা পৰে ; ৰৌ-বৰালীবোৰে জাল ফালি পলাই সাৰে। 'বাৰু, আৰু এটা কথা কওঁকচোন। সনাতনে যে কৈছে, তেওঁ এম. এল. এ. হব পাৰিলেই নতুন আইন কৰি ধনী মহাজনবোৰৰ মাটি কাঢ়ি আনি দুখীয়াক ভগাই দিব, তেওঁ নিজেও জানো এজন ধনী মহাজন নহয়?'

'কিয় নহয় দেউতা?' ৰসেশ্বৰে হয়ভৰ দিলে—'আমাৰ এই মৌজাত তেওঁতকৈ ডাঙৰ ধনী মহাজন আন কোন আছে?'

'তেন্তে তেওঁ নিজৰ ডিঙিতেই আইনৰ খোৰোচা লগাব?'

ৰসেশ্বৰে এই প্ৰশ্নৰ একো উত্তৰ দিব নোৱাৰিলে।

ডেকাজনে ৰসেশ্বৰৰ উত্তৰলৈ বাট নাচাই আকৌ কবলৈ ধৰিলে: 'ধৰি ললো, সনাতনে এম.এল.এ. হোৱাৰ লোভত নিজৰ মাটিখিনিকো এৰি দিলে। কিন্তু তাৰ পিছত তেওঁ নিজে কি কৰি খাব?'

ৰসেশ্বৰে এই প্ৰশ্নৰো একো উত্তৰ দিব নোৱাৰিলে।

ৰসেশ্বৰে নিৰুত্তৰ অৱস্থা দেখি ডেকাজনে উল্লাসিত হৈ ক'লে—'ইয়াতকৈ ডাঙৰ জীয়া-ফাঁকি আপুনি কল্পনা কৰিব পাৰেনে? যিটো মানুহ এই অঞ্চলৰ আটাইতকৈ ডাঙৰ ৰক্ত-পায়ী শোষক, যিটো মানুহে মাত্ৰ তিনিমাহৰ আগতে আপোনাৰ নিচিনা এজন সহজ-

সৰল হোজা খেতিয়কক নিৰ্মমভাবে প্ৰতাৰণা কৰি আপোনাৰ জীৱন-ধাৰণৰ একমাত্ৰ অৱলম্বন মাটি ডৰা গ্ৰাস কৰিছে, সেইটো মানুহেই হ'ল আজি দৰিদ্ৰৰ বন্ধু আৰু প্ৰগতিবাদী। দৰিদ্ৰৰ বন্ধু বুলি নিজকে পৰিচয় দিয়া এই দলটোৱে এই মানুহটোক নিজৰ দলৰ সদস্য কৰি লোৱাৰ আগতে এবাৰো জানিবলৈ চেষ্টা কৰিছিলনে তাৰ অতীত কাৰ্য্য-কলাপ কি? টকা কেইটামান দি কাগজ এখনত চহী কৰিলেই সাপো কি মুহূৰ্ত্ততে বেঙ হৈ যায়? আপুনি কি সঁচাকৈয়ে বিশ্বাস কৰে যে এই মানুহটোৱে আপোনাৰ ভোটটো পাই এম. এল. এ. হব পাৰিলেই পিছদিনাই আপোনাৰ মাটি ডৰা আপোনাক ঘূৰাই দিব? ইমান দিনে দিন-ডকাইতি কৰি যিমান মানুহৰ পৰা সি মাটি আত্মসাৎ কৰিছে, সেই সকলো মানুহকে মাটি ঘূৰাই দিব? যদিহে ঘূৰাই দিয়ে, তেন্তে এইটো বুজিব নালাগিবনে যে মাটি-গিৰি হৈ তাৰ যিমান লাভ হৈছে, এম. এল. এ. হব পাৰিলে তাতকৈ হাজাৰগুণ বেচি লাভ হব বুলি সি আশা কৰিছে? অৰ্থাৎ গাৱঁত মাটি-গিৰি মহাজন হৈ সি যদি এশজন মানুহক ঠগিব পাৰিছিল, ৰাজধানীত এম. এল. এ. হৈ সি হাজাৰজন মানুহক ঠগিবলৈ পাং পাতিছে? আপুনি এনে এটা মানুহকে যদি এম. এল. এ. কৰিম বুলি ঠিক কৰিছে, তেনেহলে অৱশ্যে আমাৰ কবলৈ একো কথা নাই। আপুনি নিজেই ভাবি চাওক।'

অচিন দেশত বাট নিচিনা মানুহৰ দৰে ৰসেশ্বৰে প্ৰশ্ন কৰিলে— 'তেন্তেনো আপোনা সকলে মোক কি কৰিবলৈ কয়?'

ৰসেশ্বৰৰ প্ৰশ্ন শুনি ডেকাজনে উৎফুল্ল হৈ ক'লে—'আমি কম আমাৰ প্ৰাৰ্থীক ভোট দিবলৈ। 'কৃষক সভা' নামেৰে আমি এটা নতুন দল খুলিছো। আমি চৰকাৰ গঠন কৰিব পাৰিলে পুৰণি আইনৰ কিতাপবোৰ জুই লগাই পুৰি পেলাম। আমাৰ দলত এজনো ধনী মানুহ নাই। আপোনাৰ নিচিনা দেশৰ লাখ লাখ সৰ্বহাৰা কৃষকসকলেই আমাৰ দলৰ সদস্য। গতিকে আমাৰ কামত বিধি-

পথালি দিবলৈ বা গোপনে ষড়যন্ত্ৰ কৰি আমাৰ উদ্দেশ্য ব্যৰ্থ কৰিবলৈ কোনো ঘৰ-বিভীষণ নাই। আপুনি যদি সঁচাকৈয়ে ধনী মহাজনৰ নিৰ্মম শোষণৰ পৰা মুক্তি বিচাৰিছে, তেন্তে আমাৰ দলৰ প্ৰাৰ্থী প্ৰাণেশ্বৰ হাজৰিকাক ভোট দিয়ক। আমাৰ ভোটৰ চিন হ'ল কুঠাৰ—মনত ৰাখিব। দৰিদ্ৰ জনতাৰ সকলো শত্ৰুক আমি কুঠাৰেৰে ঘৈয়াই শেষ কৰিম। আমি বুজি পাওঁ কেৱল কাম, মুখৰ কথাত আমাৰ সমূলি আস্থা নাই। ধৰ'ক এইখন কাগজ—'

ৰসেশ্বৰৰ হাতত কাগজ এখন গুজি দি ডেকা দুজন নিজৰ বাটত গুচি গ'ল। ৰসেশ্বৰ একে ঠাইতে বহুত সময় স্তব্ধ হৈ ঠিয় হৈ ৰ'ল। তাৰ মূৰৰ ভিতৰত ডেকা দুজনৰ কথাবোৰ প্ৰতিধ্বনিত হবলৈ ধৰিলে। তেওঁলোকৰ এষাৰ কথাওতো মিছা বুলি কব নোৱাৰি। বাঘে মাংস খাবলৈ এৰি ঘাঁহ খাবলৈ লোৱাও যদি এদিন সম্ভৱ হব পাৰে, তথাপি সনাতনৰ নিচিনা মানুহে নিজৰ মাটিখিনি দুখীয়াক মুখৰ কথাতে এৰি দিয়াটো কদাপি সম্ভৱ নহয়। ৰসেশ্বৰে এইবাৰ ভোট দিবলৈ যদি যায়, তেন্তে তাৰ প্ৰাণৰ কথা কোৱা এই প্ৰাণেশ্বৰ চুতীয়া নে কি সেই মানুহজনকেই ভোট দিব।

ডেকা দুজনৰ কথাবোৰকে মনৰ ভিতৰত পাগুলি-পাগুলি ৰসেশ্বৰে এখোজ এখোজকৈ আলিবাটৰ ফালে ওলাই গ'ল।

## একৈশ

সেই দিনাও গোটেই দিনটো ঘুৰি ঘুৰি ৰসেশ্বৰে ক'তো কাম বিচাৰি নাপালে। নৈ-পাৰৰ হাবি ডৰালৈ গৈ বহুত বিচাৰি বিচাৰি সি এজোপা বন-আলু পালে। বন-আলু কেইটামান খান্দি গামোচাত বান্ধি তাকে লৈ গধূলি পৰত সি ঘৰলৈ উভটিল। আজি ৰাতি পোৱা বন-আলুৱেই গোটেই ঘৰখনৰ একমাত্ৰ আহাৰ হব। এনেকৈ আৰু কিমান দিন প্ৰাণ ধৰি ৰাখিব পাৰিব সেইকথা একমাত্ৰ নেদেখা জনেহে জানে।

সাঁজ লগাৰ পৰত ঘৰৰ পদূলি-মুখ পায়েই সি দেখিলে এখন জীপ-গাড়ী থিয় হৈ আছে। ৰসেশ্বৰৰ ঘৰৰ পদূলিত জীপ-গাড়ী! উধাতু খাই সি ঘৰৰ ফালে ঢাপলি মেলিলে। আজি নিশ্চয় কিবা এটা অঘটন ঘটিছে। সনাতন মহাজনে তাক ধৰি নিবলৈ কিজানি পুলিচকে পঠাই দিছে। ৰসেশ্বৰ চোতালত থিয় হোৱাৰ লগে লগে আন্ধাৰত পিৰালীত বহি থকা কোনোবা এজন মানুহে মাত লগালে —'সেয়া ৰসেশ্বৰনে?' ইমান কোমল মধুৰ মাত ৰসেশ্বৰে জীৱনত কোনোদিন শুনি পোৱা নাছিল। তাৰ বুকুলৈ জীউটো ঘুৰি আহিল। মানুহজনৰ একেবাৰে গাৰ কাষলৈ গৈ ৰসেশ্বৰে প্ৰশ্ন কৰিলে—'আপুনিনো কোন বহি আছে মই আন্ধাৰত ভালকৈ ধৰিব পৰা নাই দেউতা······'

'কি কথা কৱ অ' ৰসেশ্বৰ, তই মোকেই চিনি পোৱা নাইনে?' —কৃত্ৰিম বিৰক্তিৰে মানুহজনে ক'লে—'হেৰ, মই সনাতন শৰ্মা।'

সনাতন শৰ্মা! মুহূৰ্ত্তৰ কাৰণে ৰসেশ্বৰ শিলিভূত হৈ গ'ল। তাৰ ঘৰৰ পিৰালীত ডুখৰি পিৰাত সেয়া বহি আছে সনাতন শৰ্মা! একুৰি বছৰৰ আগতে মৰি ভূত হোৱা তাৰ বাপেকেও যদি সেই মুহূৰ্ত্তত জীৱন্ত ৰূপ ধৰি তাৰ আগত থিয় হৈ কলেহেঁতেন—'ৰসেশ্বৰ, তই মোক চিনি পোৱা নাই, মই তোৰ পিতাৰ'—তথাপি সি বোধহয় কম আচৰিত হ'লহেঁতেন।

ৰসেশ্বৰৰ মুখত মাত-বোল একো নুশুনি সনাতনে আকৌ মাত লগালে—'কিয়, তই দেখোন মোক ভূত দেখাৰ দৰে দেখিলি। উঠি নাহ কিয়? মই এঘণ্টাতকৈ বেচি সময় তোৰ কাৰণে অপেক্ষা কৰি বহি আছো।'

সনাতনৰ মাতত ৰসেশ্বৰে সম্বিৎ ঘুৰাই পালে। কিন্তু ঠিক সেই মুহূৰ্ত্ততে যিটো কথা ৰসেশ্বৰৰ মনলৈ আহিল—সেইটো এই নহয় যে সনাতন তাৰ সাত শতুৰু, এই মানুহটোৱেই তাৰ চৰম সৰ্বনাশ কৰিছে, আজিও হয়তো তেওঁ কিবা এটা সাংঘাটিক বিপদহে তাৰ ঘৰলৈ লৈ আহিছে; তাৰ কেৱল মনলৈ আহিল যে সনাতনৰ নিচিনা ইমান এজন ডাঙৰ ধনী-মানী মানুহ নিতান্ত এজন সাধাৰণ মানুহৰ দৰে তাৰ ঘৰৰ পিৰালীত বহি থাকিব লগা হৈছে। গোঁসাইৰ থাপনাত ভৰি লগাৰ নিচিনা এটা প্ৰচণ্ড অপৰাধ-বোধে ৰসেশ্বৰক মুহূৰ্ত্ততে অস্থিৰ আৰু আতংকিত কৰি তুলিলে। ধনী আৰু শক্তিমানৰ প্ৰতি যি ভয় আৰু দাস্যতাৰ ভাব যুগ যুগ ধৰি ৰসেশ্বৰহঁতৰ নিচিনা মানুহবোৰৰ জীৱনত মজ্জাগত হৈ পৰিছে, ৰসেশ্বৰৰ আন সকলো অনুভূতি তল পেলাই সেই ভয়ৰ ভাবেই সেই মুহূৰ্ত্তত আটাইতকৈ প্ৰবল হৈ উঠিল। সি প্ৰায় আৰ্তনাদ কৰি উঠিল—'দেউতা? আপুনি দুখীয়াৰ ঘৰত পদ-ধূলি দিবলৈ আহি এনেকৈ পিৰালীত ডুখৰি-পিৰাত বহি আছে? এই মানুহজনী ক'ত মৰিবলৈ গ'ল? খালে, খালে, এই মানুহজনীয়ে মোক খালে। তাইক আজি মই—'

'ৰসেশ্বৰ'—সস্নেহ শাসনৰ সুৰত সনাতনে মাত লগালে—"একো কথা নজনাকৈ চিঞৰ-বাখৰখন নকৰিবিচোন। ঘৈণীয়েৰৰ আজি আবেলিৰে পৰাই জ্বৰ উঠিছে। ইমান পৰে তাই মোৰ ওচৰতে বহি আছিল। মাত্র অলপ আগতে মইহে তাইক জোৰকৈ ভিতৰলৈ পঠাই দিলো। তাইক শুই থাকিবলৈ কৈছো। আৰু যে আন্ধাৰৰ কথা কৈছ—তই কেৰাচিন তেল আনি নিদিলে তাই চাকি জ্বলায় কেনেকৈ? ...ৰসেশ্বৰ, তই বৰ ভুল কাম কৰিছ। মই যেনিবা খন্তেকৰ খঙৰ ভমকত কোনোবা এসময়ত তোক কিবা এষাৰ কথা ক'লোৱেই, সেই বুলিনো ইমান ভয়ংকৰ বিপদত পৰিও তই মোৰ ওচৰলৈ যাব নালাগেনে? বাপেকে পুতেকক জানো কেতিয়াবা অনাহক কথাতো ডাবী ধম্‌কি এষাৰ নিদিয়ে? কিন্তু সেই বুলি জানো পুতেক চিৰকালৰ কাৰণে বাপেকৰ পৰ হৈ যায়? মোৰো ভুল হৈছে, স্বীকাৰ কৰো;......আৰে, তই দেখোন গছৰ মূঢ়াটোৰ দৰে থিয় হৈ থাকিলি, নবহ কিয়?"

'বহো বহো দেউতা, আপোনাৰ ভৰিৰ কাষতে খন্তেক বহি দেহাটো জুৰাওঁ'—ৰসেশ্বৰ সনাতনৰ ভৰিৰ তেনেই কাষতে মাটিতে বহি পৰিল।

'স্বীকাৰ কৰো, মোৰ ভুল হৈছে। মই নিজেও তোৰ খবৰ লব লাগিছিল। কিন্তু কি কৰিবি, অকলশৰীয়া মানুহ কোন ফালে কিমান চাম। বাৰু, যি হবৰ হৈ গ'ল। হোঁ, টকা কেইটা ধৰ; পঁচিশটা মানহে আছে হবলা। পিছে পৰে আৰু দিম। ঘৈণীয়েৰৰ মুখত মই সকলো কথা শুনিছো। আজি কেইবাদিনো ধৰি তহঁতে খাবলৈ পোৱা নাই। ঘৈণীয়েৰৰনো কি হৈছে বুলি ভাবিছ? ভোক-জ্বৰ হৈছে, আন একে হোৱা নাই। এতিয়া যা, দোকানৰ পৰা চাউল-পাত অলপ আনি খোৱাৰ দিহা কৰ। বাপেকটো হৈ নিজৰ ল'ৰা-ছোৱালীকনো এনেকৈ চকুৰ আগতে তিলে-তিলে মাৰিবলৈ দিব লাগেনে? বৰ ভুল কাম কৰিছ। বাৰু, মই এতিয়া যাওঁ।

অ'—শুন, কালি মই তোক হাট-খোলাৰ মিটিঙত দেখিছিলো। তইতো ইতিমধ্যে নিশ্চয় গম পাইছই, মই এইবাৰ ইলেক্‌চনত কেণ্ডিডেট্ হৈছো। তোৰ ভোট্‌টোও মই আকৌ খুজিব লাগিবনেকি ?'

আন্ধাৰত সনাতনে দেখা নাছিল, তেওঁ দিয়া টকা পাঁচিশটাৰ নোট্‌কেইখন দুই হাতেৰে ওঠত চেপি ধৰি ৰসেশ্বৰে কৃতজ্ঞতাৰ উদ্‌গত কান্দোনটো জোৰকৈ হেচি ৰাখিবলৈ চেষ্টা কৰি আছিল। সনাতনৰ প্ৰশ্নটো শুনা মাত্ৰকতে ৰসেশ্বৰে তিলমাত্ৰ সময় চিন্তা নকৰি উত্তৰ দিলে—'ঈস্ ঈস্, কি যে কথাবোৰ কয় দেউতাই। আমি আপোনালোকৰ সাত-পুৰুষৰ গোলাম, আমাৰ ভোটটো আকৌ নতুনকৈ খুজিব লাগেনেকি ? মোৰ ভোটটো নোখোজাকৈয়ে আপোনাৰে হৈ আছে দেউতা।'

সনাতন যাবলৈ বুলি থিয় হ'ল। শান্ত পৰিতৃপ্ত কণ্ঠেৰে তেওঁ ক'লে—'তই কাইলৈ মোৰ ঘৰৰ ফালে পাক এটা মাৰিবি। দিনৰ দিনটো টলৌ টলৌকৈ হাজিৰা-কাম বিচাৰি ঘুৰি মৰিব নালাগে। ইলেক্‌চনৰ সময়ত কৰিবলগীয়া কাম বহুত থাকে। এই কেইদিন তই মোৰ ঘৰতে কাম কৰিবি।

ৰসেশ্বৰৰ বুকুৰ পৰা আৰু এসোতা কৃতজ্ঞতাৰ কান্দোন ডিঙিলৈকে উঠি আহিল।

সনাতনে জীপ-গাড়ীত উঠিব ধৰোতেই ৰসেশ্বৰে ভয়ে ভয়ে মাত লগালে—'দায়-দোষ নধৰে যদি কথা এষাৰ সোধো দেউতা। কালি যে মিটিঙত শুনিছিলো—এইবাৰ ভোট্ হৈ যোৱাৰ পিছত চৰকাৰে নতুন আইন কৰিব, আৰু সকলো মাটিহীন মানুহে মাটি পাব,—কথাষাৰ সঁচানেকি দেউতা ?'

'নিশ্চয় সঁচা, এশবাৰ সঁচা'—অভিনয়ৰ সুৰত সনাতনে চিঞৰি উঠিল—'এইবাৰ মুখৰ কথা নহয়, কেৱল কাম। নিজ চকুৰেই দেখি থাকিবি নহয়।'

ৰসেশ্বৰে আকৌ ভয়ে ভয়ে সুধিলে—'তেন্তে দেউতা, মোৰ মাটি ডোখৰো—'

ৰসেশ্বৰক বাক্যটো শেষ কৰিবলৈ নিদি সনাতনে ক'লে—'দেশৰ সকলো মাটি-হীনেই যেতিয়া মাটি পাব, তেনে-স্থলত লক্ষ্মীৰ প্ৰসাদৰ পৰা তইনো কিয় বঞ্চিত হবি? ইলেক্‌চনটো পাৰ হৈ যাবলৈ দে, মই তোক সকলো কথা এদিন ভালকৈ বুজাই দিম। দেশৰ চৰকাৰেই যেতিয়া তহঁতক মাটি দিম বুলি কৈছে, তেনেস্থলত মই নিদিবলৈ কোন? মই এতিয়া যাওঁ ৰসেশ্বৰ। মোৰ আৰু বহুত ঠাইলৈ যাব লগা আছে। তই কালিলৈ এপাক আহিবি।' ধূলিৰ ডাৱৰ উৰাই থৈ সনাতনৰ জীপ-গাড়ীয়ে বিস্বাশৱদে ঢাপলি মেলিলে। ধূলিয়ে ৰসেশ্বৰৰ নাক-মুখ পুতি পেলালে। কিন্তু তালৈ ভ্ৰূক্ষেপ নকৰি সি পঁচিশ টকাৰ নোটকেইখন আকৌ এবাৰ দুই হাতেৰে ওঠত চেপি ধৰিলে। সুখৰ আবেগত তাৰ ওঠ দুখন সামান্য কঁপি উঠিল। কিমান দিন সি পেট ভৰাই খাবলৈ পোৱা নাই, খাবলৈ নাপাই তাৰ ল'ৰা-ছোৱালীৰ বুকুৰ কামি-হাড় ডাল ডাল হৈ গৈছে। আজি বহুত দিনৰ মূৰত সিহঁতে পেট ভৰাই খাবলৈ পাব; কেৱল আজিয়ে নহয়, কাইলৈকো সিহঁতে নিশ্চয় খাবলৈ পাব, কাৰণ সনাতন মহাজনে আৰু কেইবাদিনৰ কাৰণে কাম দিম বুলি তাক কৈ গৈছে; উস্, কি শান্তি, কি আৰাম, আজি ৰাতিটো অন্ততঃ সি নিশ্চিন্ত মনেৰে টোপনি যাব পাৰিব, কালিলৈ কাম বিচাৰি নোপোৱাৰ দুশ্চিন্তাই তাৰ ৰাতিৰ চিল্‌মিলিয়া টোপনি ভয়ংকৰ দুঃস্বপ্নৰে আজি আৰু ভৰাই তুলিব নোৱাৰিব;......হব পাৰে সনাতন মহাজন কু-চক্ৰী দুষ্ট মানুহ, কিন্তু তথাপি তেওঁ চিৰকালৰ চিনাকী মানুহ; মানুহে কথাতে কয়—মোৰে খো দুষ্ট, মোকে কাটে মোকে মাৰে মোকে কৰে তুষ্ট; এদিন যদি সনাতন মহাজনে তাৰ কিবা অপকাৰ কৰিছে, আন এদিন নিশ্চয় উপকাৰো কৰিব; ৰাতিপুৱা তাৰ ভোট বিচাৰি অহা ডেকা দুজনে মুখেৰে

নানা সহানুভূতিৰ কথা কৈ তাক ভবিষ্যতৰ বহুতো আশ্বাস দি গ'ল, কিন্তু তাৰ ভোকৰ জুই নুমুৱাবলৈ সনাতন মহাজনৰ দৰেতো সিহঁতে তাক কেইটামান টকা দলি মাৰি দি যাব নোৱাৰিলে; মানুহে কথাতে কয় বোলে অচিন কাঠৰ থুৰাকো নলগাবা; ছেগ্ চাই কঠীয়া পেলোৱা অচিনাকী মানুহৰ দূৰ ভবিষ্যতৰ মৌখিক আশ্বাসতকৈ থিতাতে ভোকৰ জুই নুমুৱাবলৈ নগদ টকা দলি মাৰি দিব পৰা মানুহৰ কথাৰ মূল্য নিশ্চয় বহুত বেচি,......ৰসেশ্বৰে তাৰ ভোটটো সনাতন মহাজনৰ বাহিৰে আন কাকো নিশ্চয় নিদিয়ে।

সেইদিনা ৰাতি পেট ভৰাই খাই উঠি বিছনাত পৰিবৰ সময়ত ৰসেশ্বৰে আকৌ এবাৰ সনাতন মহাজনৰ নাম কৃতজ্ঞতাৰে স্মৰণ কৰিলে। সনাতনে নিজে তাৰ ঘৰলৈকে আহি কৈছে যেতিয়া সি এইবাৰ তাৰ মাটি নিশ্চয় ঘুৰাই পাব।

সেইদিনা ৰাতি সনাতন মহাজনে বিছনাত পৰিবৰ সময়ত গোটেই দিনটোৰ নিৰ্বাচনী অভিযানৰ ফলাফলখিনি নিজৰ মনতে এবাৰ হিচাব কৰি চালে। বহুতো মানুহৰ লগতে ৰসেশ্বৰৰ নামটোও তেওঁৰ মনলৈ আহিল। তাৰ ভোটটো তেওঁ নিশ্চয় পাব, সেই বিষয়ে কোনো সন্দেহ নাই। তেওঁৰ মুখত এটা তীক্ষ্ণ বিদ্রূপৰ হাঁহি ফুটি উঠিল—'গাধা বুৰ্বক্ ক'ৰবাৰ! আঠুৰ তলৰ ম'হ হৈ তই মোৰ বিৰুদ্ধে মোকৰ্দমা কৰ্? ইলেক্‌চনটো আগতে পাৰ হৈ যাবলৈ দে, ভালকৈ তোক মাটি খুৱাম।'

পিছদিনা ৰাতিপুৱা ৰসেশ্বৰ সনাতন মহাজনৰ ঘৰলৈ গ'ল। সনাতনে তাক একোপ্ পোষ্টাৰ আৰু খালি ডাল্‌ডাৰ টিন এটাত এটিন আঠা দি ক'লে—'আজি গোটেই দিনটো তই যিমান ঠাইত পাৰ সকলোৰে চকুত পৰাকৈ এই কাগজবোৰ আঠা লগাই থৈ আহিবি।'

ৰসেশ্বৰে পোষ্টাৰ্ জাপ্‌.লৈ প্ৰথমতে হাট-খোলাৰ বৰ গছ জোপাৰ গুৰিলৈ গ'ল। সি গৈ দেখিলে—বৰ-গছ জোপাত ইতিমধ্যেই

কোনোবাই এখন কাগজ আঠা লগাই থৈ গৈছে; কাগজখনত কোনোবাই হাতেৰে অঁকা ৰাক্ষসৰ নিচিনা এটা মূৰ্ত্তি; তাৰ তলতে ৰঙা চিঞাহীৰ হাতৰ আখৰেৰে ডাঙৰ ডাঙৰকৈ লিখা আছে: "দুখীয়াৰ তেজ শুঁহি শুঁহি ঢোল যেন হোৱা সনাতন মহাজন ৰাতিটোৰ ভিতৰতে হ'ল দুখীয়াৰ বন্ধু আৰু সমাজ-বাদী! এই ভেল্কি-বাজী কেনেকৈ সম্ভৱ হ'ল?'

ৰসেশ্বৰে কিছু সময় কাগজখনলৈ চাই ৰ'ল। খন্তেকৰ কাৰণে তাৰ মনত প্ৰশ্ন হ'ল: যি সনাতনে দলিল জাল কৰি তাৰ খেতিৰ একমাত্ৰ মাটিডৰা আত্মসাৎ কৰিছে আৰু তাৰ গোটেই ঘৰখনক পথৰ ভিক্ষাৰীত পৰিণত কৰিছে, সেই সনাতনৰনো হঠাতে দুখীয়াৰ প্ৰতি ইমান দৰদ্ উথলি উঠিল কিয়? কিন্তু সি বেচি পৰ সেই কথা চিন্তা কৰি নাথাকিল। হাতৰ পোষ্টাৰ্ জাপ খুলি তাৰে এখন সি ৰৰগছ জোপাত ইতিমধ্যে থকা কাগজখনৰ ওপৰতে আঠা মাৰি লগাই দিলে। ৰসেশ্বৰৰ চকুৰ আগত উন্মোচিত হৈ পৰিল সনাতনৰ হাঁহি-থকা মুখৰ এখন সুন্দৰ ছবি। ছবিখনৰ তলতে লিখা আছিল: "সনাতন শৰ্মাক ভোট দি সমাজবাদৰ শক্তিক জয়-যুক্ত কৰক, দৰিদ্ৰ জনতাৰ অৰ্থনৈতিক মুক্তিৰ সংগ্ৰামক আৰু এখোজ আগ বঢ়াই নিয়ক"

সমাজ-বাদ আৰু সনাতন শৰ্মাৰ জয়-বাৰ্ত্তা প্ৰচাৰ কৰা কাগজবোৰ ৰসেশ্বৰে মনৰ উলাহত মাহ-মৰা গাৱঁৰ প্ৰতিটো ঘৰত আৰু প্ৰতিজোপা গছত আঁৰি দিলে। তাৰ কাণ্ড দেখি সনাতন শৰ্মাই মুখৰ ভিতৰতে এটা নিমম বিদ্ৰূপৰ হাঁহি মাৰিলে: 'গাধা বুৰ্বক্ কৰবাৰ! আগতে ইলেক্‌চনটো পাৰ হৈ যাবলৈ দে। ভলেকৈয়ে মাটি ভোগ কৰিবলৈ পাবি। নিজৰ মাটি-সম্পত্তি আনক বিলাই সৰ্বস্ব ত্যাগ কৰি ভঙুৱা শিৱ হবলৈ সনাতন মহাজনে বুঢ়া বয়সত সমাজ-বাদী হোৱা নাই। ইলেক্‌চনটো আগতে পাৰ হৈ যাবলৈ দে। কুকুৰ-ধূঁলি হেন মানুহ এটা হৈ সনাতন মহাজনৰ বিৰুদ্ধে মোকৰ্দমা কৰিবলৈ সাহস কৰাৰ প্ৰতিফল হাতে হাতে পাবি।'

বসেশ্বৰৰ কোনো ফালে চাবলৈ সময় নাছিল। আৰু তুখন গাৰ্ডত পোষ্টাৰ্ লগাবলৈ তাৰ তেতিয়াও বাকী আছিল। ইজোপা গছৰ পৰা সিজোপা গছলৈ, ইখন বেৰৰ পৰা সিখন বেৰলৈ সমাজ-বাদ আৰু সনাতন শৰ্মাৰ জয়-বাৰ্ত্তা প্ৰচাৰ কৰা কাগজবোৰ কান্ধত বোজা বান্ধি লৈ সি কুকুৰ-খোজেৰে দৌৰিবলৈ ধৰিলে। আচলতে সি নিজৰ ফাঁচী-কাঠ নিজেই বহন কৰি লৈ গৈছিল, কিন্তু একমুহূৰ্ত্তৰ কাৰণেও সি সেই কথা জনা নাছিল। মনৰ আনন্দত তাৰ মুখেদি গুণ্ গুণকৈ এটা গান ওলাই আহিছিল।

---